# গ্ৰীষ্মকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখ ঃ ২৬/০৭/২০১৯ শুক্ৰবাৰ**

**আজি ইংৰাজী ২৬-০৭-২০১৯ তাৰিখে ৰাতিপুৱা ৯ঃ৩০ বজাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী দেৱৰ অধ্যক্ষতাত গ্ৰীষ্মকালীন অধিবেশন নিৰ্দ্ধাৰিত সময় সূচীমতে আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ-** সকলোকে বিধান সভালৈ আদৰণি জনাইছো।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ-** অধ্যক্ষ মহোদয় আমি এটা adjournment motion বিচাৰিছো। বানপানীত যিহেতু বহুতো জন-জীৱনৰ ক্ষতি হৈছে, সেয়েহে সকলো কাৰ্য্যসূচী বাতিল কৰি আমি প্ৰথমেই আজিৰ এই অধিৱেশনত, ইতিমধ্যেই আপুনি বিধান সভা sensitive হৈ পিছুৱাই ও দিছে, আৰু নতুনকৈ বান চলিয়েই আছে, আৰু ৫ দিনমান বান পানী হোৱাৰ আশংকা আছে বুলি বতৰ বিজ্ঞানিয়েও কৈছে গতিকে আজিৰ কাৰ্য্যসূচী যিটো নিয়ম মতে হ'ব লাগে সেই খিনি বাতিল কৰি এই বিষয়ত আলোচনা কৰাৰ বাবে মই আপোনাক আহ্বান জনাইছো।

**মাননীয় অধ্যক্ষ ঃ-** মই এইটো কৰিব নোৱাৰিম। মই Question Hour ৰ পাছত আপোনালোকক দিম।

(কংগ্ৰেছ আৰু এ আই ইউ ডি এফ ৰ সদস্যসকলে মাননীয় অধ্যক্ষৰ আসনৰ ওচৰলৈ আহি বানপানী সমস্যাৰ ওপৰত আলোচনা কৰিবলৈ নিদিয়াৰ বাবে হাতত ফেষ্টুন, প্লেকাৰ্ড লৈ প্ৰতিবাদ কৰি থাকে)।

তাৰ মাজতে মাননীয় অধ্যক্ষ ডাঙৰীয়াই সদনৰ কাম-কাজ কাৰ্য্যসূচী মতে চলাই নিয়ে।

**মাননীয় অধ্যক্ষ ঃ-** Question No.21. শ্ৰীপবিন্দ্ৰ ডেকা

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ-** after Question Hour.Not now. This is not the Rule. Minister, Food and Civil Suply.

**শ্ৰীফণীভূষন চৌধুৰী (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) ঃ-** (সদনত হুলস্থুল), উত্তৰ সদনৰ মেজত ৰখা হৈছে।

**মাননীয় অধ্যক্ষ ঃ-** I will not allow. After Question hour, I will allow. After Question Hour you will get opportunity.

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ-** মই কৈছো,Question hour ৰ পাছত আপোনালোকে পাব। why so urgent.

(সদনত হুলস্থুল)

(কংগ্ৰেছ আৰু এ আই ইউ ডি এফ ৰ সদস্যসকলে সদন ত্যাগ কৰে)।

**মাননীয় অধ্যক্ষ ঃ-** Question No.-22

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ-** উত্তৰ সদনৰ মেজত ৰখা হৈছে।

**শ্ৰীবিনন্দ কুমাৰ শইকীয়া, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্ন আজি পবিত্ৰ সদনত উত্থাপন কৰিছিলো, হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ, সেই প্ৰশ্নটোৰ উত্তৰ মাননীয় মন্ত্ৰী মহোদয়ে দিছে, আৰু মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো যে প্ৰশ্নটোৰ জৰিয়তে মই নজনা কথা বহুকেইটা জানিলো। বিশেষ ভাবে হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগত যে ১৫ টাকৈ আঁচনি চলি আছে মই এই প্ৰশ্নটোৰ জৰিয়তে গম পালো। যিটো কথা বিষয়াসকলে আমাক বহু সময়ত অৱগত নকৰে। সেইটোৰ কাৰণে আমি বিভাগত চলি থকা আঁচনি সমূহৰ বহু কথাই আমি গম নাপাওঁ। যাৰ কাৰণে আমি এই বিভাগৰ জৰিয়তে চৰকাৰে যিবিলাক কাম কৰিব বিছাৰে, আমাৰ অঞ্চল বিলাকত, সমষ্টিবিলাকত, সেই ক্ষেত্ৰত আমাৰ যথেষ্ট অসুবিধা হয়। সেই কাৰণেই এই প্ৰশ্নটো কৰাৰ পাছত মন্ত্ৰী মহোদয়ে যিখিনি উত্তৰ দিছে মই ভাল পাইছো। কিন্তু কথা হ'ল যে যিটো গামোচাৰ উৎপাদন আঁচনি বুলি কৈছে, সেই গামোচা উৎপাদন আঁচনিটো মই দেখিছো যে, মন্ত্ৰী মহোদয়ে দিয়া উত্তৰ অনুযায়ী আমাৰ দৰং জিলাত এইধৰণে এবছৰত গামোচা উৎপাদন হৈছে, মাত্ৰ ৩৭৪৭ খন গামোচা। অধ্যক্ষ মহোদয় আমাৰ সভা-সমিতি, উৎসৱ-পাৰ্বন, বিহু ইত্যাদি এইবিলাকত আমি দেখিছো যে ইয়াত উৎপন্ন হোৱা গামোচা সাধাৰণতে খুব কম পাওঁ। এতিয়া শুনিছো বিহাৰৰ পৰাও গামোচা আহিছে আৰু সেই বাহিৰৰ পৰা অহা গামোচাই আমাৰ গোটেই বজাৰখন দখল কৰি আছে। আমাৰ এই গামোচা উৎপাদনৰ বিষয়টো মন্ত্ৰী মহোদয়ে অলপ বেছি গুৰুত্ব দিলে ভাল হ'ব নেকি? মই জানো যে আমাৰ জিলাখনতেই বিহুৰ সময়তেই আমি এটা হিচাপ কৰি চাইছিলো, অধ্যক্ষ মহোদয়,প্ৰায় ৪০ হাজাৰ গামোচা লাগে। কিন্তু আমাৰ উৎপাদন হৈছে মাত্ৰ ৩৭০০খন গামোচা। এইখিনিৰ ভিতৰত মোৰ সমষ্টিতে মোটামুটি ৩০০০ গামোচা উৎপাদন হৈছে। এতিয়া এই গামোচা উৎপাদনটো বঢ়াবৰ কাৰণে বিভাগে পদক্ষেপ ল'ব বুলি মই আশা কৰিছো আৰু মোৰ অনুৰোধ মন্ত্ৰী ডাঙৰীয়াৰ ওচৰত যে এটা সূতাৰ ভড়াল মোৰ সমষ্টিত স্থাপন কৰিব নেকি? কাৰণ মোৰ সমষ্টিতে আমাৰ জিলাখনৰ ভিতৰতে আটাইতকৈ শিপিনীৰ সংখ্যা বেছি। বিভাগে দিয়া তথ্য অনুসৰি। আমি যাতে গামোচা উৎপাদনটো আৰু বেছি বৃদ্ধি কৰিব পাৰো আৰু আমাৰ উৎসৱ পাৰ্বন বা আমাৰ বিভিন্ন সময়ত আমি স্থানীয়ভাৱে উৎপাদন কৰা গামোচা ব্যৱহাৰ কৰিব পাৰো।

**মাননীয় অধ্যক্ষ ঃ-** Thank you. Minister.

**শ্ৰী ৰঞ্জিত দত্ত (হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক বিনন্দ শইকীয়া ডাঙৰীয়াই তেখেতৰ সমষ্টিত যিখিনি আমাৰ হস্ততাঁত বস্ত্ৰ বিভাগৰ যি আঁচনি চলি আছে, সেই আঁচনিৰ ওপৰত তেখেতে প্ৰশ্ন কৰিছে। তেখেতক মই ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতে বিশেষকৈ গামোচা উৎপাদনৰ কথাটোৰ ওপৰত বিশেষভাবে দৃষ্টি আকৰ্ষণ কৰিছে। বাহিৰৰ পৰা অহা গামোচা তেখেতে যিহেতু বন্ধ কৰাৰ কথা কৈছে, এই ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে, শ্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া নেতৃত্বাধীন চৰকাৰ অহাৰ পিছত, এই বিভাগৰ মন্ত্ৰী হিচাপে যেতিয়া মই দায়িত্ব লওঁ, তাৰ পিছৰ পৰাই বাহিৰৰ পৰা অহা গামোচা বিশেষ ভাৱে ৰোধ কৰিবৰ বাবে বিভাগৰ তৰফৰ পৰা চেষ্টা চলোৱা হৈছিল আৰু যোৱা বছৰত বিভাগীয় বিষয়া সকলে জিলা উপায়ুক্তৰ সহযোগত বাহিৰৰ পৰা গামোচা অনা প্ৰতিস্থান সমূহত raid কৰি বহুতো গামোচা জব্দ কৰা হৈছে। এই বছৰতো আমি জানুৱাৰী মাহৰ পৰা এপ্ৰিল মাহৰ ভিতৰতবাহিৰৰ পৰা অহা গামোচাৰ ক্ষেত্ৰত বিভিন্ন ঠাইত অভিযান চলাইছিলো। বাহিৰৰ পৰা গামোচা অনা ব্যৱসায়ী সকলকো লগত লৈ মই জানুৱাৰী মাহতে এখন সভা পাতিছিলো আৰু তেখেত সকলক মই বাহিৰৰ পৰা গামোচা অনাটো বন্ধ কৰিবলৈ অনুৰোধ কৰিছিলো লগতে তেওঁলোকক যিমানখিনি গামোচাৰ প্ৰয়োজন হয়,

সেই সকলোখিনি আমাৰ যিবোৰ আত্ম-সহায়ক গোট আছে তাৰ পৰা যোগান ধৰা হ'ব বুলি কোৱা হৈছিল আৰু এই কথাত তেওঁলোকে সন্মতি প্ৰকাশ কৰিছিল। শ্ৰী বিনন্দ শইকীয়া ডাঙৰীয়াই তেখেতৰ সমষ্টিৰ কথা ইয়াত যি উল্লেখ কৰিছে, এই ক্ষেত্ৰত আমাৰ বিভাগৰ তৰফৰ পৰা বিহুৰ আগত প্ৰত্যেকখন জিলাৰ সদৰ, মহকুমা সদৰত গামোচা মেলা অনুষ্ঠিত কৰি অহা হৈছে আৰু বিভিন্ন ধৰণৰ আত্ম সহায়ক গোট সমূহে তাত গামোচা বিক্ৰী কৰাৰ এটা সুবিধা লাভ কৰিছে, যাৰ দ্বাৰা তেওঁলোক যথেষ্ট লাভৱানো হৈছে। গতিকে এনেধৰণৰ পদক্ষেপ আমি Block পৰ্যায়লৈ নিয়াৰ বাবে চেষ্টা কৰিছো। অসমত এতিয়া যথেষ্ট পৰিমাণৰ গামোচা উৎপাদন হৈছে।

Yarn Bank ৰ ক্ষেত্ৰত তেখেতে কৈছে যে ছিপাঝাৰ সমষ্টিত এটা Yarn Bank লাগে আৰু তেখেতৰ এই প্ৰস্তাৱটো বিভাগীয় ভাৱে চালি-জাৰি চাই কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিম। দৰং জিলাৰ ছিপাঝাৰ সমষ্টিত প্ৰায় ৩ লাখ ৬০ হাজাৰ ৫৬ কেঃজিঃ সূতা ইতিমধ্যে বিক্ৰী কৰিছো আৰু তাৰ পৰাই ১ কোটি ১০ লাখ ৩০ হাজাৰ টকা আমি আহৰণ কৰিছো। সমগ্ৰ দৰং জিলাৰ ৬,০২৯ গৰাকী শিপিনীক Yarn Pass Book দিয়াৰ ব্যৱস্থাও আমি কৰিছো। ইয়াৰ ভিতৰত, ছিপাঝাৰ সমষ্টিতে ৩,৭৩০ গৰাকী শিপিনীক Yarn Pass Book দিয়া হৈছে। গতিকে, শইকীয়া ডাঙৰীয়াৰ সমষ্টিত যথেষ্ট সূতা তথা Yarn Pass Book ৰ যোগান ধৰা হৈছে। ছিপাঝাৰ সমষ্টিত ২০ % ৰেহাই মূল্যত আৰ্টফেডৰ যোগেৰে Mobile Van ৰ দ্বাৰা গৰুখুটি, বুঢ়া, বনমোজা, বৰদৌলগুৰি আৰু গুৱামলা নামৰ গাওঁ অঞ্চলত আমি সূতাৰ যোগান ধৰিছো। এই গাওঁ অঞ্চল সমূহত মাহেকীয়া বা পষেকীয়া ভাৱে আমাৰ Mobile Unit এখন যায় আৰু ইয়াৰ যোগেৰে ২০ % subsidy ত সূতা বিক্ৰী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। শইকীয়া ডাঙৰীয়াই যি Yarn Bankৰ কথা কৈছে সেইটো মই চালি-জাৰি চাম আৰু তেওঁৰ সমষ্টিত Yarn Bank এটা দিয়াৰো ব্যৱস্থা কৰিম কিয়নো তেখেতৰ সমষ্টিত ইয়াৰ প্ৰয়োজনীয়তা যথেষ্ট বেছি আছে।

আজি মই সদনত মাননীয় মুখ্যমন্ত্ৰী আৰু মাননীয় বিত্ত মন্ত্ৰীৰ উপস্থিতিত এটা অনুৰোধ কৰিব বিচাৰিছো যে এই সূতাৰ subsidy টো যদি ১০% কৈ বঢ়াই ৩০% কৰা হয় তেন্তে Yarn Bank যথেষ্ট পৰিমাণে কাৰ্যকৰী হ'ব। বিনন্দ কুমাৰ শইকীয়া ডাঙৰীয়াক মই ক'ব বিচাৰিছো যে আমি বিভাগীয় বিষয়া সকলক নিৰ্দেশ দিম যে তেখেতৰ সমষ্টিত কৰিবলগীয়া কামখিনি যাতে সুচাৰুৰূপে কৰে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**মাননীয় শ্ৰী বিনন্দ কুমাৰ শইকীয়া, (ছিপাঝাৰ)ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিখিনি উত্তৰ দিলে মই ভালেই পাইছো। কিন্তু, মোৰ কথাটো আছিল যে গামোচাৰ উৎপাদন যথেষ্ট পৰিমাণে কম হৈ আছে। আমাৰ জিলাখনতে বিহুৰ সময়ত প্ৰায় ৪০ হাজাৰ গামোচা লাগে, তাৰ বিপৰীতে তাত উৎপাদন হৈছে মাত্ৰ ৩ হাজাৰ গামোচা। গতিকে এই গামোচা উৎপাদন বঢ়োৱাৰ ব্যৱস্থাটো মন্ত্ৰী মহোদয়ে কেনেকৈ কৰিব এই কথাখিনি জনালে ভাল হয়।

**শ্ৰী ৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী হস্ততাঁত আৰু বস্ত্ৰশিল্প, ইত্যাদিঃ** সমগ্ৰ অসমত আমাৰ বিভাগৰ যি শিপিনী কেন্দ্ৰ, Weavers Service Centre ৰ পৰা আৰম্ভ কৰি অন্যান্য কেন্দ্ৰ বোৰ আছে, তাত ২০১৮-১৯ বৰ্ষত ৪ লাখ ৫০ হাজাৰ খন গামোচা উৎপাদন কৰিবলৈ সক্ষম হৈছিল আৰু এই গামোচাবোৰ বিক্ৰী কৰি ৬.৫০ কোটি টকা আমি আহৰণ কৰিবলৈ সক্ষম হৈছিলো। ARTFED, AGMC, Handloom তথা Weavers Service Centre যি আমাৰ বিভাগৰ অধীনস্থ হৈ আছে, তাৰে সকলোখিনি তথ্য মই দিছো। বিভিন্ন ধৰণৰ আত্ম-সহায়ক গোট সমূহেও গামোচা

উৎপাদন কৰে। গতিকে মই ভাৱো যে, ইয়াৰ দ্বাৰা আমাৰ অসমত অতি কমেও ১০ লাখ মান গামোচাৰ উৎপাদন হয়।

**মাননীয় অধ্যক্ষঃ** এতিয়া ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**মাননীয় শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Power loom ত যি গামোচা উৎপাদন হয় সেই উৎপাদিত গামোচাই তাঁত শালত বোৱা গামোচাক দামৰ ক্ষেত্ৰতে হওঁক বা উৎপাদনৰ ক্ষেত্ৰতেই হওঁক ফেৰ মাৰিব নোৱাৰে। এতিয়া কথা হৈছে যে, Power loom ৰ গামোচা পৰীক্ষা কৰাৰ কাৰণে আমাৰ ওচৰত কিবা মেচিন আছে নে নাই, কাৰণ দেখা গৈছে যে কোনোৱে যদি পৰীক্ষা কৰি কোৰ্টত যায় তেতিয়াহ'লে তেওঁলোকে Test Report নিদিলে ৰেহাই পাই যায় আৰু তেনেকৈ বিভিন্ন ধৰণে ৰেহাই পোৱা বহুতো ঘটনা মই গম পাইছো। গতিকে এইটো ফলপ্ৰসূ হোৱা নাই। সেয়েহে, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে এনেকুৱা Testing Machine ওলাইছে নেকি ? যদি ওলোৱা নাই, তেনেহ'লে এই ক্ষেত্ৰত মই IIT Guwahati ৰ লগত কথা পাতিছিলো, তেতিয়া তেওঁলোকে কৈছে যে চৰকাৰে যদি বিচাৰে তেন্তে তেওঁলোকে তেনেকুৱা এটা Testing Machine তৈয়াৰ কৰি দিব পাৰে। গতিকে এনে ধৰণৰ এটা ব্যৱস্থা ল'ব নেকি ?

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী হস্ততাঁত আৰু বস্ত্ৰশিল্প, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই এটা বৰ গুৰুত্বপূৰ্ণ কথা কৈছে, যিটো আচলতে মইহে ক'ব লাগে, কিন্তু এই কথাটো যিহেতু তেখেতে উত্থাপন কৰিছে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ বিভাগীয় বিষয়া সকলে যেতিয়া গামোচা seize কৰি লৈ আনে তেতিয়া Power loom ৰ গামোচা আৰু Handloom ৰ গামোচাৰ testing
ক'ত হ'ব ? এখন গামোচা Handloom নে Power loom, সেইটো কিহৰ ভিত্তিত প্ৰমাণ কৰিম ? সেই বিষয়ে আমাৰ হাতত কোনো তথ্য বা বিভাগৰ ওচৰত কোনো ধৰণৰ মেচিন নাই। এই testing টো কেৱল কলিকতাতহে হয়। গতিকে আমি যদি testing কৰিবলৈ কলিকতালৈ পঠিয়াও তাৰ পৰা ৰিপৰ্ট আহোতে বহুত সময় লাগে। আমাৰ বিভাগত এতিয়ালৈ এনে কোনো Testing Machine ওলোৱা নাই।

**মাননীয় অধ্যক্ষঃ** এনে মেচিনৰ দাম বহুত নেকি ?

**শ্ৰী ৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী হস্ততাঁত আৰু বস্ত্ৰশিল্প, ইত্যাদিঃ** হয় অধ্যক্ষ মহোদয়, এনে মেচিনৰ দাম আছে। আমাৰ ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই IIT Guwahati ৰ লগত যি কথা পাতিছে সেই সম্পৰ্কত মই তেখেতৰ লগত বহি ভালদৰে আলোচনা কৰিম আৰু যদি IIT Guwahati য়ে এনে মেচিন তৈয়াৰ কৰি দিব পাৰে তেন্তে আমি বিভাগৰ তৰফৰ পৰা IIT Guwahati ক এই ব্যৱস্থাটো কৰিবলৈ দিম। গতিকে কলিতা ডাঙৰীয়াই এনে এটা সুন্দৰ প্ৰস্তাৱ সদনত উত্থাপন কৰাৰ কাৰণে মই তেখেতক পুনৰবাৰ ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষঃ** ডাঃ নোমল মমিন।

**ডাঃ নোমল মমিন, মাননীয়বিধায়ক (বোকাজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই বহুত আঁচনি লৈছে। এইটো অতি ভাল কথা। কিন্তু ২০১৬-১৭ চনত বোকাজান সমষ্টিৰ জপৰা জানত এটা খাদী ভাণ্ডাৰ আমাক দিয়া হৈছিল। তাত বিল্ডিং নিৰ্মাণ হ'ল আৰু চাৰিসীমাৰ বেৰো দিয়া হ'ল। যোৱাবাৰ মই প্ৰশ্ন কৰোতে তাত মৌ পালনৰ ব্যৱস্থা কৰিম বুলি কোৱা হৈছিল।

কিন্তু এতিয়ালৈকে একো ব্যৱস্থা লোৱা হোৱা নাই। চৰকাৰৰ অধীনত বহুতো আঁচনি আছে, তাৰে কেইটামান আঁচনি তাত দিব পৰা যাব নেকি?

**শ্ৰী ৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী, হস্ততাঁত, বস্ত্ৰ শিল্প বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক নোমল মমিন ডাঙৰীয়াই প্ৰশ্নটো খাদীৰ ওপৰত কৰিছে। যিহেতু তেখেতে তেখেতৰ সমষ্টিত মৌ পালনৰ ব্যৱস্থা আৰু মৌ উৎপাদন কেন্দ্ৰ এটা স্থাপন কৰাৰ কথা কৈছে। আজি মই সদনত জনাবলৈ পাই সুখী হৈছো যে 'মুখ্যমন্ত্ৰী গ্ৰাম সমৃদ্ধি কৰণ উন্নয়ন যোজনাত' আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি অভিলাষী আঁচনি গ্ৰহণ কৰিছে সেই অভিলাষী আঁচনি আমাৰ খাদী উন্নয়ন বিভাগৰ তৰফৰ পৰা আমি মৌ পালনৰ যি আঁচনি প্ৰস্তুত কৰিছো, সেই হিচাপে গোটেই অসমত প্ৰায় ১৭ কোটি টকা দিয়াৰ ব্যৱস্থা কৰা হৈছে। যিসকল লোকে মৌ পালন কৰিব বিচাৰে সেই লোকসকলক বাচি লোৱা হ'ব। যিহেতু তেখেতৰ সমষ্টিত মৌ পালনৰ ব্যৱস্থা যথেষ্ট আছে বুলি কৈছে। গতিকে 'মুখ্যমন্ত্ৰী গ্ৰাম সমৃদ্ধি কৰণ উন্নয়ন যোজনাত'তেওঁৰ সমষ্টিটো সামৰি লোৱা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য তেৰছ গোৱালা ডাঙৰীয়া।

**শ্ৰী তেৰছ গোৱালা, মাননীয় বিধায়ক, দুলীয়াজান ঃ** মাননীয় অধ্যক্ষ মহোদয়, হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াই ইমান ভাল অভিলাষী আঁচনি গ্ৰহণ কৰাৰ বাবে তেখেতক ধন্যবাদ জনাইছো। কিন্তু মোৰ দুলীয়াজান সমষ্টিৰ এটা দুখৰ কথা কৈছো বিভাগৰ তৃণমূল পৰ্য্যায়ৰ কৰ্মচাৰী সকল বৰ সক্ৰিয় নহয়। মই যেতিয়া দুলীয়াজান বিধান সভা সমষ্টিৰ NEEPCO ৰ CSR Fund ত কেইটামান শাল অনাৰ পিছত প্ৰশিক্ষণৰ বাবে মই যেতিয়া কৰ্মচাৰী বিচাৰিলো আৰু দুটা কাৰ্য্যালয়ত মই নিজে গৈছিলো কিন্তু লোকসকলৰ যোৱাৰ ইচ্ছা নাই। গতিকে মই চৰকাৰক অনুৰোধ জনাম যে এনেকুৱা ক্ষেত্ৰত আমি যাতে ষ্টাফ দিব পাৰো তাৰ বাবে বিভাগৰ ফালৰ পৰা ব্যৱস্থা কৰিব লাগে ।

**শ্ৰী ৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী, হস্ততাঁত, বস্ত্ৰ শিল্প বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক তেৰছ গোৱালা ডাঙৰীয়াই তেখেতৰ সমষ্টিত যিটো প্ৰডাকশ্যন চেণ্টাৰ NEEPCO ৰ যোগেদি তাত আৰম্ভ কৰিছিল আৰু কৰ্মচাৰীৰ বাবে অনুৰোধ কৰিছিল তাত লগে লগে যাৱতীয় ব্যৱস্থা ল'বৰ বাবে মই কৈছো আৰু যদি লোৱা হোৱা নাই আমি অতি সোনকালে তেওঁৰ সমষ্টি ত লোৱা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য গুৰুজ্যোতি দাস ডাঙৰীয়া।

**শ্ৰী গুৰুজ্যোতি দাস, মাননীয় বিধায়ক, মঙ্গলদৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক আমাৰ মঙ্গলদৈ সমষ্টিত এটা সূতাৰ ভঁৰাল স্থাপন কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। গামোচা আমাৰ স্বাভিমান। অসমীয়া জাতিৰ প্ৰতীক। আমাৰ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই বিভিন্ন সময়ত ডিঙিত গামোচা লৈ আমাৰ সন্মান বঢ়াইছে। কিন্তু মই আমাৰ সদনত এটা অনুৰোধ কৰিম যে বহিঃৰাজ্যৰ গামোচা যাতে আমাৰ অসমত বিক্ৰী কৰিব নাহে। আমি ইয়াৰ বাধা দিয়া নাইবা বৰ্জন কৰাৰ বাবে ব্যৱস্থা ল'ব লাগে। মঙ্গলদৈত বহল ভিত্তিত দুটামান ক্লাষ্টাৰ খুলিব লাগে যাতে মহিলা সকলে তাত কাম কৰি উপাৰ্জন কৰিব পাৰে। তাৰোপৰি যাতে মহিলা আত্মসহায়ক গোটক যি পইচা দিয়া হৈছে, সেইসকলক্ষে উদ্যোগ ভিত্তিত লৈ যাব লাগে । তাৰ বাবে মই অনুৰোধ জনালো।

**শ্ৰী পদ্ম হাজৰিকা, মাননীয় বিধায়ক, চতিয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিহেতু গামোচাৰ ক্ষেত্ৰত লাগি আছো, সেয়েহে মই গামোচা উৎপাদনৰ কথা নকলে ঠিক নহ'ব। মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিটো দহ শতাংশ চাবচিডি বঢ়োৱাৰ কথা কৈছে, সেইটোৰ বাবে ধন্যবাদ। কিন্তু বিভাগৰ ফালৰ পৰা

সূতাৰ যি যোগান ধৰা হয়, সেই ক্ষেত্ৰত মই কোনো কোনো ঠাইত দেখিছো যে সূতাৰ কোৱালিটিটো একেবাৰে ভাল নহয়। সেইটো উন্নত কৰিব লাগে। সূতাৰ কোৱালিটিৰ ক্ষেত্ৰত compromise কৰিব নালাগে। আমি সংগঠিত ৰূপত যিটো আত্মসহায়ক গোটৰ কথা কৈছো আৰু বহিঃৰাজ্যৰ পৰা গামোচা আহি থাকিব যেতিয়ালৈকে আমি উৎপাদন ঠিকমতে নকৰো। বহিঃৰাজ্যৰ গামোচা ধৰাৰ ক্ষেত্ৰত যিটো ব্যৱস্থা আছে, সেইটো কঠোৰভাৱে প্ৰণয়ন কৰাৰ বাবে তেখেতক অনুৰোধ জনাইছো।

**শ্ৰী ৰঞ্জিত দত্ত, মাননীয় মন্ত্ৰী, হস্ততাঁত, বস্ত্ৰ শিল্প বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গুৰুজ্যোতি দাস আৰু পদ্ম হাজৰিকা ডাঙৰীয়াই বিশেষকৈ গামোচাৰ বিষয়ে কৈছে। পদ্ম হাজৰিকা ডাঙৰীয়াই যিটো সূতাৰ কথা কৈছে, আমাৰ যিসমূহ সূতাৰ ভঁৰাল আছে, জিলা ভিত্তিত সূতাৰ ৰং আৰু সূতাৰ নম্বৰৰ requirement বেলেগ বেলেগ হয়। ধৰক গোৱাল পাৰত বেলেগ ৰঙৰ সূতা লাগে, লখিমপুৰত বেলেগ ৰঙৰ সূতা লাগে, শিৱসাগৰত বেলেগ ৰঙৰ সূতা লাগে। বিভিন্ন জাতি-জনগোষ্ঠীৰ যি ধৰণৰ তেওঁলোকৰ গামোচা বা সাজ-পোচাকৰ বাবে যিবিলাক সূতাৰ প্ৰয়োজন, সেই হিচাপে সূতাবোৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে। আমি সূতাসমূহ কেন্দ্ৰীয় চৰকাৰৰ National Handloom Development Corporation ৰ পৰা কিনো। আমি কোনো ব্যৱসায়ী গোষ্ঠীক সূতা যোগান ধৰিব দিয়া নাই। গতিকে যদি কোনো ঠাইত সূতাৰ বেমেজালি হৈছে, তাৰ ব্যৱস্থা কৰা হ'ব আৰু NHDC ৰ পৰা মিলৰ দামত সূতাসমূহ লোৱা হয় আৰু তাৰ ওপৰত বিশ শতাংশ চাবচিডি দিওঁ। গতিকে সূতাৰ ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে প্ৰত্যেক জিলাতে একেধৰণৰ সূতাৰ চাহিদা নাথাকে। আমি Yarn Bank প্ৰত্যেকখন জিলাৰ সদৰত বনাইছো আৰু ইয়াৰ Response বহু জিলাৰ পৰা ভাল আহিছে। কিন্তু কিছুমান জিলাৰ পৰা বেয়া আহিছে। পৰৱৰ্ত্তী পৰ্য্যায়ত আমাৰ বিভিন্ন ঠাইত বা ব্লকত weaving ৰ ক্ষেত্ৰত যদি ব্যৱস্থা লয়, হস্ততাঁতৰ ক্ষেত্ৰত তেওঁলোকৰ requirement আছে। তেনেক্ষেত্ৰত আমি ব্লক পৰ্য্যায়তো Yarn Bank দিয়াৰ ব্যৱস্থা কৰা হ'ব। Pass Book ৰ ক্ষেত্ৰত এটা কথা আছে। Weaver's ৰ Pass Book ৰ registration ৰ বাবে তেওঁলোকে আহিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-২৩। আব্দুল হাই নাগৰি। তেখেত অনুপস্থিত। আমি এতিয়া প্ৰশ্ন নং-২৪ লৈ যাম। তাৰ আগতে মই এটা কথা ক'ব বিচাৰিছো যে আজি বিৰোধীয়ে সদন ত্যাগ কৰিছে। কিন্তু তেখেত সকলৰ Adjornment Motion ৰ Rule টো কি? Rule 61ত কৈছে after the Question Hour and any other matter লোৱাৰ আগতে তেওঁলোকে পাৰে। সেই কথাখিনি আমি জানিব লাগিব। আজি আমাৰ পিচবেলাও Private Member Resolution আছে য'ত বানপানী আৰু গৰাখহনীয়াৰ কথাখিনি আছে। কালিও তেওঁলোকে BAC মিটিঙত কৈছিল তেওঁলোকে পাৰিলে এইবাৰ কাট মোশ্যন বানপানী প্ৰতিৰোধত, Water Resources ত লম। গতিকে আমি বহুখিনি বানপানীৰ ওপৰত আলোচনা কৰিব পাৰিলোহেঁতেন। গতিকে মই Adjournment Motion টো Question Hour ৰ পিছত ল'বলৈ কৈছিলো। মাননীয় বিৰোধী দলৰ সদস্যসকল নাই কিন্তু তেওঁলোকৰ অধিকাৰটো মই কেতিয়াও কৰ্তন নকৰো। সদন কিছু নিয়মৰ মাজেৰে পৰিচালিত হ'ব লাগে। আমি জানো যে বানপানী সমস্যাটো অতি ডাঙৰ সমস্যা আৰু আমি ইয়াৰ বাবে সকলো উদ্বিগ্ন। আজি পিচবেলাও আলোচনা হ'ব আৰু মই আশা কৰিম তেওঁলোকে সেই আলোচনাত অংশ গ্ৰহণ কৰিব। এতিয়া মাজেন্দ্ৰ নৰ্জাৰী ডাঙৰীয়াই কওঁক। প্ৰশ্ন নং-৩৪।

**শ্ৰী মাজেন্দ্ৰ নাৰ্জাৰী, মাননীয় বিধায়ক, গোসাঁইগাওঁ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই আঁচনিখন

২০১৪ চনতে আৰম্ভ হৈছিল। ৪ কোটি ২৯ লাখ ৭০ হাজাৰ টকাত আঁচনিখন নিৰ্মাণ হৈছিল। কিন্তু আজি পাঁচ-ছয় বছৰে কেৱল চিভিল ৱৰ্কখিনিহে সম্পূৰ্ণ হৈছে আৰু বাকীখিনি কাম সম্পূৰ্ণ নহ'ল । মই জনাত বিজুলী সংযোগ সম্পূৰ্ণ হোৱা বুলি গম পাইছো। ইয়াৰ পিছতে যিহেতুকে আঁচনিটো Skill Empowerment and Enterpreneurship বিভাগক হস্তান্তৰ কৰিব লাগে। কিন্তু সেইটো এতিয়ালৈ হোৱা নাই। যাৰ বাবে সা-সৰঞ্জামসমূহ ক্ৰয় কৰিব পৰা নাই। সেইকাৰণে আপোনাৰ জৰিয়তে অনুৰোধ কৰিলো যে অতি সোনকালে এইটো পৰিচালনা কৰাৰ ব্যবস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Minister please.

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ITI বিলাক আমাৰ MSDP বিভাগৰ তৰফৰ পৰা কৰা হয়। তেতিয়াৰ MSDP বিভাগটো এতিয়া PMGVK হৈছে। আপুনি যিটো কৈছে Construction of ITI under MSDP, Ballamguri, Gosaigaon. এইটোৱেই নহয় জানো? ইয়াত আমাৰ মুঠ মূল্য আছিল ২ কোটি ৬০ লাখ টকা আৰু আমাৰ যিটো Report জিলা উপায়ুক্তৰ তৰফৰ পৰা আহিছে সেইমতে তাৰ কাম সম্পূৰ্ণ হৈছে । এই ITI সমূহৰ কাম জিলা উপায়ুক্ত সকলে PWD বিভাগৰ দ্বাৰা হোৱা Tender ৰ যোগেদি সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিছিল। ইয়াত মুঠ ২ কোটি ৬০ লাখ টকা খৰছ হৈছে। ইয়াৰ Total cost আছিলে ৩,৬৯,৭০,৮৭৩ টকা। এতিয়া কামটো সম্পূৰ্ণ হোৱাৰ পিছত তেওঁ যিটো electricity ৰ কথা কৈছে, সেইটো মই আমাৰ জিলা উপায়ুক্তৰ লগত আলোচনা কৰিম। এই ভৱনটো আমাৰ MSDP ৰ তৰফৰ পৰা কৰা হৈছে। কিন্তু ইয়াৰ কামখিনি কৰিব লাগিব Skill Development বিভাগে। আমাৰ যিখিনি ১৫ টা ITI আগতে construct কৰা হৈছে, তাৰ ভিতৰত তিনিটা ITI আমি Skill Development বিভাগক অৰ্পণ কৰিছো। তেওঁলোকে কামখিনি হোৱাৰ পিছত skill development ৰ training ৰ কাৰণে ব্যৱস্থা কৰিছে। বল্লমগুৰিত যিটো ITI আছে, সেইটো সম্পূৰ্ণ হোৱাৰ পিছত মই Skill Development বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰি অতি সোনকালে এই ITI টো Skill Development বিভাগক অৰ্পণ কৰাৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী কমলসিং নাৰ্জাৰী।

**শ্ৰী কমলসিং নাৰ্জাৰী (বিজনী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক এইটো অৱগত কৰিব বিচাৰিছো যে Block Level আৰু জিলাভিত্তিত যিটো MSDP ৰ আঁচনি আছিলে সেইটো বৰ্তমান PMGVK আঁচনিৰ দ্বাৰা হয়। এই আঁচনি সমূহ যেতিয়া Block Level আৰু জিলাভিত্তিতallocation কৰা হয়, তাৰ পিছত যেতিয়া আমি sanctioning number টো চাওঁ, কোনো কোনো Block ত জিলাভিত্তিক আঁচনি ধৰি Block বিলাকত আঁচনি নিদি জিলাভিত্তিত এটা বা দুটাকৈ পুঁজিটো দিয়া আমি দেখিবলৈ পাওঁ। ২০১৬-২০১৭ আৰু ২০১৭-২০১৮ ত আমি এনেকুৱা হোৱাটো দেখিবলৈ পাইছিলো। গতিকে Block Level ত যিটো আঁচনি ধৰিবলৈ দিয়া হৈছিল, সেইমতে Block Level ত সেই আঁচনি বিলাকৰ sanction টো দিলে খুৱ ভাল হ'ব। তেতিয়া সেই Block Level ত যিসমূহ minority মানুহ আছে তেওঁলোক এই আঁচনিৰ পৰা বঞ্চিত নহব। গতিকে আপুনি এইটো নিশ্চিত কৰি দিব নেকি যে Block Level ত যিবিলাক আঁচনি দিয়া হৈছে সেইটো Block Level তেই sanctioning দিয়া হওঁক।

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়কগৰাকীয়ে Block Level ক ভিত্তি কৰি যিটো sanctioning বিচাৰিছে, সেইটো আগৰ চৰকাৰৰ দিনত 11th আৰু 12th plan ত Block Level আৰু District Level ৰ যোগেদি এই আচঁনিবিলাক প্ৰস্তুত কৰি State Level Committee ত পঠাই দিয়া হৈছিল আৰু এই State Level Committee এ কেন্দ্ৰীয় চৰকাৰে plan কৰি দিয়াৰ পিছত তাৰ পৰা আচঁনি সমূহ ধৰিছিল। সেইবিলাকৰ কাম- কাজ আমাৰ জিলা পৰ্য্যায়তে কৰা হৈছিলে। নাৰ্জাৰী ডাঙৰীয়াই যিটো ITI ৰ কথা কৈছিলে এইটোৰ কাম ২০১৩ চনতে আৰম্ভ হৈছিলে আৰু আজিলৈকে তাৰ কাম সম্পূৰ্ণ হোৱা নাই। জিলা উপায়ুক্তসকলে PWD বিভাগক tender কৰিবলৈ কয়, তেওঁলোকে দুবছৰ পিছত tender কৰে, কাম allotment হয়, ৫০শতাংশ payment আহে, ৫০শতাংশ ঠিকাদাৰে লয় তাৰ পিছত আকৌ UC দিয়াৰ পিছত বাকীখিনি পইচা আহে। এতিয়া বহু জিলাত UC নিদিয়াৰ কাৰণে আমি 2nd installment টো claim কৰিব পৰা নাই। গতিকে তেখেতে যিকেইটা আচঁনিৰ কথা কৈছে এইবোৰ আগৰ পৰ্য্যায়ৰ। এতিয়া ২০১৭-২০১৮ আৰু ২০১৮-২০১৯ ত আমাৰ যিবিলাক আচঁনি হ'ল তাত Model Residential School আমি Block level ত ২১খন ঠাইত ধৰিছো। কোকৰাঝাৰতো এখন ধৰিছো। ইতিমধ্যে আমাৰ tender হৈ গৈছে। PWD বিভাগক আমি tender call কৰিবলৈ কৈছো আৰু কিছু কিছু ঠাইত তাৰ কামো আৰম্ভ হৈছে। ২০১৮-২০১৯ ত আমি যিটো পইচা পাইছো, তাৰে প্ৰত্যেকটো Block ৰ head quater ত শ্ৰদ্ধামালা মণ্ড প ১ কোটি ৪৬ লাখ টকা সাপেক্ষে দিয়া হৈছে। গোটেই অসমৰ ৪৩ টা Block ত আমি শ্ৰদ্ধামালা মণ্ডপ দিছো। কেন্দ্ৰীয় চৰকাৰে এইবাৰ আমাক ১৭০ কোটি টকা দিম বুলি sanction letter দিছে। যিবিলাক Block ত শ্ৰদ্ধামালা মণ্ডপ দিয়া হোৱা নাই, তাত আমি এই শ্ৰদ্ধামালা মণ্ডপ দিয়াৰ কাৰণে plan কৰিছো। আগতে যিবিলাক Scheme দিছিলে সেইবিলাক অতি সৰু সৰু আছিলে। ২ লাখ, ৩ লাখ এনেকুৱা ধৰণৰ। additional classroom ধৰে। তেওঁলোকে ক'ৰবাত ক'ৰবাত তাৰাপাম্প ধৰে, ক'ৰবাত hand pump ধৰে, সেইকাৰণে এই আচঁনিবিলাক সম্পূৰ্ণ কৰিব পৰা নাই। গতিকে আমাৰ বিভাগৰ তৰফৰ পৰা আমি এটা সিদ্ধান্ত লৈছো যে ২০ লাখ টকাৰ তলত আমি কোনো ধৰণৰ আচঁনি sanction নলওঁ। গতিকে মই মাননীয় বিধায়ক ডাঙৰীয়া আশ্বস্ত কৰিব বিচাৰিছো আপোনাৰ জিলাতো PMGVK ৰ যিবিলাক Block আছে তাত আমি শ্ৰদ্ধামালা মণ্ডপ বা skill development ৰ যিবিলাক বিভিন্ন ধৰণৰ আচঁনি আছে সেইবিলাক দিয়াৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Last Supplementary Shri Utpal Dutta.

**শ্ৰী উৎপল দত্ত (লক্ষীমপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াক মই আগতেও কৈছো যে MSDP ত আমাৰ লক্ষিমপুৰৰ তেলাহী Block টোও পৰে। আমাক guide line দিয়া হোৱা নাছিল। আমাক এটা amount ঠিক কৰি দিছিল। সেই amount ৰ ভিতৰতে এটা Scheme ল'বলৈ দিয়া হৈছিল। তেওঁলোকৰ guide line মতে আমি Scheme বিলাক ললো। কিন্তু আজি ১ বছৰ হ'ল, এটা Scheme ও যোৱা নাই আৰু কাৰ্য্যকৰী হোৱা নাই। এই বিষয়ে যদি কেন্দ্ৰীয় চৰকাৰৰ policy বেলেগ আছিল আমাক guide line দিব লাগিছিল। Scheme টো ২০ লাখ টকাৰ ওপৰত হ'ব লাগিব বুলি আজি সদনত মন্ত্ৰী ডাঙৰীয়াই কৈছে। কিন্তু Block Level Officer এ আমাক তেনেকুৱা কোনো কথা জনোৱা নাছিল। আমি ১৫ লাখ, ১৫ লাখ টকাকৈ School Building ৰ extra room বনোৱাৰ কাৰণে proposal

দিছিলো। কিন্তু আজি এবছৰে এই proposal বিলাক কি হ'ল আমি একো নাজানো। ইয়াৰ ওপৰত একো মিটিংও হোৱা নাই। গতিকে মন্ত্ৰী মহোদয়ক আমি অনুৰোধ জনাইছো যে MSDP ৰ under ত যিবিলাক পইচা যায় তাৰ ওপৰত guide line যাব লাগে। এই বিষয়ে তৎকালীনভাৱে ব্যৱস্থা ল'বলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীয়ে যিখিনি কথা কৈছে সেইটো তেওঁ 11th আৰু12th plan ৰ কথা কৈছে। আমি দায়িত্ব লোৱাৰ পিছত উপায়ুক্তসকলক কৈছো যে ২০ লাখ টকাৰ তলত আপোনালোকে কোনো আচঁনি নল'ব।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে শুধিছে যে আগৰ আচঁনি সমূহ এতিয়া কি হ'ব?

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, 11th আৰু12th plan ৰ আচঁনিসমূহ cancel হোৱা নাই। বিধায়ক ডাঙৰীয়াই তেলাহী Block ৰ কথা কৈছে। এই সকলোবিলাকৰ ওপৰত মই এটা কথাই ক'ব বিচাৰিছো যে আপোনাৰ লক্ষিমপুৰ সমষ্টিত PMGVK ৰ under ত যিসমূহ Block আছে, তাৰ Block Head Quater ত আমি শ্ৰদ্ধামালা মণ্ডপ দিয়াৰ লগতে SAG ৰ কাৰণে জিলা উপায়ুক্তই যি অনুৰোধ কৰিছিল তাৰ ওপৰত ভিত্তি কৰি marketing shed ৰ ব্যৱস্থা কৰাৰ কাৰণে Scheme ল'বলৈ বিচাৰিছো। গতিকে এই শ্ৰদ্ধামালা মণ্ডপ আৰু SAG centre আপোনালোকৰ Block ত পাব।

**মাননীয় অধ্যক্ষ ঃ** Next Question No. 25, Shri Kamalakhya Dey Purakayastha. He is absent. Now QuestionNo. 26, Shri Atul Bora.মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰত সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী অতুল বৰা, দিশপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী গৰাকীয়ে যিখিনি উত্তৰ দিছে এইখিনি সদনৰ সকলোৰে পাইছে। মোৰ প্ৰশ্নটো হৈছে, স্থানীয় ভাৱে যিবিলাক সমিতি গঠন কৰা যায় এই সমিতি সমূহৰ ম্যাদ কিমান দিন? দুই বছৰ, চাৰি বছৰ, ছয় বছৰ নে কিমান দিনৰ, মই সেইখিনিৰ ওপৰতহে গুৰুত্ব দিছো। ইয়াত দিয়া আছে কমিটিৰ ম্যাদ পাঁচ বছৰ বা সাত বছৰ অথাৎ কমিটিৰ ম্যাদ ওকলি নোযোৱালৈকে। এইটো আচলতে হ'ব নালাগে। স্থানীয় ভাৱে যিবিলাক ভূমি সংৰক্ষণ কমিটি গঠন কৰি দিয়া হৈছে আজিৰ পৰা দহ-বাৰ বছৰ আগতে, অথাৎ ধৰি লোৱা হ'ল ২০০৮ চনতে এখন কমিটি গঠন কৰি দিয়া হৈছিল আৰু আজিও সেইখন থাকিল। চইল কনজাৰভেশ্যনে কি কৰি আছে মানুহৰ চকুত নপৰে। এই বিভাগৰ কি কাম এইবিলাক কোনেও চাবলৈ নাযায়, কোনেও সমালোচনা নকৰে আৰু এই বিভাগৰ কি কাম কোনেও বুজিবলৈ চেষ্টা নকৰে। যাৰ ফলত সাংঘাটিক ক'ৰাপশ্যন এই বিভাগত চলি আছে। গতিকে মই ভাৱো অসমৰ এই সকলো বিলাক কমিটি ভংগ কৰি দিব লাগে আৰু নতুনকৈ কমিটি গঠন কৰিব লাগে। এই কমিটিৰ আয়ুস তিনিৰ পৰা পাঁচ বছৰ থাকিব লাগে। নহ'লে চইল কনজাৰভেশ্যন বিভাগত যিমান টকা আহে এইবিলাক ক'ত খৰচ হৈছে এইবিলাক চাবলৈ কাৰো সময় নাই আৰু এই বিভাগটোক কোনেও গুৰুত্বপূৰ্ণ বিভাগ বুলি গণ্য নকৰে। মই মোৰ সমষ্টিৰ স্থানীয় মানুহে কোৱাৰ কাৰণেহে মই এই বিষয়টোৰ ওপৰত গুৰুত্ব দিছো, চকু ৰাখিছো আৰু প্ৰশ্নটো সদনত উত্থাপন কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াণী।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰজেক্ট বিলাক আগৰ চৰকাৰৰ দিনত আৰম্ভ হৈছিল আৰু কমিটি বিলাক তেতিয়াই গঠন কৰা হৈছিল আৰু কমিটিৰ কাম হৈছে ফেজ ওৱাইজ এই কামবিলাক চোৱাচিতা কৰা। মাজত আমাৰ বিভাগত পইচা নাহিল। প্ৰথম অৱস্থাত কামটো আৰম্ভ কৰোতে বহুতো বিলম্ব কৰাৰ কাৰণে আমাৰ ভূমি সংৰক্ষণ বিভাগত যিখিনি পইচা পাব লাগিছিল সেইখিনি পইচা পোৱা নাছিল। এই চৰকাৰখন অহাৰ পিছত আমি কামখিনি খৰতকীয়া কৰিবৰ কাৰণে চেষ্টা কৰিছো। এতিয়া আমি ফেজ থ্ৰি লৈকে আহিছো আৰু ফেজ থ্ৰিত কামখিনি চলি আছে। যদি মাননীয় বিধায়ক ডাঙৰীয়াই এই কমিটিৰ ওপৰত বিশ্বাস কৰিব পৰা নাই বা যদি তেখেতে এনেকুৱা ধৰণৰ দুনীৰ্তি কৰাটো প্ৰমাণ পাইছে, যদি তেখেতে আমাক লিখিত আকাৰে জনাই দিয়ে তেতিয়া আমি কমিটিৰ ওপৰত বিহীত ব্যৱস্থা ল'ব পাৰিম।

**শ্ৰী অতুল বৰা, দিশপুৰ ঃ** দুনীৰ্তি কৰা নকৰা মই দুটা ভাগত বিভক্ত কৰিব বিচৰা নাই। দুনীৰ্তি কৰক বা নকৰক কমিটিৰ ম্যাদ দীঘলীয়া হ'ব নালাগে। কাৰণ তেনেকুৱা ধৰণৰ পাঁচ বছৰ, সাত বছৰ বা আঁচনিবোৰ সম্পূৰ্ণ নোহোৱালৈকে থকা কমিটি কোনো বিভাগত নাই। দুনীৰ্তি কৰিছে কাৰণে ভংগ কৰি দিম তেনেকুৱা প্ৰমাণ দিম এইবিলাক চোৱাচিতা কৰিবলৈ কাৰো সময় নাই। গতিকে মই ভাৱো যিমান বিলাক কমিটি আছে তাৎক্ষণিক ভাৱে ভংগ কৰি নতুন কমিটি গঠন কৰি দিব লাগে। বেলেগ চৰকাৰে এনেকুৱা ধৰণৰ কাম বিলাক নকৰে নেকি ? এনেকুৱা নহয় যে কমিটিখন ভংগ কৰি দিলেই আঁচনিখন ধ্বংস হৈ যাব ! কাৰণ বেলেগ বেলেগ প্ৰধান মন্ত্ৰী, মুখ্যমন্ত্ৰী, চৰকাৰ হৈ থাকিলে কমিটি বিলাক ভংগ নকৰিব নেকি ? গতিকে যদি বেলেগ সদস্য সকলৰ একো প্ৰব্লেম নাই তেওঁলোকৰ খিনি নকওঁ। খালী মোৰ দিশপুৰ সমষ্টিৰ কমিটিখিনি ভংগ কৰি দিম।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, এটা কথা তেখেতে কৈছে যে, কমিটিৰ ম্যাদ থকা উচিত নহ'লে বহু ঠাইত অসুবিধাৰ সৃষ্টি হয়। প্ৰয়োজন হ'লে তেওঁলোকেই পুনৰ নিৰ্ব্বাচিত হওঁক। মাত্ৰ কমিটিখন ভাঙি দিব লাগে।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আগৰ চৰকাৰৰ দিনত প্ৰজেক্টটো পঠিয়াই দিয়াৰ পিছত যিখিনি এৰিয়াৰ চাৰ্ভে, প্ৰজেক্ট বনোৱা এই কাম বিলাকত বহুত বিলম্ব কৰাৰ বাবে তেওঁলোকে পইচা পোৱা নাই। আমাৰ চৰকাৰৰ দিনত আমি সেইটো খৰতকীয়া ভাৱে কৰিলো আৰু মাজতে আমিও পইচা নাপালো। মই এইটোৱে ক'বলৈ বিচাৰিছো যে, যদি কমিটিৰ কামটো ৰাইজৰ বা মাননীয় বিধায়ক ডাঙৰীয়াৰ পচন্দ হোৱা নাই তেন্তে তেওঁলোকে যদি আমাক কমপ্লেইন দিয়ে আমি সেইটো কেনচেল কৰি দিম। কিন্তু এনেই কেনচেল কৰি দিবৰ বাবে আমাৰ অসুবিধা হয় কাৰণ তেওঁলোকে কোৰ্টত যাব। যদি আপোনালোকে দেখিছে যে দুনীৰ্তি হৈছে তেতিয়াহ'লে আপোনালোকে কমপ্লেইন কৰক আৰু এই বিষয়ে আমাৰ বিহীত ব্যৱস্থা ল'বলৈ সুবিধা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এই সমস্যাটো মোৰ সমষ্টিটো হৈছে। গতিকে মই উপলব্ধি কৰিব পাৰিছো। এতিয়া শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী গৰাকীক দুটামান কথা ক'ব বিচাৰিছো যে, মাননীয় বিধায়ক শ্ৰী অতুল বৰা ডাঙৰীয়াই যিখিনি কথা ক'লে, সেইখিনি একেবাৰে সত্য কথা। মোৰ সমষ্টিটো আগৰ চৰকাৰৰ দিনত চেংচন হোৱা কেইবাটাও কাম আমাৰ চৰকাৰৰ দিনত যেতিয়া কাম আৰম্ভ কৰিছে, ৰাতি গৈ তেওঁলোকে কাম আৰম্ভ কৰিছে। বিধায়কক তেওঁলোকে আধাৰশিলা স্থাপন কৰিবলৈ মতা নাই আৰু মিনিমাম ইনফ'ৰমেশ্যনখিনিও দিয়া নাই। পাছত ৰাইজে যেতিয়া মোক অৱগত কৰিলে আৰু পিছদিনা মই গৈ যেতিয়া খবৰ

কৰিলো তেতিয়া গম পালো যে বিভাগীয় বিষয়া, জিলা বিষয়া আৰু এই কমিটিৰ মানুহবিলাকে লগলাগি তেওঁলোকৰ মাজত পইচাৰ ভাগ-বতৰা কৰি পেলাই কাম কৰাৰ প্ৰয়াস কৰিছে। এইটো মই বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰোৱাৰ পিছত নিয়ম মাফিক কাম বিলাক হৈছে। কিন্তু এই যে বিসংগতিটো হৈছে। দ্বিতীয় কথাটো হ'ল তেওঁলোকে জলচ্ছেদ উন্নয়ণৰ নামত ঘৰত থকা পুখুৰী উন্নয়ণৰ নামটো পাঁচ লাখ টকাকৈ চেংচন লৈছে। এইটো এটা সাংঘাটিক দুনীৰ্তি হোৱা কথা যিটো মই মোৰ নিজৰ তৎপৰতাত নিৰ্মূল কৰিবৰ কাৰণে সক্ষম হৈছো। গতিকে মন্ত্ৰী ডাঙৰীয়াণী বাইদেউৰ পৰা মই এইটো কথা জানিব বিচাৰিছো যে, এনেধৰণৰ আঁচনি চেংচন কৰাৰ ক্ষেত্ৰত বিধায়ক বিলাকক কিয় অৱগত কৰা নহয়। বিভাগীয় কৰ্তৃপক্ষই বিভাগক অন্ততঃ শুধিব লাগে। মই গম পাইছো যে, জলচ্ছেদ উন্নয়ণত যিবিলাক পৰিচালনা সমিতি থাকে এই কমিটি বিলাকে এক্সটেনশ্যন ল'বৰ কাৰণে বিভাগীয় কৰ্তৃপক্ষক দহৰ পৰা পোন্ধৰ হাজাৰ টকা পৰ্য্যন্ত দি পেলাই এক্সটেনশ্যন কৰা বুলিও আমি জানিব পাৰিছো। এইটো হৈছে পূৰ্বৰ চৰকাৰত হৈ থকা নিয়ম। গতিকে এই নিয়ম বিলাক আঁতৰাবলৈ হ'লে মাননীয় বিধায়ক বৰা ডাঙৰীয়াই কোৱাৰ দৰে আমাৰ এই পুৰণি কমিটি বিলাক ভংগ কৰি নতুন কমিটি গঠন কৰিব লাগিব আৰু নতুন নিৰ্দ্দেশনা প্ৰেৰণ কৰিব লাগিব। ধন্যবাদ।

**শ্ৰী নাৰায়ণ ডেকা (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মইও এই সমস্যাৰ সন্মূখীন হৈছিলো। মই কমিশ্যনাৰ ডাঙৰীয়াৰ লগত কথা পাতোতে গম পাইছো যে এই কমিটি বিলাকৰ ম্যাদ তিনি বছৰ। তিনি বছৰ পাৰ হোৱাৰ পিছত গাওঁ সভা পাতি এই কমিটি বিলাক ভাঙি দিব পৰা প্ৰভিজন আছে। মোৰ সমষ্টিৰ সকলো বিলাক মই গাওঁ সভা পাতি নতুনকৈ কৰি লৈছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াণী, এই কথা বিলাক আপুনি পৰীক্ষা-নিৰীক্ষা কৰি সমাধানৰ ব্যৱস্থা কৰিব। মোৰ সমষ্টিটো এনেকুৱা অসুবিধাৰ সন্মূখীন হৈছো। আমাৰ তাতে অফিচাৰখিনি কোঅপাৰেটিভ হৈ আৰু তেওঁলোকে নতুনকৈ কমিটি গঠন কৰি এই সমস্যাখিনি সমাধান কৰিছে। গতিকে আপুনি আইনগত দিশখিনি চাই এই সমস্যাখিনি সমাধানৰ চেষ্টা কৰিব।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি সদনে মোক অনুমতি দিয়ে তেতিয়াহ'লে মই এই কমিটিবিলাক ভাঙি দিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ২৭। শ্ৰী আমিনুল ইছলাম, তেখেত অনুপস্থিত। গতিকে এতিয়া প্ৰশ্ন নং ২৮। ডাঃ নোমল মমিন।

**শ্ৰী ফণী ভূষণ চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**ডাঃ নোমল মমিন ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সমূহ মই পালো। তাৰ ভিতৰত মোৰ সমষ্টিত ফেয়াৰ প্ৰাইচ চ'প ১৫৪ আছে বুলি জানিব দিছে। কিন্তু অধিকাংশই ইয়াৰ ইনাকটিভ। ইয়াক এক্টিভ কৰাৰ কিবা ব্যৱস্থা ল'ব নেকি? দ্বিতীয়তে, গ্ৰাহকক যিখিনি কেৰাচিন তেল দিয়া হৈছে ৩১.৪৫ টকা বুলি দিয়া হৈছে। কিন্তু দৰাচলতে গ্ৰাহকৰ পৰা তাত ৪০ ৰ পৰা ৫০ টকা কেৰাচিন তেলৰ প্ৰাইচ লোৱা হৈছে। এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব নেকি এটা উত্তৰ লাগে আৰু এটা কথা যিটো এফ চি আই ৰ চাউল ডিফুৰ পৰা তাত ৰেক বিলাক ডাউনলোড কৰা হৈছিল কিন্তু এতিয়া চৰ্চা চলি আছে যে ডিমাপুৰৰ পৰা দিব। যদি ডিমাপুৰৰ পৰা দিয়ে তাত লোকেল টেক্স কৰিবলৈ যথেষ্ট অসুবিধা হয়। গতিকে মই অনুৰোধ কৰিছো ডিমাপুৰৰ পৰা নিদি ডিফুৰ পৰা নহ'লে গোলাঘাটৰ ফৰকাটিঙৰ পৰা যি ৰেক আছে তাৰ পৰা যাতে দিয়ে। এই ব্যৱস্থাটো কৰিবৰ বাবে মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনালো। যিবিলাক আমাৰ ৰেচন কাৰ্ড দিয়া হয় এই বিলাক কাৰ্ড যেতিয়া Withdraw কৰে, Withdraw কৰাৰ পিছতে online ত এইটো next Card দিয়াৰ procedure টো কি

জনালে আমি ভাল পাম।

**শ্ৰী ফনিভূষণ চৌধুৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ডাঃ নোমল মমিন ডাঙৰীয়াৰ প্ৰথম যিটো প্ৰশ্ন যে তেখেতৰ সমষ্টিৰ ১৫৪ খন Fair Price Shop আছে তাৰে কিছুসংখ্যক inactive হৈ আছে। এই বিষয়ে আচলতে আমি অৱগত নহয়। আজি তেখেতে যিহেতু বিষয়টো উত্থাপন কৰিছে, আমি Definitely এই বিষয়টো আমি বিবেচনা কৰিম আৰু ইয়াৰ নিশ্চয় active কৰাৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থা কৰিম। দ্বিতীয় কথাটো হৈছে, তেখেতে যিটো কেৰ'চিন তেলৰ কথা কৈছে এই কেৰ'চিন তেলৰ দামটো আচলতে চৰকাৰী বিভাগৰ যিটো দাম নিৰ্দ্ধাৰণ কৰি দিয়া আছে, বিভাগৰ নিৰ্দ্ধাৰণ কৰা দাম হৈছে বোকাজান এৰিয়াত ৩১.৪৫ টকা আৰু চিলনীজান এলেকাত ৩১.১৫ টকা নিৰ্দ্ধাৰণ কৰি দিয়া আছে। গতিকে তেখেতে কওঁতে ৪০.০০ টকা, ৪৫.০০ টকা দৰত বিক্ৰী কৰিছে Fair Price Shop বিলাকে। এই বিষয়টো আমি নিশ্চয় তদন্ত কৰিম আৰু তদন্ত কৰি বিহীত ব্যৱস্থা গ্ৰহণ কৰিম। তৃতীয় প্ৰশ্নটো তেখেতে কৰিলে যে, NFSA ৰ চাউল এতিয়া ডিফুত দিব লাগে বুলি তেখেতে কৈছে। এই বিষয়টো আমি নিশ্চয় বিবেচনা কৰিম আৰু এই ক্ষেত্ৰত তেখেতৰ সহযোগিতা আমি নিশ্চয় বিচাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, This question is related to Bokajan Sub-Division. কবলৈ দুইজনে হাত দাঙিছিল, মই আজি অলপ relax কৰি দিছো, কিন্তু একেবাৰে shortকৈ সুধিব। এইটো actually related to Bokajan but Minister may not be able to give the reply.

**ডাঃ নোমল মমিন (বোকাজান) ঃ** ৰেচন কাৰ্ড onlineত Withdraw কৰাৰ পিছত কি ব্যৱস্থা গ্ৰহণ কৰিলে।

**শ্ৰী ফনিভূষণ চৌধুৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ৰেচন কাৰ্ড আচলতে এই খাদ্যসুৰক্ষা আঁচনিখন ২০১৩ চনতে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত প্ৰৱৰ্তন হৈছিল কিন্তু আমাৰ ৰাজ্যখনত ২০১৫ চনৰ ডিচেম্বৰ মাহত প্ৰৱৰ্তন হৈছিল। এই প্ৰৱৰ্তন হোৱাৰ পিছত আচলতে ইয়াত গ্ৰাম্যাঞ্চলৰ ৮৪.১১ শতাংশ আৰু চৰ অঞ্চলৰ ৬০.৩৫ শতাংশ লোক সামৰি লব লাগে। এই হিতাধিকাৰী সকলৰ বাচনি কৰাৰ ক্ষেত্ৰত আচলতে এটা ব্যৱস্থা কৰিছিল পূৰ্বৰ চৰকাৰে আৰু এই পূৰ্বৰ চৰকাৰৰ ব্যৱস্থা অনুযায়ী ইয়াৰ আচলতে এখন Screening Committee আছে আৰু এখন Selection Committee আছে। এতিয়া Screening Committee খনৰ যিটো ব্যৱস্থা, Screening Committee খনৰ তেওঁলোকে প্ৰথমতে গাওঁ সভা অনুষ্ঠিত কৰি এই হিতাধিকাৰী সকলক বাচনি কৰাৰ পিছত এইটো Screening কৰি তাৰপিছত Selection কৰে। দুখন কমিটিৰ জৰিয়তে এইবিলাক কৰা হৈছিল। কিন্তু এতিয়া বৰ্তমান এনেধৰণৰ দেখা গৈছে যে বিভিন্ন জিলাত বা বিভিন্ন সমষ্টিত আমাৰ পাবলগীয়া আচলতে যিবিলাক হিতাধিকাৰী সেইবিলাকৰ পৰা বঞ্চিত হৈ আছে আৰু নাপাবলগীয়া কিছুমান হিতাধিকাৰীয়ে পাই আছে। এই ক্ষেত্ৰত আচলতে আমাৰ বিভাগৰ পৰা সময়ে সময়ে নীতি নিৰ্দেশনা দিয়া হৈছে আৰু এইমতে এই Deletion system টোত Process টো হৈ আছে। এতিয়ালৈকে NFSA ৰ প্ৰবৰ্তন হোৱাৰ পিছত আজিদিনটোলৈকে ৰেচন কাৰ্ড, NFSA ৰ কাৰ্ড ৩.৬৪ লাখ।

**মাননীয় অধ্যক্ষ ঃ** ঠিকেই আছে। তেখেতে সুধিছে online ত system টো নাই বোধকৰো, online ত system টোৰ কথা তেওঁ কৈছে।

**শ্ৰী ফনিভূষণ চৌধুৰী, মন্ত্ৰী ঃ** Online system টো এতিয়ালৈ প্ৰবৰ্তন কৰা নাই, কিন্তু আমি

ব্যৱস্থা কৰিম।

**माननीय अध्यক্ষ ঃ** ঠিক আছে, হ'ব। Lots of supplementaries আছে, কিন্তু মই উত্তৰ দিবলৈ নকওঁ, কেৱল আপোনালোকে Grievanceটো কৈ যাব পাৰে, মন্ত্ৰীয়ে এইটো ৰাখিব। এতিয়া শ্ৰীসঞ্জয় কিষাণ।

**শ্ৰী সঞ্জয় কিষাণ (তিনিচুকীয়া) ঃ** অধ্যক্ষ ডাঙৰীয়া, মই মন্ত্ৰী ডাঙৰীয়াক এটা অনুৰোধ কৰিব বিচাৰিছো যে ইতিমধ্যে মোৰ তিনিচুকীয়া জিলাত প্ৰায় ৮০ হাজাৰতকৈ অধিক ৰেচন কাৰ্ডৰ কাৰণে দুখীয়া লোকে আবেদন কৰিছিল। মাজতে মাত্ৰ ৪ হাজাৰ ৰেচন কাৰ্ড আমাৰ তিনিচুকীয়াত যোগান ধৰা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে । আপোনাৰ বাকী গোটেইখিনিকে দিব লাগে।

**শ্ৰী সঞ্জয় কিষাণ (তিনিচুকীয়া) ঃ** সেই কাৰ্ডখিনি সোনকালে দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আজি তাৰ উত্তৰ নাপাব, কিন্তু মই কথাটো জনাই থৈছো। Next MLA Hojai.

**শ্ৰী শিলাদিত্য দেৱ ঃ** হোজাই জিলা হ'ল নতুন জিলা।

**মাননীয় অধ্যক্ষ ঃ** নাই, আজি এইটো supplementary নহয়, if you have any suggestion then you can give it.

**শ্ৰী শিলাদিত্য দেৱ (হোজাই) ঃ** It is a question of bifurcation আমাৰ যদি কোনোবাই Surrender কৰে ৰেচন কাৰ্ড in Hojai জিলা, তেতিয়া লাভটো পায় নগাওঁ জিলাই। কাৰণ তেওঁলোকে upload কৰিব পাৰে। সেই কাৰণে যেতিয়ালৈকে bifurcation নহয়, যেতিয়া আমাৰ হোজাইত Surrender হ'ব, হোজাইৰ মানুহসকলে যেন আকৌ নতুনকৈ পায় তাৰ ব্যৱস্থাটো কৰিব লাগে, তাৰবাবে bifurcation টো সোনকালে হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, শিলাদিত্য দেৱ হৈ গ'ল, এতিয়া শ্ৰী মিহিৰ কান্তি সোম।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মোৰ এটা আছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ নাই। এতিয়া শ্ৰী মিহিৰ কান্তি সোম। I think Mihir Kanti Shomeয়ে হাত দাঙিছিল। I will give you Mr. Ramendra Narayan Kalita, I hope, you have given one supplementary, so that why I will give you latter on.

**শ্ৰী মিহিৰ কান্তি সোম ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ Suggestionটো কি?

**শ্ৰী মিহিৰ কান্তি সোম (উদাৰবন্দ) ঃ** Suggestionটো এই ৰেচন কাৰ্ড যিটো অন্তোদয়া আৰু খাদ্য সুৰক্ষা হয়, এই দুটা কাৰ্ডে আপুনি যদি চায় online ত checking কৰিলে বেলেগ মানুহৰ নাম ওলায়, সেইটো কেতিয়া Correction হ'ব সেইটো জানিব চাইছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, শেষত শ্ৰী কমল সিং নাৰ্জাৰী।

**শ্ৰী কমল সিং নাৰ্জাৰী (বিজনী) ঃ** অধ্যক্ষ মহোদয়, বকাতল অঞ্চলৰ কিছুমান ভুক্তভোগীয়ে মোৰ ওচৰলৈ আহিছিল। As I am the Chairman of SC &ST Committee of Assam Legislative Asembly. তেওঁলোকে মোক এটা আবেদন কৰিছিল যে আমি যিটো NFSA ৰ অধীনত যি ৰেচন কাৰ্ড আছে AAY তাতে তেওঁলোক যি ৬ জন বা ৭ জন বা ১০ জন পৰিয়াল আছে তাৰে পৰিয়ালৰ ৩ জন বা ৪ জনৰহে নাম অন্তৰ্ভূক্ত আছে। বাকী ৪ জন বা ২ জন

সদস্যৰ নাম অন্তৰ্ভূক্ত হোৱা নাই। এইটো কি কাৰণে হৈছে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰিম নেকি আৰু তাৰ পিছত আমাৰ বকাতলৰ লগতে গোটেই অসমতে এই ব্যৱস্থাটো হৈছে। বকাতলৰ লগতে আমাৰ বিজনীটো আছে, গোটেই অসমত হৈছে। তাৰ পিছত তাত কিছুমান পৰিয়াল আছে তেওঁলোকে এতিয়ালৈকে NFSA ৰ AAY কাৰ্ড পাবলৈ সক্ষম হোৱা নাই। তেওঁলোকক কেতিয়ালৈকে দিয়াৰ ব্যৱস্থা কৰিব, এইটো মন্ত্ৰী মহোদয়ে জনাবনে ?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, এইটো আপোনাৰ সম্পৰ্কীয় প্ৰশ্ন।

**শ্ৰী ফনিভূষণ চৌধুৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য নাৰ্জাৰী ডাঙৰীয়াই যিটো বিষয় লৈ প্ৰশ্ন উত্থাপন কৰিছে এই বিষয়টো হৈছে এটা পৰিয়ালৰ ১০ জন সদস্য আছে তাৰে ৫ জন সদস্যৰ নাম আছে বাকী ৪ জন বা বাকী ৫ জনৰ নাম নাই, এই বিষয়টো আচলতে আমাৰ দৃষ্টিগোচৰ হোৱা নাই আৰু এই বিষয়টো দৃষ্টিগোচৰ হ'লে নিশ্চয় আমি ব্যৱস্থা গ্ৰহণ কৰিম, আমি এই বিষয়টো চাম, বিবেচনা কৰিম। দ্বিতীয় প্ৰশ্নটো কি আছিল ?

**শ্ৰী কমল সিং নাৰ্জাৰী (বিজনী) ঃ** বাকী যিসকলে ৰেচন কাৰ্ড এতিয়ালৈকে পোৱা নাই, এইটো বোকাজানৰ লগতে গোটেই অসমতে আছে।

**শ্ৰী ফনিভূষণ চৌধুৰী, মন্ত্ৰী ঃ** মই সেই কথাটো এই প্ৰশ্নটোৰ উত্তৰত কব বিচাৰো যে ইয়াত আচলতে আমাৰ প্ৰতিগৰাকী সদস্যৰে এই বিষয়টো এটা সমস্যা। এতিয়া আচলতে ঘটনাটো হৈছে ২০১৩ চনত এই আইনখন হৈছিল, ২০১৫ চনত আমাৰ ৰাজ্যখনত প্ৰবৰ্তন হৈছিল আৰু তেতিয়া পূৰ্বৰ চৰকাৰে এখন তালিকা প্ৰস্তুত কৰিছিল। যিখন তালিকাত আচলতে যথেষ্ট সংখ্যক নাপাবলগীয়া মানুহ সোমাইছে আৰু যথেষ্ট সংখ্যক পাব লগীয়া মানুহ তাৰ পৰা বাদ পৰিছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আপোনাৰ মেছেজটো কি দিব সেইটো কওঁক। সময়টো গৈ আছে।

**শ্ৰী ফনিভূষণ চৌধুৰী, মন্ত্ৰী ঃ** যাৰ ফলত আমি আচলতে সময়ে সময়ে এই যিবিলাক নাপবলগীয়া মানুহে পাইছে সেইবিলাকক Deletion কৰি আছো আৰু ইতিমধ্যে আমি ৩ লাখ ৬৬ হাজাৰ মানুহৰ নাম আমি Deletion কৰিছো। Deletion কৰাৰ পিছত সেই বিলাক ঠাইত আমি নতুনকৈ মানুহ অন্তৰ্ভূক্ত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Thank you, next question no 29, Minister please.

**শ্ৰীৰঞ্জিৎ দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** সময় কম, আপুনি দৰকাৰী প্ৰশ্ন সোধক, বাকীকেইটা বাদ দিব, আজি নোৱাৰিব।

**শ্ৰী তেৰছ গোৱালা ঃ** প্ৰশ্নৰ উত্তৰ মই ভাল পাইছো, যিহেতু ইয়াত ৫ টা ধৰ্মাৱলম্বীৰ কথা কোৱা হৈছে কিন্তু আমাৰ উজনি অসমত বিশেষকৈ যিবিলাক ধৰ্মাৱলম্বী লোক আছে তেওঁলোকৰ জনসংখ্যা অধিক কম। কিন্তু বোৰ্ড বা সঞ্চালকালয়ে এই বিলাক ইমান ধুনীয়া কাম কৰি আছে মই বিধায়ক হিচাপে মই নিজে জ্ঞাত নহয়, সেই কাৰণে এটা অনুৰোধ জনাম মাননীয় মন্ত্ৰী ডাঙৰীয়াই এই বিষয় বিলাক, এই ধৰ্মীয় সংখ্যালঘুৰ যিবিলাক আঁচনি আমি ৰূপায়ণ কৰি আছো সেইবিলাক লৈ আমাৰ এটা Interaction programme কৰে নেকি আমাৰ বোৰ্ড বা সঞ্চালকৰ লগত, যাতে আমাৰ কামখিনি কৰিবলৈ ভাল হয়। মই দেখিলো Scholarshipৰ এটা অতি সুন্দৰ আঁচনি আছে আৰু ইয়াত কেন্দ্ৰীয় চৰকাৰৰ জৰিয়তে যিবিলাক Scholarship দিছে, তাত মই দেখিলো উত্তৰত মোক দুটা post-matric কোৱা হৈছে, মই সেইটোত অলপ confuse আছো সেইটো clear কৰি দিব লাগে যে post-matric দুটা দিয়া আছে সেইটোৰে কি বুজাইছে আৰু এই যি Scholarship বিলাক আমি অন্যান্য Departmentlly Scholarship যি ধৰণে আমি শ্বহীদৰ কাৰণে

যি ধৰণে active হৈ আছো এই minority development ৰ কাৰণে এই Scholarship ত আমি সিমান সক্ৰিয় হোৱা নাই। সেই কাৰণে মই এটা Interaction programme কৰিব নেকি মন্ত্ৰী ডাঙৰীয়াই সেইটো জনাব।

**মাননীয় অধ্যক্ষ ঃ** Thank you, time is running on. আপুনি উত্তৰটো দিয়ক।

**শ্ৰীৰঞ্জিৎ দত্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য তেৰছ গোৱালা ডাঙৰীয়াই যিটো আমাক পৰামৰ্শ আগবঢ়াইছে মই খুব সোনকালে কৰাৰ ব্যৱস্থা কৰিম। দ্বিতীয়তে, যিটো Scholarship ৰ কথা কৈছে, আমাৰ কেন্দ্ৰীয় চৰকাৰৰ প্ৰধান মন্ত্ৰী জন বিকাশ কাৰ্য্যক্ৰম এইটোৰ Development ৰ কাম চলি আছে আৰু প্ৰত্যেকটো আমাৰ যি MSDP ৰ ব্লক আছে, সেই ব্লক বিলাকত হৈছে। Scholarship টো আপোনাৰ pre-matric, post-matric আৰু merit. এতিয়া pre-matric, post-matric আৰু merit ত, যিবিলাক ধৰক ইঞ্জিনিয়াৰ বা ডাক্তৰ বা উচ্চ শিক্ষাৰ কাৰণে যি সকল যায় তেওঁলোকে এইবিলাক onlineৰ যোগেদি আবেদন কৰিব পাৰে আৰু এইবিলাক গোটেইখিনি চালি-জাৰি চাই আমাৰ চৰ অঞ্চলৰ যি সঞ্চালক আছে তেখেত আমি নডেল অফিচাৰ হিচাপে আমি দিছো আৰু জিলা পৰ্য্যায়টো এখন আমি জিলা উপায়ুক্তক, DEEO বা স্কুল পৰিদৰ্শক লৈ এখন কমিটি বনাই দিছো, তেওঁলোকে চালি-জাৰি চাই। স্কুলৰ প্ৰধান শিক্ষক বা হাইচেকেণ্ডাৰীৰ প্ৰিন্সিপালক যি সকলে আবেদন কৰে সেইবিলাক গোটেই চালি-জাৰি চাই onlineৰ যোগেদি যি বিলাক আবেদন কৰা হয় আৰু তেওঁলোকক কেন্দ্ৰীয় চৰকাৰে merit basis ত Scholarship ৰ পইচা দিয়া হয়। এতিয়া আমাৰ নতুনকৈ বিজ্ঞাপন দিয়া হৈছে, সেইটো আপোনালোকে পেপাৰ অথবা অনলাইন যোগে চাব পাৰিব ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, এটা কথা মই আপোনাৰ দৃষ্টিআকৰ্ষণ কৰিব বিচাৰিছো যে আমাৰ অসম বিধান সভাত আজি এটা আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয় যিটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়েও বিচাৰিছিল যে বানপানীৰ ওপৰত এটা বিস্তৃত ভাৱে আলোচনা হওঁক। সকলো মাননীয় সদস্যই accross the party line যে তেওঁলোকৰ যিখিনি ওজৰ-আপত্তি আছে তেওঁলোকে আজি সদনত সেইখিনি কওঁক । লগতে তেওঁলোকে যিখিনি সুবিধা বা অসুবিধা পাইছে সেই কওঁক । এই বিষয়টো আলোচনা হোৱাৰ কাৰণে আপুনিও আপোনাৰ কথাত কৈছিল যে প্ৰশ্নকালীন ঘন্টাৰ পিছত এই বিষয়ে আলোচনা কৰিবলৈ দিম । অধ্যক্ষ মহোদয়, The Rules of Procedure and Conduct of Business in Assam Legislative Assembly, Rule 61, Rule 60, sub-clause I, the Speaker, if he / she gives consent under the Rule 56 and the holds the matter proposed to be discussed is in order, shall after the questions and before the list of business is entered upon, call the member concerned who shall raise in his/ her place and ask for leave to move the adjornment motion of the House. অধ্যক্ষ মহোদয়, আপুনি হৈছে এই সদনৰ মুৰব্বী গতিকে আপুনি এই The Rules of Procedure and Conduct of Business in Assam Legislative Assembly আৰু practician Parliament Kaul and Shakdher এই দুখন মতে আপুনি চলিব লাগিব । আজি মই কথা খিনি কবলৈ ঠিয় হৈছো এই কাৰণেই মই বহুত দুখ পালো আৰু এইটো নিন্দনীয় কথা হ'ল যে ৰুলত থকা কথাটো আপুনি যেতিয়া কৰিবলৈ গৈছিল আৰু আপুনি অনুৰোধ কৰিছিল মাননীয় বিৰোধী পক্ষৰ সদস্য সকলক তেখেত সকলে আপুনাৰ ৰুল ভংগ

কৰি সদন ত্যাগ কৰিলে । অধ্যক্ষ ডাঙৰীয়া বানপানীৰ বিষয়টো এটা অতি গুৰুত্বপূৰ্ণ বিষয়। গতিকে মাননীয় মুখমন্ত্ৰী মহোদয়ে এই বিষয়টো আলোচনা কৰিব বিচাৰিছে ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, বিধায়ক ঃ** যদি মুখ্যমন্ত্ৰীয়ে বিচাৰিছে তেতিয়া হ'লে আপুনি কিয় তেতিয়া নকলে ।

**মাননীয় অধ্যক্ষঃ** আপুনি যিমান পাৰে সোনকালে কওঁক। ....(সদনত হুলস্থুল)....I am already observed.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, Rules of Procedure and Conduct of Business of the Assam Legislative Assembly অনুসৰি এই সদনৰ কাৰ্য্যসূচী চলে জনসাধাৰণৰ স্বাৰ্থত। কোনো দল বিজেপি, কংগ্ৰেছ, বিপিএফ, চিপিআই আৰু এ আই ইউ ডি এফ বা অন্যান্য দল সমূহৰ স্বাৰ্থত এই সদন খন নচলে ।

**মাননীয় অধ্যক্ষঃ** Let me go to the second question.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, মোক ২ মিনিট সময় দিব লাগিব । কিয়নো আপোনাৰ অপমান কৰাটো ভাল কথা হোৱা নাই ।

শ্ৰী মামুদ ইমদাদুল হ'ক চৌধুৰী, বিধায়ক ঃ অধ্যক্ষ মহোদয় আমি আপোনাক অপমান কৰা নাই ।

**মাননীয় অধ্যক্ষঃ** You have made your point. I will look into the matter.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, ইমান চিঞৰ-বাখৰ কৰি ভাল নাপাও বা নকৰো, কিয়নো মই হতাশগ্ৰস্ত হোৱা নাই । কিন্তু আজি কংগ্ৰেছ হতাশগ্ৰস্ত হৈছে।....(সদনত হুলস্থুল)....

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, বিধায়কঃ** আমি অধ্যক্ষ মহোদয়ক অপমান কৰা নাই । গতিকে এইটো মন্ত্ৰী মহোদয়ে উঠাই ল'ব লাগে ।

**মাননীয় অধ্যক্ষঃ** হ'ল এতিয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, মই যিমান পাৰো সোনকালে শেষ কৰিব চেষ্টা কৰিম । মই এই কাৰণে কথাখিনি কবলৈ বিচাৰিছো যে আমি ২০০৪ চনৰ বানপানীৰ কথা মনত ৰখা উচিত । যেতিয়া বৃন্দবন গোস্বামী ডাঙৰীয়া বিৰোধী দলৰ দলপতি আছিল, তেওঁ চিঞৰী ভাগৰি গ'ল।

**মাননীয় অধ্যক্ষঃ** সেইটো বাদ দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** শুনিব লাগিব অধ্যক্ষ মহোদয়। আপুনিও শুনিব লাগিব ।(.....সদনত হুলস্থুল......)

**মাননীয় অধ্যক্ষঃ** আপোনালোকে সদনতো ভালদৰে পৰিচালনা কৰিবলৈ দিব নে নিদিয়ে । This is not the way.

(.....সদনত হুলস্থুল......)

**মাননীয় অধ্যক্ষঃ** It is enough.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, আপোনাৰ যিটো সদইচ্ছা যে বানপানীৰ ওপৰত এটা আলোচনা হ'ব লাগে কিন্তু এইটোক ৰাজনীতিকৰণ কৰি, সদন ত্যাগ কৰি বানপানীৰ নিচিনা এটা বিষয় ইমান পাতল কৰি দিলে কংগ্ৰেছ দলে এইটো এটা বৰ দুৰ্ভাগ্যজনক কথা ।

(কংগ্ৰেছ দলৰ ফালৰ পৰা সদনত প্ৰতিবাদ -
শাসকীয় দল আৰু বিৰোধী দলৰ মাজত তীব্ৰ বাক বিতণ্ডা)

**माननीय अध्यक्ष ः** - প্লিছ... প্লিছ শান্ত হওঁক। দিছ ইছ হাউছ। আপোনালোকে বহক ..... প্লিছ... বহক। হাউছত মই যদি থিয় হওঁ সকলোৱে বহিব লাগিব। মই দুয়োটা পক্ষকে কৈছো। হাউচ চলিব লাগিব। অসমৰ জনসাধাৰণে চাব বিচাৰে আমি কেনেদৰে কথাবিলাক আলোচনা কৰো। এইটো ঠিক যে আমাৰ হাউচৰ ৰুল আছে। ৰুলৰ অধীনত আমি চলিব লাগে । ৰুল কিমানখিনি ফলো কৰিব লাগে সেই অনাৰেবল মেম্বাৰসকলে চিন্তা কৰিব লাগিব। মই ইয়াত অশিক্ষিত মানুহ লৈ বহি থকা নাই। You are learned Members of the House. So you have to obey the Rules. হাউচত মইও বহুদিন ধৰি আছো। অলপ ইফাল সিফাল হয় কিন্তু মই কৈছো After Question Hour মই দিম। আপোনালোকে walkout কৰিছে You have a right to walk out. এইটো অধিকাৰ আছে তেওঁলোকৰ। যিহেতু বিষয়টো গুৰুত্বপূৰ্ণ, আমাৰ চৰকাৰৰ সদিচ্ছা আছে সেই কথাটো আপুনি ক'ব খুজিছে- You have also a right to state as a Parliamentary Minister. respect Can not be demanded. মোৰ যদি কৰ্ম ভাল হৈছে মই সন্মান পাম , মোৰ যদি কৰ্ম বেয়া সন্মান নাপাম। সেইবিলাক কথা লৈ মই ইমান গুৰুত্ব নিদিও কিন্তু গোটেই কথাটো হৈছে যে হাউচখন ভালকৈ চলক , যাতে ইয়াত যিটো গুৰুত্বপূৰ্ণ কথা আলোচনাৰ বাবে লোৱা হয় । হয়তো বানপানীৰ কথা আজিও আলোচনা হ'ব। কাটমোশ্যনতো আলোচনা হ'ব। আমি এইবিলাক কথা পাতিম কিন্তু Playing to the Gellary হ'ব নালাগে। সমাজৰ হিতৰ অৰ্থে , অসমৰ ভালৰ কাৰনে আমি কাম কৰিব লাগে। তেতিয়া মই ভাবো হাউচৰ মৰ্য্যদাটো ৰক্ষা হ'ব। I represent the House that is true কিন্তু মোতকৈ হাউচখন ডাঙৰ। সেই কাৰনে হাউচৰ মৰ্য্যদা ৰক্ষা কৰাৰ ক্ষেত্ৰত মই সকলোৰে সহযোগ বিচাৰিছো। .... এতিয়া আমি জিৰো আৱাৰলৈ যাম। এতিয়া ক'ব মৃনাল শইকীয়া ।

শ্ৰীমৃনাল শইকীয়া, বিধায়ক ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যোৱা ২৩ জুলাই,২০১৯ তাৰিখে নিয়মীয়া বাৰ্ত্তাত প্ৰকাশিত এটা বাতৰি " কাজিৰঙাৰ অস্থায়ী বন কৰ্মী- গৃহ ৰক্ষীৰ দৰমহা বৃদ্ধি নহ'ব।" আচলতে মই ২০১৭ চনৰ ৭ - ৯ তাৰিখে কাজিৰঙাৰ কেজুৱেল কৰ্মীসকলৰ দুখজনক কথাবিলাক মই ইয়াত উত্থাপন কৰিছিলো । কজিৰঙাত আমি যেতিয়াও যাওঁ, প্ৰতিটো বানপানীতে মই কাজিৰঙালৈ যাওঁ- দেখা যায় যিসকল লোক কষ্ট কৰি থাকে বানপানীৰ মাজত থাকি সেই সকলোৱে কিন্তু কেজুয়েল কৰ্মী। যিসকল ৰেগুলাৰ কৰ্মচাৰী তেওঁলোকক ভিতৰুৱা অঞ্চলত আমি গ'লে নাপাও , কেজুৰেল কৰ্মচাৰীসকলকহে ভিতৰুৱা অঞ্চলত পাওঁ। সেই কেজুৰেল কৰ্মীসকলে দৰমহা হিচাপে কোনোৱাই ৭ হাজাৰ কোনোৱাই ৯ হাজাৰ টকা পায়। বানপানীৰ সময়ত তেওলোকে ২৪ ঘন্টা কৰ্ত্তব্য পালন কৰে। বানপানীৰ সময়ত পশুকূলক ৰক্ষনা বেক্ষণ দিয়াটো বহু কষ্টকৰ কাম হৈ পৰে। কিন্তু তেওলোকে দৰমহাৰ নামত নামমাত্ৰ মাননী পায়। লগতে তাত নিয়োজিত হোমগাৰ্ড যিবিলাক আছে। হোমগাৰ্ডৰ দৰমহা কম আমি সকলোৱে জানো। সেই কাৰনে মই দাবী কৰিছো যে কাজিৰঙাৰ যিসকল কেজুৰেল কৰ্মচাৰী আছে তেখেতসকলক সোনকালে নিয়মীয়াকৰণ কৰিব লাগে। আৰু নিয়মীয়াকৰণ নোহোৱালৈকে তেওলোকৰ দৰমহাটো বৃদ্ধি কৰিব লাগে। ১৫০০০ হাজাৰ টকা দৰমহাৰ বাবে তেওলোক যোগ্য ব্যক্তি। আৰু কাজিৰঙাত বিশেষকৈ যিখিনি হোমগাৰ্ড এনৰোল হৈ থাকে তেওলোৰ দৰমহাও স্পিচিয়েল কেচ হিচাপে দৰমহা বৃদ্ধি কৰিব লাগে।

এই কথাটো উত্থাপনৰ বাবে মই ' নিয়মীয়া বাৰ্ত্তা 'ৰ বাতৰিটোৰ সহায় ল'লো। মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যাতে এই কৰ্মীসকল যাৰ কাৰনে কাজিৰঙা সুৰক্ষিত হৈ আছে, পশুকুল ৰক্ষা হৈ আছে এখেতসকলক বিশেষ দৃষ্টিৰে চাই তেওলোকক ৰেগুলাৰ কৰাৰ লগতে

দৰমহাটো বৃদ্ধি কৰিব লাগে। ..... ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মিনিষ্টাৰ প্লিছ......

**শ্ৰীপৰিমল শুক্ল বৈদ্য, মন্ত্ৰী, বন ও পৰিবেশ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক মৃনাল শইকীয়া ডাঙৰীয়াই এটা সমস্যা শূন্যকালীন ঘন্টাত উত্থাপন কৰিলে। ২৪-০৭-২০১৯ তাৰিখৰ 'নিয়মীয়া বাৰ্ত্তাত' কাজিৰঙাৰ অস্থায়ী বন কৰ্মী- গৃহ ৰক্ষীৰ দৰমহা বৃদ্ধি নহ'ল সন্দৰ্ভত এটা বাতৰি আহিছে। কথাটো সঁচা ছাৰ। যেনেকুৱা আমাৰ মাননীয় বিধায়ক ডাঙৰীয়াই কৈছে যে কাজিৰঙাত আমাৰ কিছু অস্থায়ী কৰ্মী আৰু হোম গাৰ্ডয়ে কাম কৰে। প্ৰায় ২৯৮ অস্থায়ী কৰ্মী আৰু ২৭১ গৃহ ৰক্ষী কৰ্মী কৰ্মৰত অৱস্থাত আছে । কথাটো খুৱ সঁচা যে তেওঁলোকে কষ্ট কৰি কাম কৰে কাৰন ৱাইল্ড লাইফৰ কথা আছে। প্ৰায় তেওলোকে ২৪ ঘন্টা কাম কৰিব লাগে। এই ক্ষেত্ৰত কথাটো হয়। আমাৰ মাননীয় বিধায়ক ডাঙৰীয়া যথেষ্ট দৰদী এগৰাকী ব্যাক্তি। আগতেও তেখেতে প্ৰশ্ন আনিছিল। এটা নিয়ম নিতিৰ আধাৰতে তেওলোকক কাজিৰঙাত দিয়া হৈছে আৰু আমিও এটা নিয়মৰ আধাৰতে কাম কৰিব লাগে। এই ক্ষেত্ৰত মহোদয়, আপোনাৰ জৰিয়তে তেখেতৰ জ্ঞাতাৰ্থে আমি জনাওঁ যে কাজৰঙাত আগতে তেওলোকে ৭৫০০ টকাৰ দৰমহাৰ পৰা কাম আৰম্ভ কৰিছিল। আমাৰ চৰকাৰ অহাৰ পিচত ০১-০১-২০১৮ ৰ পৰা তেওলোকৰ দৰমহা ৯০০০ টকালৈ বৃদ্ধি কৰা হৈছে। তাৰ পিছতো ছাৰ কথাটো এনেকুৱা , এই ৯০০০ টকাটো আমি দৰমহা ক'ব নোৱাৰো, মাননী ক'ব লাগিব। ৯০০০ টকা একেবাৰে কম টকা।

আমি Ration Allowance CSS-Project Tiger Fund ৰ পৰা ২০১৯ চনত বছৰি গাই-পতি ৩০০০ টকাকৈ কাজিৰঙাত কৰ্মৰত গৃহ ৰক্ষী আৰু অস্থায়ী কৰ্মী সকলক প্ৰদান কৰা হৈছে। ২০১৯-২০ চনৰ বাবে এই কৰ্মী সকলৰ বাবে মাহিলি ৫০০ টকাকৈ মুঠ গাইপতি বছৰি ৬০০০ টকাৰ Ration Allowance প্ৰদান কৰাৰ বাবে অসম চৰকাৰৰ ওচৰত প্ৰাককলন দাখিল কৰা হৈছে। নুমলিগড় ৰিফাইনাৰীৰ পৰা Group Personal Accident Insurence Policy অধীনত পাঁচ লাখ টকাকৈ এটা বীমা আঁচনি তেওঁলোকক দিয়া আছে। দুৰ্ঘটনাত মৃত্যু হোৱা গৃহৰক্ষী আৰু অস্থায়ী কৰ্মী সকলক এই আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে। দুৰ্ঘটনাত সম্পূৰ্ণ অক্ষম হোৱা ব্যক্তিক প্ৰতি সপ্তাহত ৫০০০ টকাকৈ অধিকতম ১০৪ সপ্তাহলৈ প্ৰদান কৰাৰ ব্যৱস্থা আছে, কিন্তু বহিঃৰাজ্যত এনেকুৱা ব্যৱস্থা নাই, কেৱল কাজিৰঙাতহে আছে। W.W.F. India and I.C.I. C.I.Prudential ৰ সহযোগত সুৰক্ষাত নিয়োজিত অস্থায়ী কৰ্মী আৰু গৃহৰক্ষী জোৱান সকলৰ মৃত্যু হলে অধিকতম তিনি লাখ টকাকৈ দিয়াৰ ব্যৱস্থা আছে। Wildlife Trust of India ৰ সহযোগত সুৰক্ষাত নিয়োজিত অস্থায়ী কৰ্মী আৰু গৃহৰক্ষী জোৱানৰ মৃত্যু হলে অধিকতম একলাখ টকাকৈ দিয়াৰ ব্যৱস্থা আছে। তাৰোপৰি২০১৬-১৭ আৰু ২০১৭-১৮ চনত ইউনিফৰ্ম, জোতা, গৰম জেকেট , পানী জেকেট আদি C.S.S. Project Tiger আঁচনিৰ অধীনত উল্লেখিত কৰ্মী সকলক যোগান ধৰি থকা হৈছে। আমাৰ মাননীয় বিধায়ক ডাঙৰীয়াই যি অভিযোগ উল্লেখ কৰিছে তাৰ প্ৰত্যুত্তৰত মই জনাব বিচাৰিছো যে আমাৰ দলে চৰকাৰ গঠন কৰাৰ পিচতেই পূৰ্বৰ বেতন ১৫০০ টকাটো ৯০০০ টকালৈকে বৃদ্ধি কৰিছো আৰু অন্যান্য কিছু কৰ্মীৰ ক্ষেত্ৰতো মাননী বৃদ্ধি কৰাৰ কাৰণে আমি প্ৰাক্কলন প্ৰস্তুত কৰিবলৈ চৰকাৰৰ লগত যোগাযোগ কৰি আছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মই মাননীয় শ্ৰী পদ্ম হাজৰিকা ডাঙৰীয়াক ২৪-০৭-২০১৯ তাৰিখৰ "অসমীয়া খবৰ" কাকতত প্ৰকাশিত "জাতিৰ 'মাটি'ত সংস্থাপন নাপায় থলুৱাই হুমুনিয়াহেৰে

উজাগৰী নিশা কটায় বহিঃৰাজ্যত।" শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী পদ্ম হাজৰিকা, বিধায়ক** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো উত্থাপন কৰিবলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। "জাতি"ৰ মাটিত সংস্থাপন নাপায় থলুৱাই বহিঃৰাজ্যত উজাগৰী নিশা কটোৱা ছবিখন আমি সকলোৱে দেখি আছো। ই এটা অসমৰ জলন্ত সমস্যা। আজি নিজৰ ঘৰ, নিজৰ মাটিত থাকি পেটৰ ভাতমুঠি মোকোলাব নোৱাৰাৰ বাবে লাখ লাখ নিবনুৱা বহিঃৰাজ্যলৈ গৈ আছে। মোৰ সমষ্টিৰো প্ৰায় তিনি হাজাৰ যুৱক আজিৰ দিনটোত বহিঃৰাজ্যত আছে। এই উদীয়মান যুৱক সকলে বহিঃৰাজ্যলৈ গৈও যে ভালদৰে সংস্থাপিত হ'ব পাৰিছে তেনে নহয়। মই উচ্চ শিক্ষিত যুৱক সকলৰ কথা কোৱা নাই। যিসকল যুৱক Security Guard বা Private Company ত সংস্থাপন লাভ কৰিবলৈ সক্ষম হৈছে, তেওঁলোকৰ বহুতেই হতাশাত ভুগীবলগীয়া হোৱাৰ উপৰিও বহুতে মৃত্যু মুখটো পৰিবলগীয়া হৈছে। বহুতে ভাল সংস্থাপন নাপায় পুনৰ উভতি আহি মৃত্যুক আকোৱালি লোৱা দেখা গৈছে। আমাৰ চৰকাৰে হাজাৰ হাজাৰ কোটি টকা খৰচ কৰি ৰাস্তা-পদুলি, শিক্ষানুষ্ঠান, চিকিৎসালয় মথাউৰি আদি নিৰ্মাণৰ কামবিলাক কৰি আছে কিন্তু আমাৰ জলন্ত নিবনুৱা সমস্যাৰ সমাধানৰ ক্ষেত্ৰত তেনেধৰণে পদক্ষেপ গ্ৰহণ কৰিব পৰা নাই.। আজিৰ যুৱ-প্ৰজন্মৰ বহুতেই আকৌ হতাশাগ্ৰস্ত হৈ উগ্ৰপন্থী সংগঠনসমূহত যোগদান কৰা দেখা যায়। বহিঃৰাজ্যত গৈ আমাৰ যুৱক সকলে যি শোচনীয় পৰিস্থিতিৰ সন্মুখীন হৈ মৃত্যু পৰ্যন্ত আকোৱালি লবলগীয়া হৈছে তেনে এটা অৱস্থা নহ'বৰ কাৰণে চৰকাৰে শাসক-বিৰোধী দলৰ সকলো সদস্যৰ লগত মিলিত হৈযাতে ইতিবাচক চিন্তাৰে এটা পদক্ষেপ গ্ৰহণ কৰে তাৰ বাবে অনুৰোধ জনালো।

মাননীয় অধ্যক্ষ মহোদয়, আপুনি যিদৰে "অধ্যক্ষৰ পদক্ষেপ"ৰ জৰিয়তে চাহ বাগিচাৰ সমস্যা সমূহৰ ওপৰত পৰ্যালোচনাৰ দ্বাৰাই সমাধানৰ এক ব্যৱস্থা কৰিছিল, থিক তেনে এক পৰ্যালোচনাৰে এই জলন্ত সমস্যাটোৰ এটা সঠিক সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি মই আশা ৰাখিলো, কাৰণ এই বিষয়টোৱে বৰ্তমান অৱস্থাত এক জটিল ৰূপ ধাৰণ কৰিছে। অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত যে আমাৰ চৰকাৰে কোনো পদক্ষেপ লোৱা নাই তেনে নহয়। আমাৰ চৰকাৰে কৰ্মচাৰী সকলৰ কৰ্মসংস্কৃতি উন্নীত কৰিবলৈ সক্ষম হৈছে। আগৰ চৰকাৰৰ দিনত কৰ্মসংস্কৃতি নিম্নগামী হোৱাৰ লগতে বহুতো দুৰ্নীতিয়ে মূৰ ডাঙি উঠিছিল। বৰ্তমান পৰিৱেশ সলনি হৈছে। আমাৰ চৰকাৰে কৰ্মচাৰীৰ কৰ্মসংস্কৃতি বৃদ্ধি কৰাৰ ক্ষেত্ৰত শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে। কৰ্মসংস্কৃতি বৃদ্ধি কৰাৰ ক্ষেত্ৰত এটা কথা উল্লেখনীয় যে বিষয়া-কৰ্মচাৰীৰ সহযোগীতা নাপালে চৰকাৰে বা বিভাগ সমূহে যিমানেই ভাল আঁচনি নলওঁক কিয় তাত কেতিয়াও সফল হব নোৱাৰিব। গতিকে এই নিবনুৱাৰ জলন্ত সমস্যা সমাধানৰ ক্ষেত্ৰতো সকলোৱে সহায় সহযোগীতা লাগিব অন্যথা নিবনুৱা যুৱক-যুৱতীৰ বহিঃৰাজ্যলৈ যোৱাৰ গতি ৰোধ কৰিব পৰা নাযাব।

অধ্যক্ষ মহোদয়, বহু খাদ্য সামগ্ৰী যেনে- মাছ, মাংস, গাখীৰ, কণী আদি বহিঃৰাজ্যৰ পৰা আমদানি কৰা দেখা যায়, আনকি আমাৰ জাতিৰ স্বাভিমান গামোচাখনো বহিঃৰাজ্যৰ পৰা আমদানি কৰা হয়। এইটো বন্ধ কৰাৰ বাবে চৰকাৰে পদক্ষেপ লৈছে। চৰকাৰে Power Loom বন্ধ কৰিছে, কিন্তু থলুৱা শিপিনীখিনিক Hand Loomৰ গামোচা উৎপাদন কৰাৰ ক্ষেত্ৰত কিমান কেচামালৰ যোগান ধৰিব পাৰিছে! আজি উদ্যোগ বিভাগে পদক্ষেপ গ্ৰহণ কৰিছে। কৈছে যে - ক্ষুদ্ৰ উদ্যোগ গঠন কৰিবলৈ চৰকাৰে পৰ্যাপ্ত পুঁজি যোগান ধৰিব লাগে, কিন্তু যেতিয়া হিতাধিকাৰী নিৰ্বাচন কৰা হয়, তেতিয়া কিমান সংখ্যক হিতাধিকাৰীয়ে বেংকৰ সহায় লাভ কৰিছে! সঠিক ভাৱে যদি পৰিকল্পনা কৰি আগবঢ়া নাযায় তেতিয়া এই নিবনুৱা সমস্যা সমাধান কৰিব পৰা নাযাব আৰু ই

শান্তিৰ বাতাবৰণ সৃষ্টি কৰাত বাধাৰ সৃষ্টি হ'ব। আমি চাবচিডি লৈ গাড়ী এখন ষ্টাৰ্ট কৰিছো, কিন্তু গাড়ীখন চলাই নিয়াৰ কাৰণে বেংকে যেতিয়ালৈকে cooperate নকৰে, তেতিয়ালৈকে আমি নিবনুৱাসকলক উদ্দ্যোগৰ ক্ষেত্ৰত বা অন্যান্য কুটীৰ শিল্পৰ ক্ষেত্ৰত যিখিনি আমি পদক্ষেপ গ্ৰহণ কৰি আহিছো, সেইখিনি কেতিয়াও সফল হ'ব নোৱাৰো। এতিয়া আমি যদি চাওঁ বজাৰখন আমাৰ আছে, আজি ছাগলী মাংস বজাৰৰ যিমান চাহিদা আছে, মাত্ৰ **২৩** শতাংশ ইয়াত উৎপাদন হয়, গাহৰী মাংস মাত্ৰ **২৮** শতাংশ ইয়াত উৎপাদন হয়, মূৰ্গীৰ মাংস মাত্ৰ **২১** শতাংশ উৎপাদন হয়, গাখীৰৰ উৎপাদন তেনে নগণ্য। গতিকে এইখিনি উৎপাদন কৰিবৰ কাৰণে এটা পৰিকল্পনা লৈ আমি ভালকৈ আগবঢ়াও যে আমি যিবিলাক আত্মসহায়ক গোট NRLM ৰ জৰিয়তে যিখিনি আত্মসহায়ক গোটক পইচা দিছো, হয় কনকলতা মহিলা সৱলীকৰণ আচঁনি জৰিয়তে যিটো পদক্ষেপ গ্ৰহণ কৰিছে, সকলোৱে ভাল পাইছে। কিন্তু বাস্তৱ ক্ষেত্ৰত কি হৈ আছে, এই মহিলা গোট কিমানে তেওঁলোকে উৎপাদন কৰিবৰ কাৰণে project লৈ কাম কৰিছে, আমি খবৰলৈ গম পাওঁ যে **২৫** হাজাৰ টকা কোনোবাই দুই হাজাৰ দুই হাজাৰ টকাকৈ ভাগ কৰি লৈছে। গতিকে এই আচঁনি বিলাক যেতিয়ালৈকে সঠিক ৰূপায়ণ নহয়, সঠিক ভাৱে পদক্ষেপ গ্ৰহণ কৰা নহয়, তেতিয়ালৈকে অসমৰ নিবনুৱা সমস্যা সমস্যাই হৈ থাকিব, বহিৰাজ্যলৈ গৈ থাকিব। গতিকে মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মই চৰকাৰক সঠিকভাৱে আমাৰ আচঁনিসমূহ সফল কৰিবৰ কাৰণে বিষয়াসকলক, যিসকল বিষয়াই কাম নকৰে তেওঁলোকক সেই দায়িত্বৰ পৰা বা এই গুৰুত্বপূৰ্ণ দায়িত্ব Industry Department ৰ যিখিনি দায়িত্বত আছে Lead Bank ৰ Manager যি দায়িত্বত আছে, NABARD ৰ সহায় লাগিব। এটা জিলাভিত্তিত coordination group কৰিবলৈ চৰকাৰে শক্তিশালি পদক্ষেপ গ্ৰহণ কৰক। কাৰ্য্যকাৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ আমাৰ চৰকাৰে এই জলন্ত সমস্যাটো সমাধান কৰিব কাৰণে পদক্ষেপ আগবঢ়াওক আৰু লগতে মই মাননীয় অধ্যক্ষ মহোদয় আপোনাক অনুৰোধ কৰো যে এই সমস্যাটো সমাধান কৰিবলৈ এটা দিন আপুনি বিধান সভাত এটা আলোচনা অনুষ্ঠিত কৰিবলৈ অনুৰোধ জনাই চৰকাৰে এই ক্ষেত্ৰত গুৰুত্ব সহকাৰে লব বুলি আশা কৰি মই এই বিষয়টো দৃষ্টিগোচৰ কৰিলো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য পদ্ম হাজৰিকা ডাঙৰীয়াই "অসমীয়া খবৰ" কাকতত প্ৰকাশিত যিটো খবৰৰ ওপৰত তেখেতে যিখিনি বক্তব্য ৰাখিছে, সেই কথাখিনি সত্য যে আমাৰ ইয়াৰ পৰা ছাত্ৰ-ছাত্ৰীসকল বা নিবনুৱা সকলে বহিৰাজ্যলৈকে গৈ তেওঁলোকে কষ্টত আছে। ইয়াৰ কাৰণটো হ'ল যে উদ্দ্যোগিক দিশত ৰাজ্যখনে যিমান ধৰণে আগবাঢ়ি যাব লাগিছিল আমি আগবাঢ়ি যাব পৰা নাই। মাননীয় সদস্য পদ্ম হাজৰিকা ডাঙৰীয়াই এটা ভাল কথা কৈছে যে ৰাষ্টা হ'ব, হস্পিতাল হ'ব আদি সকলো হ'ব। কিন্তু **২২** লাখ নিবনুৱাই যদি হুমুনিয়া কাঢ়ি থাকিব লাগে, তেওঁলোকৰ ঘৰত যদি ভাল খাবলৈ অৱস্থা নাথাকে, তেতিয়াহলে এই উন্নয়ন বিলাকে বা এই connectivity বিলাকে আমাৰ সমস্যাটো সমাধান নকৰে। আমাৰ নিবনুৱা খিনিৰ কাৰণে আমাৰ তিনিটা লাইন বিভাগ আছে, এই তিনিটা লাইন বিভাগে হৈছে আমাৰ অসমৰ ভৱিষ্যৎ। এই তিনিটা হ'ল Industry, Skill Development & Act East Policy ।এতিয়া এই তিনিটা বিভাগৰ ওপৰত আগতে গুৰুত্ব যিমান দিব লাগিছিল, সিমানখিনি হয়তো দিয়া নহ'ল। আগতে Look East Policy আছিল, আমি চাই থাকিলো যে পূবৰ ফালৰ পৰা কিবা আহিল নে ইফালৰ পৰা কিবা গ'ল। এতিয়া মোডী ডাঙৰীয়া আহি Look

East Policy is stop, start Act East Policy । গতিকে আমাৰ মাননীয় মূখ্যমন্ত্ৰীয়ে অতিসোনকালে এটা Act East Policy affairs department কৰিলে আৰু বহিৰাজ্য বিলাকৰ লগত connectivity বঢ়াই দিলে। আমাৰ মাননীয় সদস্য কেইবাজনো এইবাৰ Tri-lateral highway ৰে এইবাৰ ম্যানমাৰ ভ্ৰমণ কৰি আহিছে, গতিকে Trilateral high way টো সম্পূৰ্ণ হৈছে মাত্ৰ দলং কেইখনমান বাকী আছে। দলং কেইখন এজন মনিপুৰৰ ঠিকাদাৰে পাইছিল, তেখেতৰ কামৰ quality বেয়া হোৱাৰ কাৰণে ME য়ে cancel কৰিলে, তেখেতে হাইকোৰ্ট কৰিলে। এতিয়া সেইটো negotiation চলি আছে। দলং কেইখন হোৱাৰ লগে লগে ম্যানমাৰ হৈ থাইলেণ্ডলৈ আমাৰ ৰাস্তা খুলি যাব আৰু যিটো ভাৰত চৰকাৰে Sea way port ম্যানমাৰত বনাইছে। সেই Sea way port টো ইতিমধ্যে সম্পূৰ্ণ হৈছে, tender float কৰিছে operate কৰিবৰ কাৰণে। গতিকে that will conect Mizoram and North East । গতিকে ultimately Bangladesh, Myanmar আদি যিমান South Asian countries আছে, মুঠ জনসংখ্যা আছে ৮০ কোটি। গতিকে এই জনসংখ্যা থকা মাৰ্কেটখনেই হ'ল আটাইতকৈ ডাঙৰ মাৰ্কেট। এই মাৰ্কেটখনে export কৰিবলৈ হ'লে ইয়াতে Industry হব লাগিব। আজি ম্যানমাৰ আৰু বাংলাদেশত স্বাস্থ্যৰ ক্ষেত্ৰত একেবাৰে বেয়া। গতিকে আমাৰ ইয়াত Health Tourism হব পাৰিব। Health Tourism হোৱাৰ লগে লগে employment বাঢ়ি যাব বা economic ৰ effect পৰিব। ম্যানমাৰত মূখ্যমন্ত্ৰীৰ লগতে ৮ জন কেবিনেট মন্ত্ৰীৰ লগত আলোচনা হওঁতে তেওঁলোকে মোক এটা অনুৰোধ কৰিছে যে আমাৰ যেনেকৈ দিল্লী AIIMs তেওঁলোকৰ কাৰণে ইম্ফলৰ চিভিল হস্পিতালখন তেনেকুৱা। গতিকে অলপ মনিপুৰৰ মোৰেৰ border checking টো অলপ কমাই দিব লাগে। গতিকে যি নহ'ওক এই তিনিটা লাইন তাৰ কাৰণে আমাৰ মাননীয় মূখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো যে আমাৰ Industry grow কৰাৰ কাৰণে আগতে Agriculture ৰ মাটি Industry লৈ convert কৰোতে যিকেইটা পইচা লৈ আগতে Industry ৰ investor আহে গতিকে মণ্ডল অফিচ, SDO অফিচ, SDC অফিচ, CO অফিচ এনেকৈ পঞ্চাশখন মান টেবুল বাগৰি যাওঁতে পকেটৰ পইচা কেইটা শেষ হৈ যায় কিন্তু Agriculture ৰ মাটি Industry লৈ convert নহয়। দুই বছৰমান পিছত convert হোৱাৰ পিছত দেখে যে তেখেতৰ জেপত যিকেইটা পইচা আছিল সেই কেইটা খালী। গতিকে মাটি পালেও Industry নহয়। গতিকে আমাৰ মূখ্যমন্ত্ৰীক ধন্যবাদ দিছো এই কাৰণে মাননীয় অধ্যক্ষ মহদোয় যে - (১) আমিনগাঁৱৰ পৰা টিহুলৈকে নেচনেল হাইওৱেৰ দুয়োকাষে ৫০০ মিটাৰ মাটি এৰি এইখিনি এটা Industrial Corridor হৈ যাওঁক। যোনে এই মাটিখিনি registration কৰিব automatically সেই মাটিখিনি Industry land লৈ convert হৈ যাব। গতিকে তেখেতে আৰু দুইবছৰ ঘুৰি থাকিব নালাগে।

(২) Ease of doing business জৰিয়তে আজি বোম্বেৰ পৰা, লণ্ডণৰ পৰা এজন মানুহ আহি ইয়াত business portal ত তেওঁলোকে register কৰিব পৰা এটা অৱস্থা আহি গ'ল।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰ হোৱাৰ পিছত আমি সকলো কাকতত advertise দিছো যে আমাৰ total যিখিনি investment হৈছিল তাৰপৰা ৪৪ হাজাৰ direct employment হৈছিল, indirect আছে। গতিকে আমি Industry টো আগবঢ়াই লৈ যাব বিচাৰিছো। সেই কাৰণে Adventage Assam আমি পাতিছিলো যাতে অসমৰ লৰা-ছোৱালী ইয়াত থাকিব পাৰে। Adventage Assam ত ২৩ দেশে অংশগ্ৰহণ কৰিলে আৰু গম পালে যে

অসমো এখন ৰাজ্য। গতিকে এই ৰাজ্যখনত investment কৰিব পৰা যায়। স্বাধীনতাৰ আগত ধনী ৰাজ্য আছিলো কাৰণ বৰাক ব্ৰহ্মপুত্ৰৰে Chittagong port লৈ আমাক excess আছিল। আমি বৰাক ব্ৰহ্মপুত্ৰৰে Chittagong port পাইছিলো, বিশ্বৰ বজাৰ আমি পাইছিলো। গতিকে natural per capita income ত কৈ আমাৰ per capita income বহুত ওপৰত আছিল। গতিকে আমাৰ মানুহ বাহিৰৰ ৰাজ্যলৈকে যাব লগা হোৱা নাছিল। কিন্তু স্বাধীনতাৰ পিছত ১৯৫৭ চনত যি কি কাৰণতে নহওঁক তেতিয়া পাকিস্তান আছিল, পাকিস্তানে আমাৰ excess বন্ধ কৰি দিলে। কিন্তু এতিয়া আমাৰ প্ৰধান মন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বত Chittagong port যোৱাৰ বাবে বাংলাদেশ চৰকাৰে কেবিনেটত ইতিমধ্যে সিদ্ধান্ত লৈছে যে তেওঁলোকে আমাক excess দিব। ইতিমধ্যে আমাৰ International flight আৰম্ভ কৰা হৈছে, এখন ঢাকা - গুৱাহাটী flight। কেইদিনমান পিছত ঢাকা - গেংটক হ'ব তাৰ পিছত বাকী ছয়টা best serious ত daily flight থাকিব fixed prize ত। মাননীয় অধ্যক্ষ মহোদয় এই basic কথাখিনি আমি কৰিবলৈ লৈছো। আমি Silk Development ত যিখিনি training দিছো, training provider বিলাকৰ ৮০ শতাংশক চাকৰি দিব লাগিব। চাকৰি ৮০ শতাংশ দিয়াৰ পিছত ২০ শতাংশ পাবলগীয়া পইচা আমি আদায় নিদিও। কিয় ছয় মাহ এই লৰাটো নিজে কৰবাত কোনোবা কোম্পানিত চাকৰি কৰিলে, গতিকে এই কোম্পানি বিলাকত কাম কৰাৰ সময়ত আমাৰ যিখিনি মানুহে কাম কৰিছে, সেইখিনি নিৰাপদে আছে নে নাই এই বিলাক চোৱাৰ কাৰণে যেতিয়া আমি ছয় মাহ পিছত ৰিপোৰ্ট পাম তাৰ পিছত ২০ শতাংশতো মুকলি কৰি দিম । এনেকুৱা ধৰণৰ ব্যৱস্থা আমি কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য পদ্ম হাজৰিকা ডাঙৰীয়াই এই যে ২২ লাখ নিবনুৱাৰ কথা কৈছে সেই কথাটো ডাঙৰ কথা নহয়। পৃথিৱীখন দুটা বস্তুই দমিনীত কৰিছে এটা Start up আৰু এটা Artificial Inteligence। Start up ত UBER ৰে এটা App উলিয়ালে, UBER ৰে এখন গাড়ীও কিনা নাই এটা চালকো নিযুক্তি দিয়া নাই। Start up ত UBER ৰে গোটেই বিশ্বত কিমান নিবনুৱাক নিযুক্তি দিছে। মই মাজতে আমেৰিকাৰ UBER ৰ অফিচত যাওতে তেওঁলোকে মোক বুজাইছে চালক বিহীন গাড়ী। মই কৈছো এখন গাড়ীত পাৰিলে তিনিটা চালক কেনেকৈ লাগে সেইটো আমাক লাগে আজিৰ দিনত এনেকুৱা অৱস্থা হৈছে। গতিকে এই কাৰণে আমি Start up hub কৰিছো for the first time in the history of Assam. সেই গোটেই বস্তুখিনি এটা চিষ্টেমত আহিছে, ৩ বছৰটো অধ্যক্ষ ডাঙৰীয়া ৭০ বছৰৰ বেমাৰটো শেষ কৰিব নোৱাৰি। গতিকে এইটো পুৰনা বেমাৰ চিকিৎসা কৰোতে সময় লাগিব। আমাৰ আটাইতকৈ ডাঙৰ Challenge হৈছে,আমাৰ artificial intelligence. Artificial intelligence টো হৈছে এনেকুৱা যে এটা কোম্পানীত যদি ১০ হাজাৰ মানুহে আজিৰ দিনত কাম কৰি আছে, তেতিয়া artificial intelligence য়ে কি কৈছে যে তাতে মাত্ৰ দুটা ৰবটে কাম কৰিব আৰু তাত এজন মানুহো নাথাকে। এই ১০ হাজাৰ মানুহ unemployed হৈ যাব। যিখিনি মানুহ নিবনুৱা হৈ আছে, সেইখিনি আছেই। তাৰোপৰি artificial intelligence অহাৰ লগে লগে এই ১০ হাজাৰ মানুহো নিবনুৱা হৈ যাব। এতিয়া মই সেই কাৰণে ম্যানমাৰ, Information Technology Institute ত, তেওঁলোকৰ যিজন প্ৰফেচৰ ড০ ৰাজা যিজনে লিড কৰি আছে ম্যানমাৰত, মই তেওঁক সুধিছিলো, যে artificial intelligence অহাৰ পাছত ড০ ৰাজা what will happen to the faith of the uncmployed youth, তেওঁ কৈছে যে unemployed youth বিলাকে তেওঁলোকৰ skill

টো up-grade কৰিব লাগিব। কাৰণ artificial intelligence এতিয়া must কাৰণ কেতিয়াও কোনো মানুহৰ সময় নাই, আৰু মেনুৱেলি আৰু কাম হ'ব নোৱাৰে। অধ্যক্ষ ডাঙৰীয়া মই এইখিনি কথা আপোনাক কলো।

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া Zero hour ত No-3 ৰূপজ্যোতি কুৰ্মী।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, আজিৰ মই zero hour ৰ অধীনত এটা গুৰুত্বপূৰ্ণ বিষয়, যোৱাকালি ২৫-০৭-২০১৯ তাৰিখে জনপ্ৰিয় বাতৰি কাকত The Assam Tribune, ত প্ৰকাশিত এটা বিষয় আপুনি এই পবিত্ৰ বিধান সভা অধিবেশনত উত্থাপন কৰিবলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। বিষয়টো আছিল, "Tea Industry suks state Government's help to tied over crisis" বিষয়টো আমি যদি চাওঁ, চাহ বাগানৰ বৰ্তমান সমস্যা, মোৰ মাতৃ ১৯১১ ত প্ৰথম বিধায়িকা হৈছিল। তেতিয়াৰে পৰা মৰিয়নি সমষ্টিৰ লগত মোৰ অহা-যোৱা চলি আছে। মই সৰু আছিলো, বিয়াই সকামে মোক লৈ গৈছিল। পিছত পিতৃ-মাতৃৰ আশীৰ্বাদ, ভগৱানৰ আশীৰ্বাদত ২০০৬ চনত বিধায়ক হলো। প্ৰত্যেক চাহ বাগিচা ধুনীয়াকৈ চলি আছে। প্ৰত্যেক চাহ বাগিচাত দূৰ্গাপূজা হয়, ফুটবল খেল হয়, কৰম পূজা হয়, খুব ধুনীয়াকৈ চলি আছিল। ২০১৪ চনৰ পাছত হঠাৎ দেখা পালো যে অসমৰ প্ৰথমটো চাহ উদ্যোগ কোম্পানী, Assam Company Limited তেওঁলোকে বাগান বিক্ৰী কৰিবলৈ লৈছে, আৰু খুব বেছি এবছৰমানৰ ব্যৱধানত তেওঁলোকে বাগান বিক্ৰী কৰি দিলে। Assam Company Limited ৰ সকলো বাগান বিক্ৰী হৈ গ'ল অসমত। ১৪ খন বাগান আছিল। মোৰ মৰিয়নি সমষ্টিৰ কঠালগুৰি বাগান বিক্ৰী হৈ গ'ল। মানুহৰ কান্দোনৰ ৰোল উঠিল । তাৰ কেইদিন মানৰ পাছত, আজিৰ তাৰিখত গম পাইছো, যে Assam Company Limited যদিও পুৰণা, তাৰ সমান্তৰাল ভাৱে এটা অতি পুৰণা কোম্পানী, যিটোৰ নাম সকলোৱে নিশ্চয় শুনিছে, Williamson Magor, এতিয়া বেংকৰ অধীনত আছে। কেইদিন মানৰ আগত, ফুটবল টিমে আমাৰ মৰিয়নিত ফুটবল খেলিব আহিব লাগে, তেওঁলোকে এইবাৰ মোক প্ৰথমবাৰৰ বাবে জাৰ্চী বিচাৰিলে। মই শুধিলো যে কিয় জাৰ্চী বিচাৰিছা ? তোমালোককতো কোম্পানীয়ে দিয়ে, তেওঁলোকে কলে যে এইবাৰ মেনেজাৰে নিদিলে। কেলেই নিদিলে ? বোলে বেংকৰ অধীনত বাগান চলি আছে। সেই কাৰণে যিমান টকা আমি পাওঁ, বেংকত জমা হয়। আমাৰ বহুত Liability আছিল, সেয়েহে সেইবোৰ টকা বেংকত জমা হয়। আজিৰ তাৰিখত চাহ উদ্যোগৰ যি অৱস্থা, খুবেই দুখ লগা। Assam Tribune ত প্ৰকাশিত এটা বাতৰিত, ইয়াত কৈছে যে চাহ উদ্যোগৰ ৩৫০ কোটি টকা provident fund ত তেওঁলোকে জমা দিবলৈ বাকী আছে। মই বহুজনৰ লগত মালিকৰ লগত কথা পাতি মই যোৱা কালিৰ নিশাৰ পৰ্য্যন্ত কথাপাতি অৱগত হ'লো যে কৰবাত জি এচ টি য়ে তেওঁলোকক বাধা দিছে। ইয়াৰ লগতে মুদ্ৰানীতিৰ demonetisation য়ে তেওঁলোকক বাধা দিলে। ডিজেল, পেট্ৰলৰ price high সেইটো এটা অন্যতম বাধা তেওঁলোকৰ কাৰণে। ইয়াৰ লগতে তেওঁলোকৰ বিশেষকৈ; এতিয়া কাৰেণ্টৰ যিটো বিলৰ, যি পৰিমান যে APDCL য়ে বঢ়াই দিছে, সেইটো এটা অন্যতম কাৰণ। এতিয়া কেন্দ্ৰীয় চৰকাৰৰ লোকসভাৰ এটা সিদ্ধান্ত মৰ্মে এটা নতুন আইন প্ৰণয়ন কৰিব বিচাৰিছে যে ১ কোটি টকাতকৈ ওপৰত যদি কোনোবা চাহ উদ্যোগ কোম্পানীয়ে নগদ ধন লয়, তেনেহ'লে তেওঁলোকে তাত ২শতাংশ কৰ ভৰিব লাগিব। সেইটোৱে তেওঁলোকক আৰু মানসিকভাৱে ভাঙি পেলাইছে। আমাৰ যোৰহাটৰ এজন সন্মানীয় চাহ উদ্যোগপতি আৰু বৰ্তমান চাহ বোৰ্ডৰ চেয়াৰমেন, প্ৰভাত বেজবৰুৱাক মই এদিন লগ পাইছিলো। তেওঁক কৈছিলো যে আপোনালৈ শুভেচ্ছা

থাকিল, আৰু যিমান পাৰে অসমক চাব। তেতিয়া তেওঁ কৈছিল যে মই চেয়াৰমেন নামতহে আছো, vice Chairman কে সকলোখিনি কেন্দ্ৰীয় চৰকাৰৰ পৰা দিয়া হৈছে কতৃত্ব। Signing Authority ৰ পৰা আদি কৰি সকলো। মই কেৱল বোৰ্ডৰ মিটিংত যাওঁ চকীখন লও আৰু মিটিংখনৰ সভাপতিত্ব কৰো। ইয়াৰ লগতে ATP বিভাগৰ যি সকল মুৰব্বী, চাহ সংস্থা তেওঁলোকৰ লগতো কথা পাতিছো। তেওঁলোকে বহু কথা কেন্দ্ৰীয় চৰকাৰৰ পৰা সহাঁৰি, ৰাজ্যচৰকাৰৰ পৰা সহাৰি যদি আমি এই সময়ত নাপাওঁ, তেতিয়া we will be delayed বহুত দেৰী হৈ যাব আমাৰ। মই চৰকাৰৰ আজি হিচাপ কৰি আছিলো কিমান দিন হ'ল। বৰ্তমান বিজেপি মিত্ৰজোটৰ চৰকাৰ, মই দেখা পালো, ৩ বছৰ ২ মাহ হ'ল। মানে ৪ বছৰত ভৰি দিলে, চাওঁতে চাওঁতে ৫ বছৰ সময় গুছি যাব। বেছিদিন নাই ৫ বছৰ হ'বলৈ।

এই চৰকাৰৰ যিটো চাহ জনগোষ্ঠীৰ প্ৰতি চাহ শ্ৰমিকৰ প্ৰতি যিটো দৰদ বা সদিচ্ছা কৰবাত কিন্তু আমি অকনমান কম দেখিছো। অসম চাহ নিগমৰ এটা বিশেষ কমিটি বনাই দিয়া হ'ল। বিত্তমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া, চাহ নিগমৰ সেই সমিতিখনৰ সভাপতি। ২০১৭ চনত , দুবছৰ আগত এখন সভা দিছিল। Deputy Secretary, Secretariat ৰ industry বিভাগৰ নাম উল্লেখ কৰিলে, তেখেতে ৰোষত পৰিব পাৰে, ফোন কৰি জনালে। চাৰ মিটিং কেঞ্চে ল। কেনেকৈ কেঞ্চেল ? যে মন্ত্ৰীয়ে সময় দিব পৰা নাই। কোন মন্ত্ৰী ? বোলে উদ্যোগ মন্ত্ৰী। উদ্যোগমন্ত্ৰীক যেতিয়া শুধিলো, কলে যে মই বাহিৰত গৈছিলো, এই কেইদিনতে দিম। উদ্যোগ মন্ত্ৰী ডাঙৰীয়াক মই যথেষ্ট সন্মান কৰো, তেখেতে জানে। আজি ৩ বছৰ পাৰ হৈ গ'ল, অসম চাহ নিগমৰ সেই বিশেষ সমিতিখনৰ সভা ন'হল। মই অনুৰোধ জনাইছো, এই চাহ উদ্যোগটোক চৰকাৰে এটা বিশেষ সভা দি আমাৰ বিৰোধী দলকো আস্থাত লওঁক, আমাকো মাতক। আমি নিশ্চিত টি অক্সন চেন্টাৰক কেনেকৈ নাকি দি আছে। ৫০ শতাংশ তেওঁলোকে অক্সন চেন্টাৰৰ যোগেদি বিক্ৰী কৰে। কেনেকুৱাকৈ তেওঁলোকে কৰ ফাঁকি দি আছে, বহু কথা আছে। আমি যদি সময় থাকোতে আলোচনাত মিলিত নহওঁ, বিৰোধীকো আস্থাত লৈ আমাকো আলোচনাত মাতক। আমি বহো। ইয়াকে আহ্বান জনাই মই কবলগীয়াখিনি সামৰিছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া, আপুনি কওঁক। আমাৰ Report lay কৰিবলৈ বাকী আছে। গতিকে চমুকে কৈ শেষ কৰক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, উদ্যোগ আৰু বাণিজ্য ইত্যাদিঃ** অধ্যক্ষ মহোদয়, অসমৰ চাহ উদ্যোগ পৃথিৱীৰ আটাইতকৈ পুৰণি অনুষ্ঠান আৰু ই অসমৰ ঐতিহ্য। বিশ্বত অসমৰ পৰিচয় চাহৰ জৰিয়তেই হৈছে। কিন্তু শেহতীয়াভাৱে দেখা গৈছে, অসমৰ উদ্যোগ জগতত বৰ্তমান চাহ-বাগিচাৰ অৱস্থা অতি শোচনীয়। অসমত প্ৰায় ২ লাখ ক্ষুদ্ৰ চাহ খেতিয়ক আছে আৰু তেওঁলোকে যথেষ্ট পৰিমাণে চাহ উৎপাদন কৰি আহিছে। কিন্তু, চাহ উৎপাদনৰ ক্ষেত্ৰত তেওঁলোকে যি মূল্য পাব লাগিছিল সেইখিনি নাপায়। বিগত চৰকাৰৰ সময়ছোৱাত প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভাৰত চৰকাৰলৈ দুখন চিঠি লিখিছিল আৰু সেই চিঠি দুখন দেখি মই মন্ত্ৰী ৰামবিলাস পাছোৱান ডাঙৰীয়াক সেই চিঠিৰ মতে কাম নকৰিবলৈ কৈছিলো আৰু যদি এই চিঠি দুখনৰ মতে কাম কৰা হয় তেন্তে চাহ-বাগিচাৰ ক্ষেত্ৰত বেয়া হ'ব। সেই সময়ছোৱাত মই মন্ত্ৰীও নাছিলো বিধায়কো নাছিলো। মোৰ কথা মতে তেখেতে দুয়োখন চিঠি ৰাখি দিলে। ইয়াৰ পিছত আকৌ এবাৰ প্ৰধান মন্ত্ৰীৰ টেবুললৈ চিঠি দিয়া হ'ল য'ত Food Security Act মানিম বুলি লিখা আছিল আৰু সেই Food Security Act খন মানি লোৱাৰ ফলতে আজি চাহ-বাগিচাৰ মালিক সকলে ৩৫ টকাত চাউল

কিনি ৪০ পইচাত বাগানৰ মানুহক দিব লগীয়া হৈছে যাৰ ফলত major loss হৈছে আৰু চাহ-বাগিচা সমূহে ডাঙৰ সমস্যাৰ সন্মুখীন হ'ব লগীয়া হৈছে। গতিকে, সেই সময়ত যদি চৰকাৰে এই কথাবোৰ অলপ বিবেচনা কৰিলেহেঁতেন তেতিয়া চাহ-বাগিচাৰ অৱস্থা কিজানি অলপ ভাল হ'লহেঁতেন।

দ্বিতীয়তে, অসমত ডাঙৰ চাহ-বাগিচা সমূহত আগতে যি cess লোৱা হৈছিল তাৰ পৰা বহুত পইচা আহে। কিন্তু আজি সুখৰ কথা যে এইবাৰ আমি কেবিনেট মিটিঙত বৃহৎ চাহ-বাগিচাৰ পৰা cess লোৱাটো সম্পূৰ্ণ ভাৱে মাফ কৰি দিছো। ইয়াৰ ফলত চৰকাৰৰ যদিও ক্ষতি হৈছে, আমি এইটো সম্পূৰ্ণ ভাৱে মাফ কৰি দিছো। আমাৰ চাহ উদ্যোগবোৰ বচাবৰ বাবেই আমি আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰে এনেধৰণৰ বিশেষ তৎপৰতা লৈছে। আগতে আমি চাহ বুলিলে CTC আৰু Orthodox চাহেই বুজিছিলো, কিন্তু, এতিয়া পৃথিৱীত চীনে বিভিন্ন ধৰণৰ চাহ উলিয়াইছে, যেনে-Green Tea, Jasmine Green Tea, Yellow Tea, White Tea, BlueTea ইত্যাদি। International Market ত এই চাহপাতৰ লগত অসমৰ চাহপাতে প্ৰতিদ্বন্দিতা কৰি পৰা নাই বাবেই অসমৰ Tea Auction Centre সমূহত চাহ-পাতৰ দাম বেছি।

অধ্যক্ষ মহোদয়, মই এটা সৰু অভিজ্ঞতা আপোনালোকৰ লগত share কৰিব বিচাৰিছো। এবাৰ মই Commissioner- Agnihotri, Managing Director-Tiwari ৰ সৈতে ডুবাইৰ এখন বৃহৎ Tea Park লৈ গৈছিলো। মই ভাবিলো- ডুবাইৰ মৰুভূমিত এজোপাও গছ নাই তাত কেনেকৈ ইমান ডাঙৰ Tea Park এখন হ'ল! তাৰ পিছত মই তাৰে মানুহক তেওঁলোকে চাহৰ খেতি ক'ত কৰে বুলি সুধিলো । তেতিয়া তেওঁলোকে চাহৰ খেতি নকৰো বুলি ক'লে আৰু আমাৰ অসমত তৈয়াৰ হোৱা চাহপাত তেওঁলোকে তাত branding আৰু packaging কৰি বিক্ৰী কৰে। অসমৰ চাহপাতৰ quality যথেষ্ট ভাল কাৰণ আমাৰ ইয়াত 'এটি কলি দুটি পাত' অৰ্থাৎ mannualy চাহপাত তোলা হয়। কিন্তু অন্য দেশত যেনে কোৰিয়া, শ্ৰী লংকা আদিত mechanically চাহপাত তোলা হয় যাৰ ফলত চাহপাতৰ qualityবেয়া হয় আৰু তেতিয়া তেওঁলোকে উৎপন্ন কৰা ১০০ কেঃজিঃ চাহ পাতৰ লগত অসমৰ ১০ কেঃজিঃ চাহপাত মিহলাই দি branding কৰি দিয়ে আৰু produced in London, produced in Dubai বুলি লিখি বিক্ৰী কৰে। কিন্তু, সেই ১০০ কেঃজিঃ চাহপাতৰ লগত অসমৰ ১০ কেঃজিঃ চাহপাত মিহলাই দিয়া কামটো আজি আমাৰ Geographical Index (GI) নথকাৰ বাবে আমি বাধা দিব পৰা নাই। এই GI টো যদি আমি যদি আগতেই কৰিলোহেঁতেন তেন্তে অসমৰ চাহ-বাগিচাৰ অৱস্থা আজি এনেকুৱা নহ'লহেঁতেন। সেয়েহে, বৰ্তমানৰ চৰকাৰে যোৱা দুবছৰ ধৰি Commerce Ministry ৰ লগত অসমৰ চাহপাতৰ GI হোৱাৰ বাবে take-up কৰিছো যাতে অসমৰ চাহ অন্য দেশে ব্যৱহাৰ কৰি branding কৰি নষ্ট কৰিব নোৱাৰে। গতিকে অধ্যক্ষ মহোদয়, চাহ-বাগিচাৰ সমস্যাক লৈ আমিও সমানে চিন্তিত । কুৰ্মী ডাঙৰীয়াৰ প্ৰস্তাৱটোত মই একমত আৰু সেয়েহে মই ফাইলটো যোৱা দুদিন আগতে বিত্ত মন্ত্ৰীক দিছো। So, one day, across the party line, we will sit together and take a decision in the interest of tea gardens of Assam. ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

এতিয়া মই ২ নং কাৰ্যসূচীত **কাৰ্য উপদেষ্টা সমিতিৰ** প্ৰতিবেদনখন পাঠ কৰি দিছো-

অসম বিধান সভাৰ অধ্যক্ষৰ কাৰ্য্যালয়ৰ সভাকক্ষত যোৱা ইং ৮ জুলাই, ২০১৯ তাৰিখে আবেলি ৪ বজাত অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ২৩০ নিয়মৰ অধীনত ইংৰাজী ১৮ জুলাই, ২০১৯ তাৰিখৰ পৰা আৰম্ভ হ'বলগীয়া অসম বিধান সভাৰ গ্ৰীষ্মকালীন অধিবেশনৰ দিনপঞ্জীখন চূড়ান্ত কৰাৰ বাবে অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হৈছিল আৰু অসম বিধান সভাৰ অধিবেশন ইংৰাজী ২৫ জুলাই ২০১৯ তাৰিখলৈ অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লৈছিল।

কিন্তু, সাম্প্ৰতিক বান-পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অসমৰ মাননীয় ৰাজ্যপালে অসম বিধান সভাৰ গ্ৰীষ্মকালীন অধিবেশন ২৬ জুলাই, ২০১৯ তাৰিখলৈ পিছুৱাই দিয়ে ।

সেয়েহে, অসম বিধান সভাৰ অধ্যক্ষৰ কাৰ্য্যালয়ৰ সভাকক্ষত ইংৰাজী ২৫ জুলাই, ২০১৯ তাৰিখে ৰাতিপুৱা ১১-০০ বজাত অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ২৩০ নিয়মৰ অধীনত আজি ইং ২৬ জুলাই, ২০১৯ তাৰিখৰ পৰা আৰম্ভ হোৱা অসম বিধান সভাৰ গ্ৰীষ্মকালীন অধিবেশনৰ সংশোধিত খচৰা দিনপঞ্জীখন চূড়ান্ত কৰাৰ বাবে অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক পুনৰ অনুষ্ঠিত হয়।

দিনপঞ্জীখনৰ ওপৰত বিশদভাৱে আলোচনাৰ অন্তত সমিতিয়ে সৰ্বসন্মতিক্ৰমে অসম বিধান সভাৰ চলিত অধিবেশন ইং ১ আগষ্ট, ২০১৯ তাৰিখলৈ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ উপৰিও অহা ২৭ জুলাই, ২০১৯ তাৰিখ শনিবাৰ অৰ্থাৎ কাইলৈ চৰকাৰী বন্ধৰ দিন যদিও উক্ত দিনটোত সদন অনুষ্ঠিত কৰি 'অধ্যক্ষৰ উদ্যোগ' সন্দৰ্ভত বৰাক উপত্যকাৰ ওপৰত আলোচনা কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি, ইং২৯ জুলাই, ২০১৯ তাৰিখে ২০১৯-২০ চনৰ বাবে পৰিপূৰক দাবীসমূহৰ তালিকা আৰু পৰিপূৰক বিনিয়োজন সদনত উপস্থাপন; ৩১ জুলাই, ২০১৯ তাৰিখে উক্ত পৰিপূৰক দাবী আৰু বিনিয়োজনৰ ওপৰত ভোটদান আৰু সেই দিনাই ২০১৯ চনৰ অসম বিনিয়োজন (নং III) বিধেয়কখন উপস্থাপন, বিবেচনা আৰু পাৰিতকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে।

অধিবেশনৰ মুঠ ছয় দিনীয়া কাৰ্য্যসূচীৰ ভিতৰত তিনি দিন চৰকাৰী কাৰ্য্যসূচী, দুদিন বে-চৰকাৰী সদস্যৰ কাৰ্য্যসূচী আৰু এদিন 'অধ্যক্ষৰ উদ্যোগ'ৰ বাবে নিৰ্দ্ধাৰণ কৰা হয় ।

বৈঠকত সমিতিয়ে দেশ তথা ৰাজ্যখনলৈ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, সাহিত্য আদি বিভিন্ন দিশত বৰঙণি আগবঢ়োৱা খ্যাতনামা ব্যক্তিসকলৰ নাম, মৃত্যু প্ৰসঙ্গও কাৰ্যসূচীত অন্তৰ্ভুক্ত কৰিবলৈ সন্মতি প্ৰকাশ কৰে।

ইতিমধ্যে গ্ৰীষ্মকালীন অধিবেশনৰ দিনপঞ্জীখন সদনৰ মাননীয় সকলো মন্ত্ৰী, সদস্য আৰু সদস্যাৰ মাজত বিতৰণ কৰা হৈছে ।

**সদনৰ উপৰোক্ত কাৰ্য্যসূচীৰ উপৰিও যোৱাকালি আমি দুটা কথা আলোচনা কৰিছিলো, সেইয়া হ'ল —**

অহা ইং ২৮ জুলাই, ২০১৯ তাৰিখ দেওঁবাৰে দিনৰ ১১ বজাত কেন্দ্ৰীয় সভাকক্ষত শিশু সুৰক্ষা আৰু অধিকাৰৰ ওপৰত UNICEF ৰ উদ্যোগত এখন আলোচনা হ'ব য'ত শিশু আৰু মহিলাৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে অসম বিধান সভা আৰু UNICEF ৰ মাজত agreement হ'ব । ইয়াৰোপৰি, ইং ৩০ জুলাই, ২০১৯ তাৰিখ মঙ্গলবাৰে অধিবেশন শেষ হোৱাৰ পিছত আবেলি ৩ বজাত লোকপ্ৰিয় গোপীনাথ বৰদলৈ ভৱনৰ সভাকক্ষত উদ্যোগ আৰু বাণিজ্য

বিভাগৰ অধীনস্থ Act East Policy ৰ ওপৰত এখন বিশেষ বৈঠক অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্তদিনা সদন যিহেতু ২ বজাত শেষ হোৱাৰ পিছত ৩ বজাৰ পৰা বৈঠকখন অনুষ্ঠিত হ'ব গতিকে সেইদিনা দুপৰীয়াৰ আহাৰৰ ব্যৱস্থা কৰা হ'ব।

আশাকৰো এই প্ৰতিবেদনৰ ওপৰত মাননীয় সদনৰ অনুমোদন আছে ।

**(সদনে অনুমোদন জনায়)**

এইবাৰ বিধান সভাৰ নৱম অধিৱেশনৰ পৰিচালনা কৰিবৰ বাবে তলত দিয়া ব্যক্তিসকলক সভাপতি হিচাপে মনোনীত কৰিলো। শ্ৰীমতী অজন্তা নেওঁগ, হাফিজ বছিৰ আহমেদ, শ্ৰীপবিন্দ্ৰ ডেকা আৰু শ্ৰী দেৱানন্দ হাজৰিকা। মই আৰু দুটা ঘোষণা কৰি ল'ব বিচাৰিছো। সদনৰ অনুমতি সাপেক্ষে আমি ১০-১৫ মিনিট মান সময় ল'ব পাৰো নে?

(মাননীয় সদনে অনুমতি প্ৰদান কৰে।)

**মাননীয় অধ্যক্ষ ঃ** মই সেই সময়খিনি লৈছো। অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ১৮৬(১) নং নিয়মৰ অধীনত মাননীয় সদস্য-সদস্যাসকলক জনাব বিচাৰো যে অসম বিধান সভাৰ ১ নং ৰাতাবাৰী বিধান সভা সমষ্টিৰ পৰা নিৰ্বাচিত সদস্য শ্ৰী কৃপানাথ মালাহ, ৪৪ নং জনীয়া বিধান সভা সমষ্টিৰ পৰা নিৰ্বাচিত সদস্য শ্ৰী আব্দুল খালেক, ৭৪ নং ৰাঙাপাৰা বিধান সভা সমষ্টিৰ পৰা নিৰ্বাচিত সদস্য শ্ৰী পল্লৱ লোচন দাসে যোৱা ৪ জুন, ২০১৯ তাৰিখে আৰু ১০৬ নং সোণাৰি বিধান সভা সমষ্টিৰ পৰা নিৰ্বাচিত সদস্য শ্ৰী তপন কুমাৰ গগৈয়ে যোৱা ৬ জুন ২০১৯ তাৰিখে বিধান সভাৰ সদস্য পদৰ পৰা পদত্যাগ কৰে। আমি চাৰিজন সদস্য হেৰুৱাইছো। তেওঁলোক পাৰ্লিয়ামেণ্টলৈ যাব, বহল Forum ত থাকিব। আমি তেওঁলোকক আহিবলগীয়া ডেৰটা বছৰত নাপাম। শ্ৰী কৃপানাথ মালাহ, শ্ৰী আব্দুল খালেক, শ্ৰী পল্লৱ লোচন দাস, শ্ৰী তপন কুমাৰ গগৈ ডাঙৰীয়াই পদত্যাগ পত্ৰ ক্ৰমে যোৱা ৪ জুন আৰু ৬ জুন, ২০১৯ তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱাকৈ গ্ৰহণ কৰা হ'ল। ইয়াৰ ঘোষণা মই আনুষ্ঠানিকভাৱে কৰিলো। আমাৰ মাননীয়া সদস্যা অজন্তা নেওঁগ ডাঙৰীয়ানীক ক'ব বিচাৰো যিহেতু আমাৰ এতিয়া সময় কম থাকিব আৰু তেওঁ কওঁতে অলপ বেছি সময় লাগিব। সেয়েহে মই সদনৰ অনুমতি ল'ব বিচাৰিছো যে আমি ৪ নং আৰু ৫ নং কাৰ্য্যসূচীটো তিনি বজাত কৰিবৰ বাবে। আমাৰ যিখিনি এতিয়া lay কৰিবলগীয়া আছে, সেইখিনি এতিয়া lay কৰিম। মই মাননীয় সদস্যসকলক সময়ত আহিবৰ বাবে অনুৰোধ কৰিছো আৰু প্ৰতিবেদনখিনি লৈ ল'ব বিচাৰিছো।

(মাননীয় সদনে অনুমতি প্ৰদান কৰে।)

**মাননীয় অধ্যক্ষ ঃ** সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে ইংৰাজী ২০১৭-১৮ বৰ্ষৰ বাবে বিত্তীয় হিচাপ (খণ্ড-১ আৰু ২) আৰু বিনিয়োজন হিচাপৰ অসম চৰকাৰৰ সম্পৰ্কীয় ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ প্ৰতিবেদন সমূহ দাখিল কৰিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ঃ** Hon'ble Speaker Sir, I beg to lay the Reports of the Comptroller & Auditor General of India on Finance Accounts (Vol. I&II) and Appropriation Accounts for the year 2017-2018 relating to the Government of Assam.

**Hon'ble Speaker :** Item No.-7. Now Shri Chandra Mohan Patowary , Minister, Parliamentary Affairs to lay the Reports of the Comptroller & Auditor General of India on Revenue Sector (Report No.2

of 2019) for the year ended 31st March ,2018 relating to the Government of Assam .

**Shri Chandra Mohan Patowary , Minister, Parliamentary Affairs** :-Hon'ble Speaker Sir, I beg to lay the Reports of the Comptroller & Auditor General of India on Revenue Sector (Report No.2 of 2019) for the year ended 31st March ,2018 relating to the Government of Assam .

**Hon'ble Speaker :**Now Shri Chandra Mohan Patowary , Minister, Parliamentary Affairs to lay the State Finances Audit Report (Report No. 1 of 2019) .

**Shri Chandra Mohan Patowary , Minister, Parliamentary Affairs** :-Hon'ble Speaker Sir, I beg to lay the State Finances Audit Report (Report No. 1 of 2019) of the Comptroller & Auditor General of India for the year ended 31st March 2018 relating to the Government of Assam .

**Hon'ble Speaker :** Now again Shri Chandra Mohan Patowary , Minister, Parliamentary Affairs on behalf of Ho'ble Chief Minister Sarbananda Sonowal lay theAssam Electricity Regulatory Commission Published in the Assam Gazette Extraordinary on 23rd May,2019.

**Shri Chandra Mohan Patowary , Minister, Parliamentary Affairs** :-Hon'ble Speaker Sir, I beg to lay the theAssam Electricity Regulatory Commission Published in the Assam Gazette Extraordinary on 23rd May,2019.

**Hon'ble Speaker :**Now Shri Chandra Mohan Patowary , Minister, Parliamentary Affairs to lay the51 nos. of Notifications of the Finance (Taxation )Department.

**Shri Chandra Mohan Patowary , Minister, Parliamentary Affairs** :-Hon'ble Speaker Sir,on behalf of Finance Minister of Assam, I beg to lay the 51 nos. of Notifications of the Finance (Taxation)Department.

**Hon'ble Speaker :** Now again Shri Chandra Mohan Patowary , Minister, Parliamentary Affairs on behalf of Hon'ble Chief Minister Sarbananda Sonowal lay the 14th Annual Report of Assam Electricity Grid Corporation Limited for the year 2016-2017.Item no 11.

**Shri Chandra Mohan Patowary , Minister, Parliamentary Af-**

**fairs** :-Hon'ble Speaker Sir,on behalf of Hon'ble Chief Minister Sarbananda Sonowal I beg to lay the 14th Annual Report of Assam Electricity Grid Corporation Limited for the year 2016-2017.

**Hon'ble Speaker :**Now Shri Chandra Mohan Patowary , Minister, Parliamentary Affairs to lay the Annual Report of Assam State Textile Corporation Ltd. for the year 2017-18.

**Shri Chandra Mohan Patowary , Minister, Parliamentary Affairs** :-Hon'ble Speaker Sir,I beg to lay the Annual Report of Assam State Textile Corporation Ltd. for the year 2017-18.

**Hon'ble Speaker :**Now Shri Sum Ronhang, Minister of Mines& Minerals etc to lay the Thirty Third Annual report of Assam Mineral Development Corporation Ltd. for the year 2015-16.

**Shri Sum Ronhang, Minister, Mines& Minerals etc**:-Hon'ble Speaker Sir,I beg to lay the Thirty Third Annual report of Assam Mineral Development Corporation Ltd. for the year 2015-16.

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পিছত যিখন বিধান সভাৰ সৰ্ব্ব দলীয় সজাতি দলৰ সমিতি গোলাঘাট আৰু যোৰহাট জিলাত লিকাৰ ট্ৰেজেডি হোৱাৰ বাবে গৈছিল। তাৰ প্ৰতিবেদন খন মই সন্মানীয় সদস্য শ্ৰী বৃন্দাবন গোস্বামী ডাঙৰীয়াক দাখিল কৰিবৰ বাবে আবেদন জনালো।

**শ্ৰী বৃন্দাবন গোস্বামী, মাননীয় বিধায়ক, তেজপুৰ ঃ** Hon'ble Speaker Sir,on behalf of the Hon'ble Members of the All Party Delegation, I beg to lay the Report of the All Party Delegation, Assam Legislative Assembly.

**Hon'ble Speaker :** Now Shri Ramendra Narayan Kalita, Chairman of the Committee on Petitions, Assam Legislative Assembly to present the 44th Report of the Committee on Petitions, Assam Legislative Assembly.

**Shri Ramendra Narayan Kalita, MLA, East Guwahati :** Hon'ble Speaker Sir,I beg to lay the 44th Report of the Committee on Petitions, Assam Legislative Assembly.

**Hon'ble Speaker :** Now Shri Rajdeep Goala, Chairman of the Committee on Public Accounts, Assam Legislative Assembly to present the 153rd, 154th and 155th Reports of the Committee.

**Shri Rajdeep Goala, MLA, Lakhipur** : Hon'ble Speaker Sir, I beg to lay the 153rd, 154th and 155th Reports of the Committee on Public Accounts, Assam Legislative Assembly.

**Hon'ble Speaker :** Now Shri Mrinal Saikia, Chairman of the Com-

mittee on Act Implementation to present the Ninth Report Committee on Act Implementation, Assam Legislative Assembly.

**Shri Mrinal Saikia, MLA, Khumtai** : Hon’ble Speaker Sir, I beg to lay the Ninth Report of the Committee on Act Implementation, Assam Legislative Assembly.

**মাননীয় অধ্যক্ষ ঃ** আমি এতিয়া সদন তিনি বজালৈ স্থগিত ৰাখিম।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে আমি সদনে এটা Resolution গ্ৰহণ কৰিব বিচাৰিছো। সেইটো হৈছে যে অসম বিধান সভাই আজি চন্দ্ৰযান-২ ৰ সফল উৎক্ষেপনৰ বাবে মাননীয় প্ৰধান মন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বাধীন ভাৰত চৰকাৰ আৰু ভাৰতীয় মহাকাশ গৱেষণা সন্থাৰ সকলো বিশেষজ্ঞই সকলো সন্মানীয় বিজ্ঞানী অ্‌ভিযন্তাই দেশক মহাকাশৰ মাজত সু-প্ৰতিষ্ঠিত কৰি গৌৰাৱান্বিত কৰাৰ বাবে অভিনন্দন জনাইছো। বিজ্ঞানী তথা অভিযন্তা বৃন্দ আপোনালোকৰ একাণপতীয়া প্ৰচেষ্টাত ভাৰতীয় ত্ৰিৰঙ্গা চন্দ্ৰমা পৃষ্ঠাত জিলিকি উঠাৰ উজ্বল সম্ভাৱনাই সকলোৰে মন আনন্দেৰে ভৰাই তুলিছে। চন্দ্ৰযান-২ সম্পূৰ্ণ দেশীয় প্ৰযুক্তিৰে নিৰ্মিত আৰু ইয়াৰ সফল উৎক্ষেপণৰ বাবে মাননীয় প্ৰধান মন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বৰ চৰকাৰে ভাৰত মাতাক সু-বিশাল আকাশৰ বুকুত সন্মানেৰে প্ৰতিষ্ঠা কৰিলে। তাৰ বাবে অসম বিধান সভাই ধন্যবাদ জ্ঞাপন কৰিছো। চন্দ্ৰযানৰ সফল উৎক্ষেপণৰ বাবে অসম সন্তান ড০ জিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়া আৰু শ্ৰী দীপক কুমাৰ দাস ডাঙৰীয়াকো আমি অভিনন্দন জনাইছো। আপোনাসবৰ এই বলিষ্ঠ পদক্ষেপে চন্দ্ৰমা আৰু পৃথিৱীৰ দূৰত্ব যেন কমাই তুলিলে। আমি আশা কৰিছো আপোনালোকৰ এই প্ৰচেষ্টা সফলতাৰে অব্যাহত থাকিব আৰু জোনবাইৰ দেশত ভাৰতৰ ত্ৰিৰঙ্গা পতাকা চিৰ যুগলৈকে সু-বিমল পোহৰেৰে উজলাই ৰাখিব। এই ঐতিহ্যক্ষণত আপোনালোকৰ অনবদ্য অৱদানক অসম বিধান সভাই শ্ৰদ্ধাৰে নমন কৰিছে। ইয়াৰ লগতে আজি অসম বিধান সভাই অসমৰ স্বৰ্ণকন্যা হিমা দাসে শেহতীয়াভাৱে পোলেণ্ড আৰু চেক গণৰাজ্যত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ ৫ টাকৈ স্বৰ্ণ পদক অৰ্জন কৰাৰ বাবে অভিনন্দন জনাইছো। এই স্বৰ্ণ কন্যাক তোমাৰ এই দুৰন্ত গতি বৰদৈচিলাৰ শক্তিৰে অগ্ৰসৰ হওঁক আৰু তুমি যেন বিশ্বৰ ক্ৰীড়া জগতৰ ক্ষেত্ৰখনত সফলতাৰ শীৰ্ষত অধিষ্ঠিত হৈ সমগ্ৰ ভাৰতবাসীক আনন্দিত কৰা তাৰ বাবে এই অসমৰ বৰাক, ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ সমূহ জনগণৰ হৈ পৰমপিতাৰ ওচৰত প্ৰাৰ্থনা জনাইছো আৰু তোমাৰ চিৰ উজ্বল ভৱিষ্যৎ কামনা কৰিছো। ধন্যবাদ অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই দুটা আমি সমৰ্থন জনাইছো। কিন্তু এটা কথা যে চন্দ্ৰাভিযান ২০০৮ চনতে আৰম্ভ কৰা হৈছিলে। গতিকে আগৰ চৰকাৰখনকো কিছু স্বীকৃতি দিলে মই ভাল পাম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। I personally also thank you the House for mentioning my brother's name here. I will convey my feelings. Now, House is adjourned till 3 pm today.

**(সদন তিনি বজাত পুনৰ আৰম্ভ হয়)**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৪। শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানীয়ে Rule 54 ৰ আধাৰত তেখেতৰ বাতৰিটো উত্থাপন কৰিব।

**শ্ৰীমতী অজন্তা নেওগ, গোলাঘাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ' অধীনত ২০১৯ চনৰ ৮ মে' তাৰিখৰ অসমীয়া 'খবৰ কাকত' ত প্ৰকাশিত 'কলিতে মৰহিল গোলাঘাট ইঞ্জিনিয়াৰিং কলেজৰ স্বীকৃতি বাতিল' শীৰ্ষক বাতৰিটোৰ প্ৰতি শিক্ষা বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

অধ্যক্ষ মহোদয়, গোলাঘাট জিলাখনৰ মুঠ জনসংখ্যা হৈছে ১০,৬৬,৮৮৮ জন। ইয়াৰ সাক্ষৰতাৰ হাৰ হৈছে ৭৭.৪ শতাংশ। এই জিলাখন উচ্চশিক্ষাৰ দিশত বিশেষভাৱে অগ্ৰসৰ নোহোৱাৰ কিছুমান বিশেষ কাৰণ আছে। জিলাখনত ইঞ্জিনিয়াৰিং কলেজয়েই হওঁক বা মেডিকেল কলেজেই হওঁক, এই অনুষ্ঠানবিলাক ভালদৰে গঠন হোৱা নাই। এই কথাবিলাকৰ প্ৰতি লক্ষ্য ৰাখি ২০১১ চনত আগৰ চৰকাৰৰ দিনত এখন অভিযান্ত্ৰিক মহাবিদ্যালয় গোলাঘাটত প্ৰতিষ্ঠা কৰা হ'ল। ইয়াৰ পিছত এই মহাবিদ্যালয়ৰ কামবিলাক যথেষ্ট ভালভাৱে আগবাঢ়িল। ইয়াৰ প্ৰায় ৯০ শতাংশ কাম সম্পূৰ্ণ হ'ল আৰু পিছত নতুন চৰকাৰখনে বাকী থকা ১০ শতাংশ কাম সম্পূৰ্ণ কৰে। অধ্যক্ষ মহোদয়, যেতিয়া ফেব্ৰুৱাৰী মাহত বিধানসভা অধিবেশন চলি আছিল, তেতিয়া ফেব্ৰুৱাৰীৰ ৫তাৰিখে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই অভিযান্ত্ৰিক মহাবিদ্যালয় খনৰ শুভ আৰম্ভণি কৰিছিলে। শিক্ষা মন্ত্ৰী ডাঙৰীয়াও সেই অনুষ্ঠানটোলৈ গৈছিল। মই সেইদিনা বিধানসভাত উপস্থিত আছিলো আৰু মোকো ইয়াত আমন্ত্ৰণ জনোৱাৰ বাবে খৰধৰকৈ ইয়াৰ পৰা তালৈ গৈছিলো। অধ্যক্ষ মহোদয়, সেই সময়ত অসমৰ সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতি যথেষ্ঠ উত্তপ্ত হৈ আছিল। অসমত তেতিয়া ক'লা বেলুন উৰোওৱা হৈছিল। মোৰ মনত আছে যেতিয়া মই এই অনুষ্ঠানটিত অংশগ্ৰহণ কৰিবলৈ গৈছিলো সেইদিনাখন বহুতো প্ৰতিবাদী লোকে মোৰ গাড়ীখন আগভেটি ধৰিছিল। মই তথাপিও সকলো বাধা নেওচি দৃঢ়তাৰে এই অনুষ্ঠানটোত অংশগ্ৰহণ কৰিছিলো আৰু অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই নিজে আদৰণি জনাইছিলো। এগৰাকী সন্তানৰ মাতৃয়ে সন্তান প্ৰসৱ কৰাৰ পাছত যেনেকৈ আনন্দ পায়, সেইদিনা মোৰ মনতো তেনেকুৱা আনন্দ পাইছিলো আৰু সেইবাবেই মই অনুষ্ঠানটোত অংশগ্ৰহণ কৰিছিলো। মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই গামোছাও পিন্ধাইছিলো। শিক্ষামন্ত্ৰী ডাঙৰীয়াৰো নিশ্চয় মনত আছে যে আপোনালোকে হেলিকপ্তাৰৰে আহিছিল। আপোনালোকে নিশ্চয় দেখিছিল যে এই শিক্ষানুষ্ঠানটো ১৩০ বিঘা মাটিৰ এটা বৃহৎ এলেকা। আপুনি মোক কৈছিল যে এই গোটেই এলেকাটোত সুন্দৰভাৱে landscaping কৰক, তেতিয়া গোলাঘাটবাসীয়ে আপোনাক ১০০ বছৰলৈ মনত ৰাখিব। মই আপোনাৰ কথাখিনি শুনি খুব আনন্দিত হৈছিলো আৰু মোৰ বুকুখন গৰ্বত ফুলি উঠিছিল।

অধ্যক্ষ মহোদয়, আজি আমি বানৰ কথা আলোচনা কৰিছো, গৰাখহনীয়াৰ কথা আলোচনা কৰিছো। কিন্তু অসমখনক যদি আগবঢ়াই লৈ যাব লাগে, তথ্য প্ৰযুক্তিৰে, বিজ্ঞানসন্মতভাৱে আগবাঢ়ি যাব লাগিব। সেইকাৰণে আমি এচাম মানৱ সম্পদ তৈয়াৰ কৰিব লাগিব যিসকলে আমাৰ ৰাজ্যখনক আগবঢ়াই লৈ যাব পাৰে। এই সপোন আগত ৰাখিয়েই গোলাঘাটত এখন অভিযান্ত্ৰিক মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা হ'ল আৰু আমি আশা কৰিছিলো, সপোন দেখিছিলো যে এই যুৱক-যুৱতীসকলে আমাৰ অসমখনক আগবঢ়াই লৈ যাব। সেইখিনিলৈ ঠিকে আছিল। তাৰ পিছত মে মাহৰ বাতৰি কাকতত আৰু টি ভি ত প্ৰকাশিত হ'ল যে এই অভিযান্ত্ৰিক মহাবিদ্যালয়খনৰ স্বীকৃতি বাতিল কৰা হৈছে। তেতিয়া মোৰ মূৰত স্বৰগ ভাঙি পৰাৰ নিচিনা অৱস্থা হ'ল অধ্যক্ষ মহোদয়। এই অভিযান্ত্ৰিক

মহাবিদ্যালয়খন যেতিয়া ইন্সপেকশ্যন কৰিবলৈ আহিছিল, আহোতে তেওঁলোকৰ কাউঞ্চিলৰ পৰা বহুতে আমাক কৈছিল যে This is one of the best institution in India বুলি কৈছিল। মই ফটো সহকাৰে হাউচত দেখুৱাইছো অধ্যক্ষ মহোদয়। বহুতে দেখা নাই। ইয়াৰ আন্তঃগাথনি অতি সুন্দৰ আৰু ইয়াত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইনাগুৰেশ্যন কৰিছে, ময়ো মিটিঙত আছিলো। তাৰ পাছত বাতৰি কাকতত প্ৰকাশ হ'ল আৰু মোৰো অভিমত বিচাৰিলে। তেতিয়া আমি জানিব পাৰিলো যে তেওঁলোকে All India Council of Technical Education য়ে কেইটামান condition দিছিল। সেই condition বিলাক fulfill নকৰাৰ কাৰণে ইয়াৰ স্বীকৃতি বাতিল কৰা হৈছে। তাত তেওঁলোকে লিখিছিল যে, Final letter of rejection by council for setting up of new technical institute. ইয়াত এক নম্বৰতে কৈছে যে availibility of infructure equipments and verification of documents not submitted. ইত্যাদি কৰি কিছুমান কথা কৈছে। দ্বিতীয়তে, copy of advirtisement in atleast one national daily, general insurance provided by assess against fire buglary and other calamities not submitted. সোতৰটা ইয়াত তেওঁলোকে condition fulfill নকৰা বুলি কৈছে। এই গোটেই কথাখিনি জনাৰ পিছত মই প্ৰতিক্ৰিয়া প্ৰকাশ কৰো আৰু শিক্ষা বিভাগক দোষাৰোপ কৰো আৰু লগতে মই এই কথাখিনি অসমৰ মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক অৱগত কৰিম আৰু তেখেতক দাবী জনাম যে ইয়াৰ স্বীকৃতি পুনৰ ঘূৰাই আনিব লাগে। তাৰপিছত মই নিজে শিক্ষামন্ত্ৰী ডাঙৰীয়াক সাক্ষাৎ কৰিছিলো আৰু তেখেতে কৈছিল যে আপুনি হাউচত আনিব নেকি? তেতিয়া মই কৈছিলো যে মই হাউচত অনাটো ডাঙৰ কথা নহয়। মই কথাটো কৈছিলো যে মই বিধায়িকা হিচাপে মোৰ দায়িত্ব আছে, ইমান বৃহৎ শিক্ষানুষ্ঠান এটা আপোনাৰ বিভাগত হৈছে। সেইখিনি মই হাউচত অনাটো এটা ফ'ৰমেলিটিজ। কিন্তু আপোনাৰ পৰা মই প্ৰতিশ্ৰুতি বিচাৰিম যে এই স্বীকৃতি আপুনি ঘূৰাই অনাৰ ব্যৱস্থা কৰিব লাগে। তেতিয়া আপুনি মোক আশ্বাস দিছিল যে মই এই কামখিনি কৰিম। তেতিয়া মই আপোনাক কথাখিনি জনাই এখন মেমোৰেণ্ডাম ও দিছিলো আৰু কৈছিলো যে আপুনি মোক এই স্বীকৃতি ঘূৰাই আনি কলেজখনক পুনৰ জীৱিত কৰক। তেতিয়া মই আপোনাক কৃতজ্ঞতা জনাম আৰু কৃতজ্ঞতা সহকাৰে মই আপোনাৰ ওচৰলৈ পুনৰ আহিম। ইয়াৰ পিছত আৰু কিছু ঘটনাৱলী ঘটিল। শিক্ষা বিভাগৰ ফালৰ পৰা আৰু এখন চিঠিত কোৱা হ'ল তেওঁলোকৰ এজন যুটীয়া সচিবে লিখিলে যে যিসকল ছাত্ৰ-ছাত্ৰীয়ে পাঠদান কৰি আছে সেইসকলক Segregate কৰিব লাগে। অসমৰ বিভিন্ন ধৰণৰ ইঞ্জিনিয়াৰিং কলেজ বিলাকত এই ছাত্ৰ-ছাত্ৰী সকলক Segregation কৰিব লাগে। এতিয়া মোৰ প্ৰশ্নটো হ'ল যে এই ছাত্ৰ-ছাত্ৰীসকলক Segregation কৰাৰ পিছত অনুষ্ঠানটোৰ কি হ'ব? মই অতি দুখেৰে অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক এই কথাখিনি কৈছো। মই প্ৰথমেই কৈছো যে এগৰাকী মাতৃয়ে যেনেকৈ এটা সন্তান জন্ম দিলে আনন্দ পায় সেই আনন্দেৰে এই অনুষ্ঠানটো আমি গঢ়ি তুলিছিলো। এই অনুষ্ঠানটো কেৱল গোলাঘাটৰে অনুষ্ঠান নহয়, এই অনুষ্ঠানটো অসমৰ এটা অনুষ্ঠান এই অনুষ্ঠানটো জীয়াই ৰখাৰ দায়িত্ব আমাৰ চৰকাৰৰ আছে। গতিকে মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো যে তেখেতে এই গোটে ই কথাখিনি চালিজাৰি চাব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই অনুষ্ঠানটো উন্মোচন কৰিব গৈছিল তেতিয়ালৈকে কিন্তু এই অনুষ্ঠানটো স্বীকৃতি পোৱা নাছিল। এই গোটেই কথাবিলাক বিভাগীয় কিবা লেপচ্ আছে নেকি, বিষয়া সকলৰ কাৰোবাৰ দোষ আছে নেকি এই কথাখিনি মই তেখেতক তদন্ত কৰিবলৈ অনুৰোধ জনাইছো আৰু ভৱিষ্যতে এই অনুষ্ঠানটো

যাতে মৰহি নাযায়। ইয়াত লিখিছে কলিতে মৰহিল। মাননীয় অধ্যক্ষ মহোদয়, কলিতে মৰহিল নহয়, মন্ত্ৰী মহোদয়ক দাবী জনাম যে এই অনুষ্ঠানটো যাতে ইয়াৰ সুৰভিৰে গোটেই অসমখন বিকশিত হয় সেইটোৱে মই আশা কৰিছো। এইখিনি কথায়ে মই উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য(শিক্ষামন্ত্ৰী) ঃ** মাননীয় ্অধ্যক্ষ মহোদয়, মাননীয়া সদস্যা গৰাকীয়ে যি তেখেতৰ উদ্বিগনতা প্ৰকাশ কৰিছে সেইটোত মই নিজেও সমভাগী আৰু তেখেতে যথেষ্ট আবেগেৰে কৈছে কিয়নো গোলাঘাটত এখন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপন কৰাত তেখেতৰ যথেষ্ট অৱদান আছে। তেখেতে .মন্ত্ৰী হৈ থাকোতেও বা তাৰ পৰৱৰ্তী সময়তো তেখেতে এই মহাবিদ্যালয়খন স্থাপন কৰাৰ বাবে যথেষ্ট সক্ৰিয় পদক্ষেপ লৈছিল। মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া মই জানিব পাৰিলো যে এই মহাবিদ্যালয়খনৰ তেখেত সকলৰ যিটো ৰিকোগনেশ্যন, যিটো এক্ৰিডেশ্যন সেইটো বাতিল কৰা হৈছে। তেতিয়া মই সঁচাকৈয়ে আচৰিত হৈ পৰিছিলো। কিয়নো মাননীয় বিধায়িকা ডাঙৰীয়াণীয়ে কোৱাৰ নিচিনাকৈ আমি অন্যান্য কলেজ বিলাকত, আমি ইঞ্জিনিয়াৰিং কলেজ এখন স্থাপন কৰিবৰ কাৰণে সাধাৰণতে ৫৩ কোটি টকাৰ ওচৰা-ওচৰিকৈ দিওঁ। এখেত সকলৰ অনুষ্ঠানটোৰ কাৰণে তাতোকৈ অধিক আমি দিছো। মোৰ গোটেই statement টোত মই পঢ়ি দিম। তাৰ আগতে মই ভূমিকা হিচাবে এই কথাখিনি ক'ব খুজিছো আৰু তেখেতে দুটা-এটা পঢ়ি দিলে। তেনেকুৱা তুলুঙা কথা, যি অৰ্হতা তেখেত সকলে কৈছে সেইটো মই পঢ়ি শুনাইছো। প্ৰথম কথা হ'ল তেখেতে সকলে কৈছে copy of the advirtisement in atleast one national daily for requitment of principal director and facultive members.তাৰমানে কোনো প্ৰিন্সিপালেই হওঁক তেখেত সকলক আমি advirtisement ৰ কপিটো তেখেত সকলক প্ৰভাইড কৰা নাই। আপুনি নিজে অনুভৱ কৰক যে এখন advirtisement ৰ কপি নিদিয়াৰ কাৰণে কলেজ এখনৰ recognition টো কাটি যাব পাৰে নেকি? আৰু এনেকুৱাকে বহুত দিছে। মই দুটা-এটা আপোনাক পঢ়ি শুনাইছো। ২৩ নম্বৰত আছে list and details of hard copy of national journals subscribe. তেখেত সকলে কোৱা নাই। আমি subscribes কৰিছো নে নাই, লাইব্ৰেৰীত সেই subscribtion আছে নে নাই, সেইটোক লৈ প্ৰশ্ন সোধা নাই। তেওঁলোকে কৈছে আপোনালোকে আমাক list খন দিয়া নাই। আৰু তাতোকৈ আচৰিত যিটো পইণ্ট ২৫ ত আছে। Details and reprografic facility available for students. আমি ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে photostat machine টো দিছো নে নাই, সেইটো তেখেত সকলক নজনোৱাৰ কাৰণে তেখেত সকলে এখন কলেজৰ ৰিকোগনেশ্যনটো কেনচেল কৰি দিছে। যেতিয়া আমি এনেকুৱা ধৰণৰ যিবোৰ কনডিশ্যনৰ কাৰণে স্বাভাৱিকতে মই কলেজ কৰ্তৃপক্ষক সুধিছো যে আপোনালোকৰ ধৰি লওঁক stock register of computer system software.আপোনালোকে stock register ৰখা নাছিল নেকি বাৰু? যেতিয়া এ আই চি টি ৰ পৰা আপোনালোকৰ ওচৰলৈ inspection team.আহিছিল আপোনালোকে ৰখা নাছিল নেকি? তেতিয়া তেখেত সকলে মোক এখন লিষ্ট দিছে যিখন লিষ্টত সেই inspection team আহিছিল, তেখেত সকলে গোটেই খিনি পোৱা বুলি বিধায়িকা ডাঙৰীয়াণীয়েও জানে এই কথাখিনি। তেখেত সকলে আমাৰ recognition টো, de-recognise কৰিছে। লগে লগে আমি এইক্ষেত্ৰত তেখেতসকলৰ লগত আনুষ্ঠানিক ভাবে যোগাযোগ কৰিছো, যোগাযোগ কৰাৰ পাছত তেখেতসকলে কৈছে কিবা এটাতো হৈ গ'ল। এতিয়া আমি আৰু আপোনালোকে আপীল কৰাৰ সময় নাই। গতিকে

পুনৰবাৰ আমাৰ ওচৰত এপ্লাই কৰক, আমি সেই স্বীকৃতিতো ফিৰাই দিম। মই এই সম্পৰ্কে এটা লিখিত ষ্টেটমেণ্ট যিটো মোক দিছে, সেইটো সদনৰ জ্ঞাতাৰ্থে পঢ়ি শুনাব খুজিছো। অসম চৰকাৰে ২০১৬-১৭ চনৰ বাজেট ঘোষণাত গোলাঘাট অভিযান্ত্ৰিক মহাবিদ্যালয়খন ২০১৮-১৯ বৰ্ষৰ পৰা কাৰ্য্যক্ৰম কৰাৰ কথা উল্লেখ কৰিছিল। সেই অনুসাৰে অসম চৰকাৰে তলত দিয়া পদক্ষেপ সমূহ গ্ৰহণ কৰে। কিন্তু ইয়াত infrastructure ৰ কথা কোৱা হৈছে। এক নম্বৰ, গোলাঘাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ আন্তঃগাঁথনি গঠনৰ বাবে ২২ ডিচেম্বৰ ২০১৭ চনত তেখেতসকলক অগ্ৰিম ৪৪ লাখ ৬৫ হাজাৰ ৯ শ ৫০ টকা তেখেত সকলক দিয়া হৈছে। তাৰ পাছত ২২ ডিচেম্বৰ ২০১৭ চনত তেখেতসকলক অতিৰিক্তভাবে ১০ কোটি ৪৩ লাখ ৯১ হাজাৰ ৭ শ ২৩ টকা আবণ্টন দিয়া হৈছে। প্ৰথমবাৰ দিলো ৪৪ লাখ টকা, পৰৱৰ্তী সময়ত in addition to what originaly had been given to them, we had given them 10 crore. তাৰ পাছত আৰু এই গোটেইখিনি কিন্তু আন্তঃগাঁথনি আৰু তাত ব্যৱস্থাপনা কৰাৰ বাবে দিয়া হৈছে। তাৰ পাছত উক্ত অভিযান্ত্ৰিক মহাবিদ্যালয়খনত পৰীক্ষাগাৰৰ সা-সৰঞ্জাম আৰু যন্ত্ৰ কিনাৰ বাবে ২০১৯ বৰ্ষৰ ৩০ অক্টোবৰত আমি তেখেতসকলক আকৌ ৩ কোটি ৭৭ লাখ ৩৮ হাজাৰ ৯ শ ৮৭ টকা দিয়া হৈছে। বিধায়িকা ডাঙৰীয়াণীয়ে জানে এই কথাটো। সিদিনাখন তেখেতে কৈছে যে সিদিনাখন প্ৰথম যেতিয়া উদ্বোধনী অনুষ্ঠান, এই উদ্বোধনী অনুষ্ঠানত তেখেতো উপস্থিত আছিল। আমি সকলোৱে নিজ চকুৰে দেখা। এইটো নহয় যে আমি কোনো যোৱা নাই বা আমি নাজানো। কি সুন্দৰভাবে ব্যৱস্থাপনা কৰা হৈছে। তেখেতে নিজেও কৈছে যে, এই ব্যৱস্থাপনাখিনি কৰা হৈছে। এই উক্তমহাবিদ্যালয়ৰ বাবে ২০১৯ চনত আকৌ আমি ৮৭ লাখ ৪৩ হাজাৰ ৫ শ ৯৬ টকা আকৌ আবণ্টন দিয়া হৈছে ১৪ ফেব্ৰুৱাৰীৰ দিনাখন। গতিকে মাননীয় অধ্যক্ষ মহোদয়ে যদি দেখে, তেন্তে দেখিব যে আমি অতিৰিক্ত ভাবে প্ৰথমে ৪৪ লাখ টকা দিলো তাৰ পাছত ১০ কোটি টকা দিলো তাৰ পাছত তেখেতসকলক ৩ কোটি টকা দিলো আৰু ৮৭ লাখ টকা। এতিয়া মূল যিটো কাৰণ তেখেতসকলে দিছে, কিয়নো আমি যেতিয়া তেখেত সকলৰ লগত কথা পাতিছো, তেখেতসকলে কৈছে যে আপোনালোকে permanant হিচাপে কোনো শিক্ষকৰ নিযুক্তি দিব পৰা নাই। অধ্যক্ষ মহোদয়, আপুনি অৱগত যে এই শিক্ষকৰ নিযুক্তিটো আমি দিব পৰা নাছিলো মূলত code of conduct. কিয়নো প্ৰথমে আহি গ'ল পঞ্চায়ত ইলেকশ্যন। পঞ্চায়ত ইলেকশ্যনত যেতিয়া code of conduct লাগিলে তেতিয়া আমি কোনো advertisement টো দিব নোৱাৰা হ'লো, আমি কোনো শিক্ষক নিযুক্তি কৰিব নোৱাৰা হ'লো।পঞ্চায়ত ইলেকশ্যনৰ ঠিক পিছে পিছে আমি সকলোৱে জানো যে লোকসভা নিৰ্বাচন আহিল, লোক সভা নিৰ্বাচনত code of conduct আহিল। এই যিখিনি তেখেত সকল inspection ত আহিছিল তেতিয়া সেই code of conduct চলি থাকোতে। আমি তেখেতসকলক তেতিয়া কৈছো যে উক্ত মহাবিদ্যালয় শিক্ষক আৰু অন্যান্য পদ সৃষ্টিৰ বাবে আমি পদক্ষেপ লোৱা বুলি তেখেত সকলক আমি জনাইছো। ইয়াত যিখিনি লিখি দিছে মই গোটেইখিনি পঢ়া নাই। কিন্তু শেহতীয়া ভাৱে মই এই পবিত্ৰ সদনক জনাব পাই সুখী হৈছো যে শেহতীয়া ভাৱে উক্ত মহাবিদ্যালয়ৰ বাবে অধ্যক্ষ আৰু ৩৫ টা অধ্যাপক পদৰ লগতে অন্যান্য সৰ্বমুঠ ৬০ টা পদ ২০১৯ চনৰ ৩১ মে' তাৰিখৰ ভিতৰত সৃষ্টি কৰা হৈছে। এই পদ বোৰৰ বাবে যি বিত্তীয় সাহাৰ্য পাব লাগে সেই বিত্তীয় সাহাৰ্য্য আমি পাইছো আৰু আমি সেই পদ বিলাকত নিযুক্তিৰ বাবে পদক্ষেপ লৈছো। ভাৰপ্ৰাপ্ত অধ্যক্ষৰ লগতে শিক্ষকৰ অভাৱ কিছু পৰিমাণে দূৰ কৰিবৰ কাৰণে আমি ব্যৱস্থা লৈছিলো, কিন্তু সেই সময়ত বলবৎ হৈ থকা নিৰ্বাচনী আচৰণ বিধিৰ কাৰণে আমি শিক্ষক নিযুক্তি

দিব পৰা নাছিলো। সেই কাৰণে আমি ১০ গৰাকী অস্থায়ী শিক্ষকক নিযুক্তি দিছিলো। ইয়াৰ লগতে দুগৰাকী সহায়কাৰী কৰ্মচাৰীক অন্য কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানৰ পৰা আনি নিযুক্ত কৰা হৈছিল। গতিকে যদিও আমি স্থায়ীভাৱে নিযুক্তি দিব পৰা নাছিলো কিন্তু শিক্ষকৰ অভাৱ হোৱা নাছিল। এই কথাটো বিৰোধীয়ে স্বীকাৰ কৰিছে, কিন্তু তেখেতসকলে কৈছে যে আপোনালোকে বিজ্ঞাপন দিয়া নাছিল। হয় আমি সেই সময়ত বিজ্ঞাপন দিব পৰা নাছিলো, সেইটো আমি স্বীকাৰ কৰিছো। কিন্তু তাত অস্থায়ী ভাৱে হলেও অধ্যক্ষ আছিল, শিক্ষক অস্থায়ী হ'ব পাৰে কিন্তু শিক্ষক আছে। Laboratory Assistant আমি Prince of Wells নে অন্য কোনোবা এখনৰ পৰা আনি আমি তেখেত সকলক তাত কাম কৰিবলৈ দিছিলো। গতিকে কলেজ এখনত যিখিনি ব্যৱস্থা থাকিব লাগে সেই সম্পৰ্কে আমি পদক্ষেপ লৈছিলো। AICTE হৈছে অভিযান্ত্ৰিক মহাবিদ্যালয় বোৰৰ স্বীকৃতি দাতা। এইটো ভুলয়ে হওঁক বা শুদ্ধই হওঁক তেখেত সকলে যি সিদ্ধান্ত লৈছে সেই সিদ্ধান্তটো আমাৰ ক্ষেত্ৰতো বলবৎ হয়। সেই কাৰণে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই বাৰম্বাৰ এটা কথা মোক কৈছে যে আপুনি শিক্ষা মন্ত্ৰী হিচাপে এটা বস্তু Ensure কৰক যাতে সেই মহাবিদ্যালয় খনত যি ৯৩ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনা কৰি আছে তেখেত সকলৰ ভবিষ্যৎ সম্পৰ্কে যাতে কোনো প্ৰশ্নবোধক চিহ্নৰ উদয় নহয়। মইয়ো এজন পিতৃ আৰু সেয়েহে মই পিতৃ হিচাপে জানো যে মোৰ সন্তানৰ ক্ষেত্ৰতটো যদি এনেকুৱা এটা অনিস্বীত ভৱিষ্যতৰ উদয় হয় তেতিয়া হলে নিশ্চয় চিন্তা হ'ব। মই এই সদনক আস্বস্ত কৰিব বিচাৰিছো যে এই সম্পৰ্কে আমি AICTE ৰ লগত কথা পাতিছো আৰু এই চিঠিখন যদিও তেখেত সকলে issue কৰিলে কিন্তু কি পৰিস্থিতিত এইটো কৰিব লগীয়া হৈছিল সেই বিষয়ে মোক তেখেত সকলে কৈছে, যিটো বস্তু মই সদনত কোৱাতো উচিত নহ'ব। যি পৰিস্থিতিয়ে নহওঁক কিয় আমি গোলাঘাট অভিযান্ত্ৰিক মহাবিদ্যালয় খনক Post-facto অনুমোদন দিয়াৰ বাবে AICTE ৰ কাৰ্য্যবাহী পৰিষদত সক্ৰিয় ভাৱে আমি অনুৰোধ জনাইছো আৰু আমাক তেখেত সকলে কৈছে যে AICTE ৰ নিৰ্দ্ধাৰিত চৰ্ত সমূহ পূৰণ কৰিব লাগিব তাৰমানে এই ক্ষেত্ৰত তেখেত সকলে তেখেত সকলৰ চৰ্ত সমূহ পূৰণ কৰাৰ কথা কৈছে। এই যে তেখেত সকলে কলে যে আপোনালোকে লিষ্টখন দিয়ক, আপোনালোকে Stock Register খন দিয়ক, এই যিবোৰ তেখেত সকলে বিচৰা ধৰণে আমি দিব লাগে এই ক্ষেত্ৰত আমি কৈছো যে আমি এই গোটেইখিনি আকৌ এবাৰ আপোনালোকক দিম। তেখেত সকলে আমাক এই পৰ্যান্ত কৈছে যে AICTE ৰ নিৰ্দ্ধাৰিত চৰ্তসমূহ পূৰণ কৰিলে চলিত বৰ্ষত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্ত্তীৰ অনুমতি AICTE য়ে দিব। গোলাঘাট অভিযান্ত্ৰিক মহাবিদ্যালয় খনৰ বিষয়টোৰ ওপৰত মই কৈছোৱে যে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে, আমাৰ বিধায়িকা মহোদয়াও আছিল মই নিজেও গৈছিলো আৰু আমি সকলোৱে AICTE য়ে যি সিদ্ধান্ত ললে আৰু সেই সিদ্ধান্তৰ ফলত যাতে আমাৰ ছাত্ৰ-ছাত্ৰীৰ কোনো ক্ষতি নহয় এই ক্ষেত্ৰত আমি সকলোৱে সজাগ। কিয়নো আমাৰ সকলোৰে এটা Collective responsibility আছে। অকল শিক্ষামন্ত্ৰী হিচাপে গোটেই সমস্যাটো মইয়ে যে অকলে সমধান কৰিম সেইটো কথা নহয়, এই ক্ষেত্ৰত আমাৰ সদনৰ সকলোৰে সদইচ্ছা লাগিব। কিয়নো তেখেতে কোৱাৰ দৰে অকল গোলাঘাট জিলাৰ কাৰণে নহয় এই গোলাঘাট অভিযান্ত্ৰিক মহাবিদ্যালয়খন আমাৰ অসমৰ এটা সম্পদ। মই অলপ আগতে কৈছোৱে যে আমি প্ৰায় ৫৬ কোটি টকাতকৈওঁ অধিক টকা আমি বিত্ত বিভাগৰ পৰা পাইছো। এই টকাৰে যি ধৰণে এইখন গঠন কৰা হৈছে এই কথাটো আমাৰ মাননীয়া বিধায়িকা মহোদয়াও কৈছে যে সুন্দৰ ভাৱে কাম কৰা হৈছে আৰু এটা সুন্দৰ Campus। ইয়াৰোপৰিও যদিও AICTE য়ে আমাক অৰ্থাৎ তেখেত সকলৰ যি কাৰ্য্যবাহী

পৰিষদ আছে সেই কাৰ্য্যবাহী পৰিষদে আমাক আস্বস্ত কৰিছে যে এই বিষয়টো তেখেত সকলে সহানুভূতিৰে বিবেচনা কৰিব। তথাপিও আমি ভাৰিছো যে আইনগত ভাৱে চাবলৈ গলে তেখেত সকলে পৰিদৰ্শনত আহোতে এটা প্ৰতিবেদন দিলে আৰু সেই প্ৰতিবেদনত কৈছিল যে আমি সকলো বস্তুবিলাক পালো। তাৰপিছত সেই পৰিদৰ্শন দলৰ কি প্ৰতিবেদন হ'ল সেইটো মই নাজানো কিন্তু পৰৱৰ্ত্তী সময়ত যিখিনি আহিল  সেইখিনিত সম্পূৰ্ণ বিপৰীত ধৰ্মী ছবি এখন আহিল আৰু আমি ভাৰতৰ মহামান্য উচ্চতম ন্যায়ালয়তো আমি কেছ দাখিল কৰিছো আৰু আমি কৈছো যে আমাৰ যিসকল উত্তৰপুৰুষৰ ভৱিষ্যৎ ইয়াৰ লগত নিহীত হৈ আছে। কোনোবা এখন Stock Register মই নাপালো, গতিকে মই এখন কলেজৰ Recognise কাতি দিম এইটো কোনো এটা যুক্তি হ'ব নোৱাৰে। SLC এখন আমি File কৰিছো, মই আজি চৰকাৰৰ হৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোক নিৰ্দেশ দিছে মই চৰকাৰৰ হৈ আজি সদনক আস্বস্ত কৰিছো যে আমাৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে তাত নামভৰ্ত্তী কৰিছে তেখেত সকলৰ, সকলতে তেখেত সকলৰ পাঠ্যক্ৰম সমাপ্ত কৰাৰ পিছত তেখেত সকলক যিখন প্ৰমানপত্ৰ দিয়া হ'ব, কিয়নো বহুতৰ মনত এটা শংকা হৈছে, বহুতে সেই সম্পৰ্কত যথেষ্ট শংকাও প্ৰকাশ কৰিছে আৰু সেইটো অস্বাভাবিকো নহয় যে তেখেত সকলে যিখন প্ৰমানপত্ৰ পাব সেই প্ৰমানপত্ৰখন AICTE ৰ অনুমোদিত অভিযান্ত্ৰিক ডিগ্ৰী হ'ব নে নহয়। মই আকৌ এবাৰ সদনক আস্বস্ত কৰিব বিচাৰিছো  যে AICTE য়ে আমাক এই সম্পৰ্কে অৱগত কৰিছে যে তেখেত সকলে Post-Facto  Recognisation দি হ'লেও তেখেত সকলে এই সকলে যেতিয়া তেখেত সকলৰ পাঠ্যক্ৰম শেষ কৰিব তেতিয়া যিখন তেখেত সকলৰ প্ৰমাণপত্ৰ দিয়া হ'ব that will be Recognised Cirtificate by AICTE আৰু এই সংক্ৰান্তত মই সদনৰ এটা দৃষ্টিগোচৰ কৰিব বিচাৰিছো, কিন্তু এই ক্ষেত্ৰত আমি যথেষ্ট অসুবিধা পাই আছো আৰু সেই অসুবিধাটো হৈছে আমি যেতিয়া, ধৰি লওঁক আমাৰ এটা কৰা হৈছে এতিয়া আমাৰ অসম চৰকাৰে Medical Recruitment Board গঠন কৰাৰ দৰে মই অনুভৱ কৰো মই শিক্ষামন্ত্ৰী হিচাপে যিটো অভিজ্ঞতা, সেই অভিজ্ঞতাৰ পৰা মই অনুভৱ কৰিছো যে আমি সদনে এখন Technical Education Recruitment Board এখনো গঠন কৰিব পাৰো। এই সংক্ৰান্তত সদনে নিসন্দেহে বিবেচনা কৰিব আৰু তেতিয়াহলে আমাৰ শিক্ষক-শিক্ষয়িত্ৰীৰ ক্ষেত্ৰত আমি যি যথেষ্ঠ অসুবিধা পাইছো, কলেজৰ শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰতো আমি যথেষ্ট অসুবিধাৰ সন্মূখীন হৈছো। কিন্তু মেডিকেল কলেজত এই অসুবিধাটো আগতে আছিল কিন্তু তেখেত সকলে যি Medical Recruitment Board গঠন কৰিলে তাৰ পিছত এই অসুবিধাটো বহু পৰিমাণে কমিছে আৰু তেখেত সকলে একেলগে বৃহৎ সংখ্যক চিকিৎসক নিযুক্তি দিলে। মই এই ক্ষেত্ৰত অনুভৱ কৰো যে আমি যদি এনেকুৱা এটা সিদ্ধান্ত ল'ব পাৰো  তেতিয়াহলে এই কামটো আমাৰ বাবে বহুত ভাল হ'ব। মই আকৌ এবাৰ এই সন্মানীয় সদনক আমি লোৱা পদক্ষেপ সম্পৰ্কে তেখেত সকলক জ্ঞাত কৰিলো আৰু এই ক্ষেত্ৰত মই তেখেত সকলক পুনৰবাৰ কৈছো আৰু এই সদনৰ সদস্য সকলৰ লগতে সেই অভিভাৱক সকলকো মই আস্বস্ত কৰিব বিচাৰো যে তেখেত সকলৰ সন্তান সমূহৰ ভৱিষ্যৎ সম্পৰ্কে আমি খুৱেই উৎদিগ্ন আৰু এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে মোক স্পষ্টভাৱে নিৰ্দ্দেশ দিছে যে তেখেত সকলৰ পঢ়া-শুনাত যাতে কোনো ব্যঘাত নঘটে। কিয়নো এটা সময়ত যেতিয়া পালো তেতিয়া আমিও অলপ কি কৰো কি নকৰো এনেকুৱা এটা ভাৱ হৈছিল আৰু যি জন যুটীয়া সচিবৰ কথা ক'লৈ তেখেতে হয়তো অলপ অত্যুৎ সাহত হয়তো এনেকুৱা এটা option হ'ব পাৰে নেকি বুলি তেখেতে চাইছিল। গতিকে মই এই ক্ষেত্ৰত মাননীয় বিধায়িকাক আস্বস্ত কৰাৰ লগতে মাননীয় সদনক আস্বস্ত কৰিব বিচাৰিছো যে

সদনত আমি এই কথা উল্লেখ কৰিলো যে গোলাঘাট অভিযান্ত্রিক মহাবিদ্যালয় সম্পৰ্কত যিখিনি সমস্যা আছে সেইখিনি আমি অতি শীঘ্রে সমধান কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্রী কমলেক্ষ্য দে পুৰকায়স্থ ঃ** চাৰ মই অলপ কব বিচাৰিছিলো যে আমাৰ মন্ত্রী মহোদয়ে যিটো কব বিচাৰিছে।

**মাননীয় অধ্যক্ষ ঃ** নাই নহ'ব আপুনি বহক। 54 ৰ ত no debates তেখেতে ভালকৈ express সম্পূর্ণ কৰিছে So, I think there should be no debates as today is the Friday.

**শ্রী মতী অজন্তা নেওঁগ ঃ** অধ্যক্ষ মহোদয়, মই এটা কথা কওঁ।

**মাননীয় অধ্যক্ষ ঃ** নাই এইটো নালাগে আপুনি পিছত পাতি ল'ব।

**শ্রী মতী অজন্তা নেওঁগ ঃ** এই বছৰৰ নামভৰ্ত্তীটো হ'বনে নাই ? কাৰণ এইবাৰ কাউন্সিলিঙত কিন্তু গোলাঘাট ধৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্রী কমলেক্ষ্য দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয়, তেখেতে এইটো কৈছে যে বেলেগৰ পৰা আনি দিছে, বৰাক ভেলী ইঞ্জিনিয়াৰিং কলেজৰ পৰা ১৫ জনক আনি attachment ত থোৱা হৈছে। তেনেকুৱা কৰিলে বৰাক ভেলী ইঞ্জিনীয়াৰি ং কলেজতো বন্ধ হৈ যাব। এইটো কথা মই মন্ত্রী মহোদয়ক জনালো।

**মাননীয় অধ্যক্ষঃ** আপুনি দৃষ্টিগোচৰ কৰিছে, মন্ত্রী মহোদয়ে ব্যৱস্থা ল'ব ।

**শ্রী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্রীঃ আমা**ৰ বিধায়ক গৰাকীয়ে যিটো কথা কৈছে, আমাৰ AICT Executive Council য়ে কৈছে যে You are go ahead with the admission process. কিন্তু আমি তেখেত সকলৰ আনুষ্ঠানিক চিঠি পালেহে আমি চিন্তা কৰিছো যে এই admission process টো আৰম্ভ কৰিম । তেখেত সকলে মৌখিক ভাবে কলে আমি আৰম্ভ কৰি দিলে পিছত যদি কিবা কাৰণত নাহে তেতিয়া হ'লে আমি আকৌ বিপদত পৰিম ।

**মাননীয় অধ্যক্ষঃ** ডাৰৰ আতৰিব। এতিয়া কাৰ্য্যসূচী নং -৫। বিধায়ক টেৰছ গোৱালা।

**শ্রী টেৰছ গোৱালা, বিধায়কঃ** অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্রক্রিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলী ৩০১ নং নিয়মাৱলীৰ অধীনত মহাবিদ্যালয় সমূহত ছাত্র-ছাত্রীৰ নাম নামভৰ্তিৰ পৰা বঞ্চিত হোৱা বিষয়টো উত্থাপন কৰিব দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো । অধ্যক্ষ মহোদয়, আমি আগতে শুনিছিলো আমাৰ মাজত সজাগতা সভা চলিছিল যেতিয়া আমি অনুস্থান সমূহৰ লগত জড়িত হৈ আছিলো । স্কুল যাব লাগে, পঢ়িব লাগে আৰু সমাজৰ দ্বায়িত্ব সমূহ ল'ব লাগে । কিন্তু আমি এতিয়া এনেকুৱা পৰ্য্যায়ত আহিলো যে আমি নাম ভৰ্তি কৰিব পৰা নাই । আজি বেছিভাগ বিশেষকৈ ডিব্রুগড় আৰু তিনিচুকীয়া জিলা অধিকাংশ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত প্ৰথম সান্মাষিক পৰীক্ষা আৰু Higher Secondary 1st Year আসন নথকাৰ কাৰণে আৰু আন্তঃগাঠনি নথকাৰ কাৰণে বিদ্যালয় বা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই নামভৰ্তি কৰিব পৰা নাই । অধ্যক্ষ মহোদয়, এইটো আমাৰ কাৰণে অতি দুখৰ বিষয় যে আমাৰ চৰকাৰে Class-I ৰ পৰা বিশ্ববিদ্যালয় পৰ্য্যায়লৈকে নামভৰ্তিৰ মাচুল ৰেহায় কৰিছে, Class-I ৰ পৰা class-XII লৈকে কিতাপ বিনামূলীয়া কৰি দিছো, অষ্ঠম শ্ৰেণী পৰ্য্যন্ত আমি পোছাক বিনামূলীয়া কৰি দিছো, দুখীয়া মানুহৰ কাৰণে । কিন্তু দুখৰ কথাটো হ'ল আজি degree 1st semester ৰ

নামভৰ্তিৰ কাৰণে ডুমডুমাৰ পৰা এটা অঞ্চলত প্ৰায় ৭০০ ৰ পৰা ৮০০ ল'ৰা ছোৱালী নামভৰ্তি হোৱা নাই । এই বিষয়টো লৈ ইতিমধ্যে পেপাৰ-পত্ৰত প্ৰকাশ পাইছে আৰু আমি গম পাইছো আৰু আমাৰ লগতো বহুতে যোগাযোগ কৰিছে। সেয়েহে আমি এই বিষয়টো আতি গুৰুত্ব সহকাৰে লোৱা উচিত । অতি দুখেৰে মই জনাও, মই আৰু মাননীয় বিধায়ক সঞ্জয় কিশান ডাঙৰীয়াই ১৮ জুলাইৰ দিনা মুখ্যমন্ত্ৰীৰ লগত বিষয়টো আলোচনা কৰা পিছত মুখ্যমন্ত্ৰী মহোদয়ে আমাক এটা যোগাত্মক পৰামৰ্শ আগবঢ়াইছিল । আমি তাত ভাবিলো যে বিভাগৰ মুখ্য বিষয়া সকলোৰ লগতো কথা পাতো নেকি, কিন্তু এটা অতি দুখ জনক কথা যে বিধায়ক সকলৰ কাৰণে এটা ভাল কথা নহয়। শিক্ষা বিভাগৰ এগৰাকী উচ্চ পদস্থ বিষয়া অতিৰিক্ত মুখ্য সচিবক সাক্ষাৎ কৰিলো কিন্তু তেওঁৰ যিটো responsibility ইমানেই দুখ জনক আছিল যে মই আৰু সঞ্জয় কিশান সেই বিষয়া গৰাকীৰ লগত তৰ্ক-যুদ্ধত লিপ্ত হ'বলগীয়া হৈছিল । তেনেকুৱা ধৰণৰ বিষয়া যদি বিভাগত থাকে তেতিয়া হ'লে মই ভৱিষ্যৎ বাণী কৰিব পাৰো যে অনাগত দিনবোৰত বহু ল'ৰা ছোৱালীয়ে নামভৰ্তিৰ পৰা বঞ্চিত হৈ থাকিব লাগিব । যেতিয়া এনে ধৰণৰ বিষয়া সকলৰ দ্বায়িত্ববোধ নাথাকিব য'ত পথ বন্ধৰ নিচিনাৰ প্ৰতিবাদ কৰিবলগীয়া হ'ল কিন্তু আজিলৈকে মই ভাবো কোনো বিভাগে এই বিষয়ত কথা কোনোধৰণৰ কথা পতা নাই । আৰু দুলীয়াজান বিধান সভা সমষ্টিতো তেনেকুৱা ধৰণৰ ঘটনা ঘটিছে। দুলীয়াজান মহাবিদ্যালয়, টেঙাখাট কলেজ, দুলীয়াজান ছোৱালী মহাবিদ্যালয় আদি বোৰত নামভৰ্তিৰ সুবিধা পোৱা নাই । Higher Secondery 1st year ত নামভৰ্তি পোৱা নাই, degree 1st year ত নামভৰ্তি পোৱা নাই। এনবোৰ স্কুলত দুখীয়া ল'ৰা ছোৱালীবোৰে নামভৰ্তিৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে । যিবোৰ পিতৃ-মাতৃৰ টকা পইছা আছে তেওঁলোকে ব্যক্তিগত খণ্ডৰ স্কুল আৰু মহাবিদ্যালয় সমূহত নামভৰ্তি কৰিছে । দেশ-বিদেশত নামভৰ্তি কৰিছে, কিন্তু যেতিয়া শ শ ল'ৰা ছোৱালীয়ে নামভৰ্তিৰ সুবিধা নাপায়, মই ভাবো উজনি অসমৰ প্ৰায়বোৰ অভিভাৱকে আমাৰ ওচৰলৈ আহি এই বিষয়ে আমাক অৱগত কৰে। সেয়েহে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ, যিহেতু এইটো এটা গুৰুত্বপূৰ্ণ সমস্যা। আমি যেতিয়া প্ৰতি টো বছৰত পিয়লৰ প্ৰতি বেদন চাও প্ৰতিটো বছৰত জনসংখ্যা বৃদ্ধি হৈ আহিছে । আমি শিক্ষা বিভাগত দেখি আছো যে শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি পাইছে । মই বিধায়ক হোৱাৰ পিছত দুলীয়াজান সমষ্টিত দুখন মহাবিদ্যালয় বিচাৰিছিলো, ২খন Higher Secondery বিচাৰিছিলো, কিন্তু দুখ জনক কথা আজিলৈকে একো সহাৰি নাপালো । অধ্যক্ষ মহোদয়, আমি যেতিয়া এটা মৌলিক অধিকাৰ দিব নোৱাৰো তেতিয়া হ'লে চৰকাৰৰ কাৰণে এটা দুখ জনক কথা । সেই কাৰণে আপোনাৰ জৰিয়তে মই অনুৰোধ জনাওঁ যে এই বিষয়টো অতি গুৰুত্ব সহকাৰে বিবেচনা কৰিব লাগে । বহুত সময়ত মন্ত্ৰী সকলক টাৰ্গেট কৰি কোৱা হয় কিন্তু আমাৰ বিভাগৰ যি সকল বিষয়া আছে সেই বিষয়া সকলক ৰাইজে কোনো দিন জবাব দেহিন কৰিব নোৱাৰে। কিয়নো ৰাইজে এই কথাবোৰ নাজানে । ডুমডুমা কলেজৰ কথাটো এই কাৰণে কৈছো যে, ডুমডুমা বা টেঙাখাট, তিনিচুকীয়া এই অঞ্চলটো কেনেকুৱা ধৰণৰ পিছপৰা অঞ্চল আৰু বেছিভাগ ল'ৰা-ছোৱালীয়ে উগ্ৰপন্থীত যোগদান কৰি আছে। কিয় নকৰিব। তেওঁলোকে পঢ়িবৰ কাৰণে কোনোধৰণৰ সুবিধা নাপাব, তেওঁলোকে কিবা এটাটো কৰিব লাগিব, সেয়েহে মই ভাবো ডিব্ৰুগড় আৰু তিনিচুকীয়া অঞ্চলৰ এটা ডাঙৰ সমস্যা। এই সমস্যাটো সমাধানৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে, সেই বিষয়ে মই নিশ্চয় জানিব বিচাৰিম । মাননীয় অধ্যক্ষৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম শিক্ষা বিভাগৰ এটা পৰ্য্যায়লৈকে আমিও যোগাযোগ ৰাখো আৰু আমি ডিৰেক্তৰ লেভেলত কথা বতৰা বোৰ পাতো। কিন্তু এই ডিৰেক্তৰ লেভেলত আমাৰ

সমস্যা সমূহৰ সমাধান বোৰ নাথাকে । দুলীয়াজান সমষ্টিৰ ছোৱালী মহাবিদ্যালয়ত যোৱা বছৰৰ 2nd and 3rd Semester ত পৰীক্ষা দিবলৈ দিয়া হোৱা নাছিল । তেতিয়া গোটেই ল'ৰা-ছোৱালী বোৰে ঘৰত কান্দি আছিল তেতিয়া মই লগে লগে ডিৰেক্টৰ লেভেলত কথা পাতিলো তেতিয়া ডিৰেক্টৰে কলে তেনেকুৱা ধৰণৰ অসুবিধা হোৱা নাই । তাৰ পিছত মই Principal ক সুধিলো কি কাৰণত তেওঁলোকক পৰীক্ষা দিবলৈ দিয়া হোৰ নাই। যোৱাবাৰ মই বিনামূলীয়া admission দিলো, তাৰ আমি পইছা পোৱা নাই। এই কথাতো লগে লগে ডিৰেক্টৰক কোৱা হ'ল। তেতিয়া ডিৰেক্টৰে কলে আমাৰ হাতত পৰ্য্যাপ্ত টকা আছে । কলেজ কৰ্তৃপক্ষই পইছা পোৱা নাই, এইটো কি চলি আছে। হয়তো বিভাগৰ দ্বাৰা কলেজবোৰৰ ওপৰত নিয়ন্ত্ৰন নাই। যাৰ ফলত দুখীয়া ল'ৰা-ছোৱালীবিলাকে এইবোৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। সেয়েহে মই ভাবো চৰকাৰে ইমান অভিলাসী আঁচনিৰ দুখীয়া ল'ৰা-ছোৱালীক সহায় কৰি আহিছো, সুহৃদ আঁচনিৰ জৰিয়তে সহায় কৰি আহিছো। যিবিলাক ভেঞ্চাৰ কলেজ আছে, সেই বিলাক আমি আৰ্থিক সাহাৰ্য্য দিব পৰা নাই । সেই সমূহ ভেঞ্চাৰ কলেজতো নামভৰ্তিৰ মাছুল বৃদ্ধি হোৱাৰ কাৰণে ও দুখীয়া ল'ৰা-ছোৱালী সকলেও নামভৰ্তিৰ পৰা বঞ্চিত হৈছে। সেয়েহে মই আপোনাৰ যোগেদি চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যাতে অতি সোনকালে এই সমস্যাটো সমাধান কৰিব পাৰে । যদি এতিয়াই ইয়াৰ ব্যৱস্থা হাতত নলয় তেতিয়া হ'লে ৬ মাহত পিছত কৰিলে একো লাভ নহয়। যেতিয়া ৬০০ বা ৭০০ ল'ৰা ছোৱালীয়ে নামভৰ্তিৰ পৰা বঞ্চিত হ'ব তেতিয়া এই সকল ল'ৰা-ছোৱালীয়ে কি কৰিব । আজি যিহেতু বিধায়ক সকল সাধাৰণ হৈ যোৱাৰ ফলত বিধায়কৰ ঘৰত ৰাতিপুৱা বা ৰাতি গৈ কথা বিলাক ক'ব পাৰে । যদি এইবিলাক চলি থাকে তেতিয়া হ'লে কোনো সংগঠন নোহোৱাকৈ আমি প্ৰতিবাদ কৰিবলৈ বাধ্য হম। বিভাগৰ মুৰব্বী সকলক শুধো তেতিয়া হ'লে বিষয়া সকলে কয় মোৰ দ্বায়িত্ব নাই। যদি বিভাগৰ মুৰব্বী হৈও দ্বায়িত্ব নলয়, কোনে দ্বায়িত্ব ল'ব । যদি এই বিষয়া সকলৰ শিক্ষা বিভাগত কাম কৰাৰ ইচ্ছা নাই তেতিয়া হ'লে মই অনুৰোধ জনাও যাতে এই বিভাগৰ পৰা বেলেগ বিভাগলৈ যাওক। এই শিক্ষা বিভাগক ধংস কৰাৰ তেওঁলোকৰ কোনো নৈতিক অধিকাৰ নাই।

**শ্ৰী দুৰ্গা ভূমিজ, বিধায়ক ঃ** এখন কলেজত বিগত দিনবোৰত আসনৰ এনেকুৱা ধৰণৰ সমশ্যা হোৱা নাছিল । চৰকাৰে এটা আদেশ জাৰী কৰিলে যে কলেজ সমূহত মৰ্ণিং চিফ্‌টত পঢ়াই আছিল এইটো উঠাই দিয়া হ'ল । আৰু non sanction পদ সমূহো উঠাই দিয়া হ'ল । ডুমডুমা কলেজৰ অধ্যক্ষই ৭৯২ গৰাকী ছাত্ৰ-ছাত্ৰী কমাৰ্চ শাখাত নামভৰ্তি দিব পাৰে । এই ল'ৰা-ছোৱালী খিনিৰ নামভৰ্তিৰ বাবে মই তিনি ঘন্টা ধৰি অৱস্থান ধৰ্মঘট কৰিলো কিন্তু ৰিজাল্ট এতিয়ালৈকে অহা নাই । সময় থাকোটেই এই ল'ৰা-ছোৱালী বিলাকৰ নিশ্চয় নামভৰ্তি হোৱাটো দৰকাৰ। তেওঁলোকে শিক্ষা পাবই লাগিব, নামভৰ্তি পাবই লাগিব । এই বিষয়ে আপুনি আজি মোক এই বিষয়ে এটা সঠিক সিদ্ধান্ত এটা দিব লাগে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। আপুনি বহক। এতিয়া মন্ত্ৰীয়ে ক'ব ।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যেতিয়া গোৱালা ডাঙৰীয়াৰ বক্তব্য শুনি আছিলো মই ভাবিলো যে চৰকাৰৰ পক্ষৰ পৰা আহিছে নে বিপক্ষৰ পৰা আহিছে। মই তেখেতৰ যিটো উস্মা সেইটো মই অনুভৱ কৰিব পাৰিছো। তেখেতে কোনোবা এজন বিষয়াৰ বিষয়ে মন্তব্য কৰিছে। মই আজিহে প্ৰথম বাৰৰ বাবে গম পালো। তেখেতে কোনো দিন মোক কোৱা নাই, আজিহে মোক জনালে। সদনৰ লগতে মইয়ো গম পালো। তেখেতে যদি আগতে মোক কলে হেতেন মই আগতে পদক্ষেপ লব পাৰিলো হেতেন। কিয়নো তেখেতৰ লগত কোনোৱা এজন বিষয়াৰ লগত কি

বাদানুবাদ হৈছে, সেইটো যদি মন্ত্ৰীক নজনাই তেতিয়াহলে মন্ত্ৰীয়ে কেনেকৈ গম পাব। গতিকে মই যেতিয়া গম পালো, মই তেখেতক আশ্বস্থ কৰিছো এই বিষয়ে মই যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিম । তেখেতে মোক জনালে, সদনৰ লগতে ময়ো গম পালো তেখেতে যদি এই সম্পৰ্কে মোক কিছু আগতে জনালেহেতেঁন এই সম্পৰ্কে মই পদক্ষেপ ল'ব পাৰো। কিয়নো আপোনাৰ লগত কোনো বিষয়াৰ বাদানুবাদ হৈছে সেইটো যদি মন্ত্ৰীক নজনায় মন্ত্ৰীয়ে কেনেকৈ গম পাব। গতিকে সেইটো সম্পৰ্কে যদি মোক জনায় মই পদক্ষেপ ল'ব পাৰিম। মই তেখেতক আস্বস্ত কৰিছো যে মই এই সম্পৰ্কে মই পদক্ষেপ ল'ম। যিহেতু কথাটো তেখেত কৈছে যে, ছাত্ৰ- ছাত্ৰীয়ে মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰিব পৰা নাই। গতিকে মই তথ্যসহকাৰে সেই দুখন জিলাৰ সম্পৰ্কত মোৰ বিবৃতিটো পঢ়ি দিছো । বৰ্ত্তমানে ডিব্ৰুগড় জিলাত ১৪ খন আৰু তিনিচুকীয়া জিলাত৯ খন প্ৰাদেশীকৃত মহাবিদ্যালয় আছে। ডিব্ৰুগড় জিলাৰ উক্ত মহাবিদ্যালয়সমূহৰ ভিতৰত মই কলেজসমূহৰ নাম কৈ দিছো- আৰু কি কি বিভাগ আছে সেই বিভাগবিলাকো কৈ দিছো। ডিবিয়া মহাবিদ্যালয়ত কলা আৰু বানিজ্য, ডি এইচ এচ কে মহাবিদ্যালয়ত কলা আৰু বানিজ্য-DHSK College ত কলা আৰু বিজ্ঞান কমাৰ্চ মহাবিদ্যালয়ত বানিজ্য, ডিব্ৰুগড়ৰ ডিব্ৰু মহাবিদ্যালয়ত কলা, বিজ্ঞান আৰু বানিজ্য, নামৰূপ মহাবিদ্যালয়ত কলা আৰু বিজ্ঞান আৰু দুলীয়াজান গাৰ্লছ মহাবিদ্যালয়ত, খোৱাং মহাবিদ্যালয় আৰু এম ভি কে গাৰ্লছ মহাবিদ্যালয়, নাহৰকটীয়া মহাবিদ্যালয়, বৰগোহাঁই চিটি মহাবিদ্যালয়, বিটুবৰ গাৰ্লছ মহাবিদ্যালয়, টেঙাখাট মহাবিদ্যালয় আৰু টিংখাং মহাবিদ্যালয় কলা শাখাত পাঠদান চলি আছে। ডিগবৈ মহাবিদ্যালয় কলা বিজ্ঞান আৰু বানিজ্য শাখা, ডুমডুমা মহাবিদ্যালয়ত কলা আৰু বানিজ্য শাখা, মাৰ্ঘেৰিটা মহাবিদ্যালয়ত কলা আৰু বানিজ্য শাখা , তিনিচুকীয়া মহাবিদ্যালয় কলা আৰু বিজ্ঞান শাখা, আৰু ডিগবৈ মহিলা মহাবিদ্যালয়ত বানিজ্য, লিডু মহিলা মহাবিদ্যালয়ত, সদিয়া মহাবিদ্যালয় আৰু ওমেনচ কলেজ চিনিচুকীয়াত কলা শাখাত পাঠদান চলি আছে। উক্ত মহাবিদ্যালয় সমূহত ডিব্ৰুগড় জিলাত প্ৰায় ৫০০০ ছিট আছে আৰু তিনিচুকীয়া জিলাত প্ৰায় ৩৫০০ জন ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্ত্তিৰ আসনৰ ব্যৱস্থা আছে। তেখেতে কৈছে যে এইবাৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হৈছে । চৰকাৰী কলেজৰ বাবে এইটো এটা নিসন্দেহে ভাল খবৰ। কিয়নো চৰকাৰী অনুষ্ঠানত যদি ছাত্ৰ-ছাত্ৰী নাম ভৰ্ত্তি কৰিবলৈ আগবাঢ়ি আহিছে তেন্তে এইটো চৰকাৰী খণ্ডৰ অনুষ্ঠানৰ বাবে ভাল খবৰ। আমাৰ সকলোৰে বাবে ভাল খবৰ। কংগ্ৰেছৰ চৰকাৰৰ দিনতে ২০১৩ চনত তেতিয়াৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই এটা সিদ্ধান্ত লৈছিলে, সেই সিদ্ধান্তটো আছিলে কোনোবা এনেকুৱা মহাবিদ্যালয় ত যদি নাম ভৰ্ত্তি কৰিবলৈ অহা ছাত্ৰ ছাত্ৰী সংখ্যা অধিক হয় তেন্তে তেতিয়া হ'লে তেওলোকে ২ টা শ্বিফ্‌ট কৰিব লাগে। আগতে যিটো কৈছে যে এই ব্যৱস্থাটো উঠাই দিয়া হৈছে। কিন্তু এইটো উঠাই দিয়া হোৱা নাই। কোনোবা কলেজে ফলো কৰা নাই সেইটো কলেজৰ কথা। আমাক যদি জনায় আমি সেই কলেজক কমপেল কৰিব পাৰো। কিন্তু চৰকাৰী ভাবে আমি কিন্তু কেতিয়াও কোনো কলেজকে কোৱা নাই যে আপোনালোকে ডাবল শ্বিফ্‌ট কৰিব নোৱাৰে। আমাৰ ফালৰ পৰা কোনো ধৰনৰ নিৰ্দ্দেশনা যোৱা নাই। College Governing Bodyয়ে নিজাকৈ যদি কিবা সিদ্ধান্ত লৈছে, আপোনালোকে যদি অনুভৱ কৰে এইটো জনস্বাৰ্থৰ বাবে হানিকৰ আমাক জনাব পাৰে। আমি তেখেতসকলক Morning Shift কৰিবলৈহে permission দিছিলো ২০১৩ চনতে। চৰকাৰ এখন continuous process কন্টিনোৱাচ প্ৰচেচ। আজি আমি আছো কালি আপোনালোক আছিলে। সেই সিদ্ধান্তটো we carry forward. চৰকাৰে বিভিন্ন জিলাৰ মহাবিদ্যালয়সমূহত খালীহৈ থকা Assistant Professor অৰ পদসমূহ পুৰন কৰিবৰ বাবে

ইতিমধ্যে অনুমোদন প্ৰদান কৰিছে। ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ পদসমূহৰ তালিকা আপোনালোকক দিব পাৰো। এতিয়া ডিগবৈ কলেজৰ কথা কোৰো হৈছে। ডিগবৈ কলেজত আমি ১০ টা পোষ্ট আমি তেখেতসকলক চেংশ্যন দিছো। ডিগবৈ মহিলা মহাবিদ্যালয়ত আমি ৫টা দিছো, ডুমডুমা কলেজত ২ টা দিছো। শদিয়া কলেজত ২ টা দিয়া হৈছে। তিনিচুকীয়া কলেজত ৩ টা দিয়া হৈছে। তিনিচুকীয়া কমাৰ্চ কলেজত ৩ টা দিয়া হৈছে। তিনিচুকীয়া ৰমেন কলেজত ৫ টা দিয়া হৈছে। তিনিচুকীয়া কলেজত দিয়া হৈছে ১৩ টা । ডিব্ৰুগড় গলেজৰ তালিকাখন গাই দিছো। টিংখং কলেজত দিয়া হৈছে এটা, DHSK College ত দিছো ১টা DHSK Commerce College ত দিয়া হৈছে ২ টা । এন ডি কে গাৰ্লছ কলেজত দিয়া হৈছে ২ টা , টিংখং কলেজত দিয়া হৈছে ৩ টা । ইয়াৰ ওপৰঞ্চি আপোনালোকে জানে এই চৰকাৰখনে 'উত্তৰন ' আঁচনিতনতুনকৈ কলেজ খোলাৰ বাবে সিদ্ধান্ত লৈছে তাৰ ভিতৰত যিখন আমাৰ তালিকা যিখন আমি Signature Project বুলি আমি কৈছো। Setting up of a full Fledged Lahowal Degree College লাহোৱাল , ডিব্ৰুগড়ত আমি তেখেতসকলক মাটি দিয়াৰ কথা কৈছো কিন্তু মুলত আমাক মাটি দেখুৱাব পৰা নাই। এই ক্ষেত্ৰত আমাৰ ফাইনেল চেংশ্যন আৰু অনুমোদন দুয়োটাই আছে। তেনেদৰে ফুল ফ্লেজেদ কলেজত মাৰ্ঘেৰিটাত কৰিবৰ কাৰনে আমি তিনিচুকীয়াৰ জিলাৰ উপায়ুক্তক আমি লিখিছো। তেখেতে কৈছে যে হোলেং গাওঁ- বুঢ়ীদিহিং মৌজা , মাৰ্ঘেৰিটা Revenue Circle ত এটুকুৰা মাটি identify কৰিছে। ইয়াতে এখন মডেল ডিগ্ৰি কলেজ কৰা হ'ব। নতুন কলেজৰ বাবে আমি পদক্ষেপ লৈছো। তিনিচুকীয়াৰ কাকোপথাৰত এখন Model College Construction কাম সম্পূৰ্ণ হৈছে। অহা বছৰত আমি হয়তো অন্যান্য কাম আৰম্ভ কৰিব পাৰিম। অন্য জিলাৰ তালিকাও আছে কিন্তু তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ প্ৰশ্ন বাবে এই জিলা দুখনৰ তথ্য দিছো। ইয়াৰ ওপৰিও বিভিন্ন কলেজৰ আন্তগাথনিৰ কাম RUSAৰ মাধ্যমেৰে দিওঁ। আমি ইয়াৰ মাধ্যমেৰে যিটো ১ কোটি টকা কলেজসমূহক দি আছো তাৰ লিষ্টখন মোৰ হাতত আছে। গতিকে মহোদয়, গোটেই তথ্যখিনি মই সদনৰ মজিয়াত ৰাখিলো। মাননীয় সদস্য তেৰছ গোৱালা ডাঙৰীয়াই ৰাইজৰ এটা গুৰুত্বপূৰ্ণ এটা অসুবিধা প্ৰকাশ কৰিছে মই তেখেতৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছো। আমি তেখেতক আস্বস্ত কৰিছো যে আমি এইখিনি পদক্ষেপ লৈছো। যদি আৰু ল'বলগীয়া আছে তেতিয়াহ'লে যদি মোৰ লগত ব্যাক্তিগতভাবে যোগাযোগ কৰে মই এই ক্ষেত্ৰত পদক্ষেপ ল'বলৈ প্ৰচেষ্টা কৰিম। কিন্তু মই আৰু এটা কথা কওঁ যে বহু কলেজে এতিয়া Morning Shift ত কাম কৰিব নোখোজে। যদি এখন কলেজে মৰ্নিং শ্বিফ্ট খোলে তাৰ বাবেও কিন্তু আমি কৈছো- সেই কলেজৰ প্ৰিঞ্চিপালে ৫০০০ টকা অতিৰিক্ত পাব। এচোচিয়েট প্ৰফেছৰ সকলে প্ৰত্যোক ঘন্টাত ২০০ টকা পাব। Assistant Professor ৰ সকলে ১৫০ টকাকৈ পাব । গ্ৰেড -৩ এমপ্ল'ই ২০০০ টকা প্ৰতি মাহে পাব। গ্ৰেড- ৪ প্ৰতি মাহে ১৫০০ টকা পাব। intensive পাব। যদি কোনোবা Governing Body য়ে তেনেধৰনে সিদ্ধান্ত লৈছে যে আমি মৰ্নিং শ্বিফটো নকৰো, লৰা ছোৱালী ঘুৰি গৈছে আপোনালোকে লিখিতভাবে অভিযোগটো দিলে মই সেই Governing Body ক Compel কৰিব পাৰিম যে চৰকাৰে যিটো সুবিধা দিছে সেইটো তেখেতসকলে introduce কৰিব লাগে। ধন্যবাদ

**মাননীয় অধ্যক্ষ ঃ**Next Question Pabindra Deka

**শ্ৰী পবিন্দ্ৰ ডেকা (পাটাছাৰকুছি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ কাৰ্য্য পৰিচালনা আৰু নিয়মাৱলীৰ ৩০১নং নিয়মৰ অধীনত দৈনিক বাতৰি কাকত "নিয়মীয়া বাৰ্তা"ৰ ৪ জুলাই,

২০১৯ তাৰিখৰ সংখ্যাত প্ৰকাশিত “ৰাসায়নিক সংৰক্ষণৰ সলনি গামোচাৰে মচি কৰে পৰিস্কাৰ, ৰাজ্যিক সংগ্ৰহসালয়ত নষ্ট হোৱাৰ উপক্ৰম কীৰ্তিচিহ্ন-সাঁচিপাতৰ পুথি, দুবছৰে খালি হৈ আছে কেমিষ্ট পদ, সহকাৰী কিউৰেটৰসহ আন ২২ টাকৈ পদ”শীৰ্ষক বাতৰিৰৰ ওপৰত মই আজি এটা অত্যন্ত গুৰুত্বপূৰ্ণ বিষয় সদনত উত্থাপন কৰিব বিচাৰিছো। বিষয়টো হ'ল- আমাৰ যি ৰাজ্যিক সংগ্ৰাহলয় আছে ই আমাৰ অসমৰ সভ্যতা, সংস্কৃতিৰ প্ৰতীক আৰু অন্যতম উপাদান। ইয়াত যিবোৰ সাঁচিপাত আছে , তাত আমাৰ গৌৰৱউজ্জল ইতিহাসৰ কথা সোমাই আছে। গতিকে এই বহুমূলীয়া উপাদানসমূহ যদি কিবা কাৰণত বিনষ্ট হয়, তেন্তে ই অতি পৰিতাপৰ বিষয় হ'ব। কাৰণ এই সংগ্ৰহালয়ত থকা সামগ্ৰী বা উপাদান সমূহৰ ওপৰত ভিত্তি কৰিয়েই আমাৰ সভ্যতা বৰ্তি আছে আৰু ভৱিষ্যতেও থাকিব। আমাৰ সংগ্ৰহালয় আৰু পুঁথিভড়ালৰ বৈশিষ্টবোৰ প্ৰায় ২৫০০ বছৰৰ পুৰণি।

আলেকজেণ্ডাৰে স্থাপন কৰা সংগ্ৰহালয় আৰু পুথিভড়াল আজিও অক্ষত আৰু সুন্দৰ হৈ আছে। কাৰণ তেওঁলোকে তেতিয়াই বুজি পাইছিল যে যদি তেওঁলোকৰ এই কীৰ্তিচিহ্ন বোৰ হেৰাই যায়, তেতিয়া জাতি হিচাপে, ৰাজ্য হিচাপে আৰু দেশ হিচাপে তেওঁলোকৰ সভ্যতা আৰু সংস্কৃতিৰ অস্তিত্ব এই পৃথিৱীত নোহোৱা হৈ যাব। Because loss of culture is loss of identity অৰ্থাৎ পৰিচয়বিহীন হৈ পৰিব। সেইকাৰণে আমাৰ পৰিচয়ৰ আহিলা হিচাপে যিবোৰ সাঁচিপাত সংগ্ৰহালয়ত সংৰক্ষণ কৰি ৰখা হৈছে, সেইবোৰ উচিত প্ৰক্ৰিয়াৰে আৰু বিজ্ঞানসন্মত ভাৱে সংৰক্ষণ কৰাটো বৰ্তমান সময়ত অতি প্ৰয়োজন হৈ পৰিছে। ১৪৫৬ খৃষ্টাব্দত যদি Mr. Johannes Gutenberg এ ছপাশাল আৱিস্কাৰ নকৰিলেহেঁতেন, তেতিয়া হুজগত পুথি আৰু এপিটাচ গছৰ ছালতেই আমাৰ সাহিত্য, সংস্কৃতি আৰু সভ্যতা সকলো সীমাবদ্ধ হৈ থাকিলহেঁতেন। Mr. Johannes Gutenberg এ ছপাশাল আৱিস্কাৰ কৰাৰ বাবেহে আজি আমি আমাৰ সভ্যতাক বৰ্তমান পৰ্যায়ত আনিব পাৰিছো। বৰ্তমান সংগ্ৰহালয়ত যিবোৰ বহুমূলীয়া সামগ্ৰী সংৰক্ষণ কৰি ৰখা হৈছে, সেইবোৰ যদি নষ্ট হৈ যায়, তেতিয়া আমাৰ গুৰিশিপা ডাল নোহোৱা হৈ যাব আৰু আমি পৰিচয়হীন হৈ পৰিম।

ইয়াৰোপৰি লিখনিটোত কোৱা হৈছে যে সংগ্ৰহালয়টোত পৰ্য্যাপ্ত কৰ্মচাৰী নাই। তাত কেমিষ্ট নাই, পদটো আজি দুবছৰে খালি হৈ আছে। কৰ্মচাৰীৰ সংখ্যাও আতি তাকৰ। ন্যূনতম ২২ জনৰ অধিক কৰ্মচাৰী তাত নাই। গতিকে আমাৰ সভ্যতা আৰু সংস্কৃতি সুৰক্ষিত কৰি ৰাখিবলৈ হ'লে আমি যিকোনো প্ৰকাৰে এই সংগ্ৰহালয়টো সুৰক্ষিত কৰি ৰাখিব লাগিব, এইটো আমাৰ প্ৰধান কৰ্তব্য। গতিকে মই চৰকাৰক, বিশেষকৈ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে আমাৰ এই সংগ্ৰহালয়টোৰ আপুৰুগীয়া সম্পদসমূহ নষ্ট হৈ নাযায় তাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰীনৱ কুমাৰ দলে (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য পবিন্দ্ৰ ডেকা ডাঙৰীয়াই উত্থাপন কৰা বিষয়টো আমাৰ দৃষ্টিগোচৰ হৈছে আৰু এই সংক্ৰান্তত মই কব বিচাৰিছো যে - অসম ৰাজ্যিক সংগ্ৰহালয় ২১ এপ্ৰিল ১৯৪০ চনত স্থাপিত হৈছিল। স্থাপন হোৱাৰ দিনৰে পৰা এই সংগ্ৰহালয় বহুমূলীয়া ঐতিহাসিক কীৰ্ত্তিচিহ্ন, সাঁচিপাতৰ পুথি আৰু নৃতাত্বিকভাবে গুৰুত্বপূৰ্ণ সামগ্ৰীসমূহ সংগ্ৰহ, সংৰক্ষণ আৰু প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। এই সংক্ৰান্তত উল্লেখ কৰা বাঞ্চনীয় যে, সংগ্ৰহালয়ত সংগৃহীত সম্পদৰ সংৰক্ষণ দুই প্ৰকাৰৰ - সতৰ্কতা মূলক আৰু নিৰাময়ক সংৰক্ষণৰ পদ্ধতি। আমাৰ

অসমৰ সংগ্ৰহালয়ত সংৰক্ষিত সম্পদসমূহৰ সংৰক্ষণ সতৰ্কতা মূলক ব্যৱস্থাৰে সংৰক্ষণত অধিক গুৰুত্ব দিয়া হয়। কিয়নো ই সামগ্ৰী সমূহৰ জীৱনকাল অধিক প্ৰসাৰিত কৰে। সংগ্ৰহালয়ত সংগৃহীত আপূৰুগীয়া সাঁচিপাতৰ পুথি সমূহ ধূলি-বালি আৰু পানীৰ পৰা ৰক্ষা কৰিবলৈ নিয়মিতভাবে কোমল কপাহী কাপোৰ বা কোমল ব্ৰাচেৰে চাফা কৰা হয়। সাঁচিপাতৰ পুথিসমূহ কেবাশ বছৰ পূৰণি আৰু তাত বিশেষ ধৰণেৰে প্ৰস্তুত কৰা চিঞাহীৰে লিখা আছে সেয়েহে এলকহলিক চলিউচন ব্যৱহাৰ কৰিলে চিঞাহী বিয়পি পৰি আখৰ সমূহ নষ্ট হোৱা সম্ভাৱনা আছে। এলকহলিক চলিউচন বা কোনো ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ কৰিবলৈ যোৱাৰ আগতে বিশদভাবে সাঁচিপাত আৰু চিঞাহীৰ গুণাগুণৰ বিস্তৃত অধ্যয়নৰ প্ৰয়োজন হ'ব। সেয়েহে সাঁচিপাতৰ পুথিসমূহ 'এলকহলিক চলিউচন ব্যৱহাৰ কৰি পৰিস্কাৰ কৰা ব্যৱস্থা সাধাৰণতে কৰা নাযায়। সংগ্ৰহালয়ত সংগৃহীত সাঁচিপাতৰ পুথিসমূহ সংৰক্ষণ বৱস্থা যিহেতু নৈমিত্যিক প্ৰক্ৰিয়া সেয়ে অসম ৰাজ্যিক সংগ্ৰাহালয়ৰ কৰ্মৰত বিভাগীয় কৰ্মচাৰী সকলে সাঁচিপাতৰ পুথিসমূহ সতৰ্কতামূলক সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰি আহিছে।

প্ৰাকৃতিক ইতিহাস বহনকাৰী জীৱজন্তুৰ সংগৃহীত পূৰণি কংকাল সমুহ নষ্ট হোৱা নাই, সেই সমূহ নতুনকৈ নিৰ্মিত "প্ৰাকৃতিক ইতিহাস বীথিকা" ত প্ৰদৰ্শনৰ ব্যৱস্থা কৰি থকা হৈছে। অতি কম দিনৰ ভিতৰতে এই বীথিকাটো মুকলি কৰা হ'ব।

যদিও কেমিষ্ট পদটোৰ দায়িত্ব এজন কনিষ্ঠ সহায়কৰ হাতত দিয়া আছে তেখেত সংৰক্ষণ সংক্ৰান্তত বিশেষভাবে প্ৰশিক্ষিত। তেখেতে সময়ে সময়ে সংগৃহীত সম্পদসমূহ ৰাজ্যিক সংগ্ৰাহলয়ৰ বিজ্ঞানাগাৰত থকা আন দুজন কৰ্মচাৰীৰ সতে বিধি অনুসৰি পৰিস্কাৰ তথা সংৰক্ষণৰ ব্যৱস্থা কৰি আহিছে। অৱশ্যে কেমিষ্ট পদটো পূৰণ হ'লে আৰু অধিক উন্নত আৰু খৰতকীয়া হ'ব বুলি আশা কৰা হৈছে।

অসম ৰাজ্যিক সংগ্ৰহালয়ৰ সঞ্চালকালয়ত বৰ্তমান সৰ্বমুঠ সাতাইছটা পদ খালি আছে। এই পদসমূহ অতি সোনকালে পূৰণ কৰিবলৈ চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰিছে।

(১) Laboratory chemist, Assistant Director (Planning) আৰু Architect পদৰ পৰীক্ষা অনুস্থিত কৰিবলৈ অসম লোকসেৱা আয়োগক যাৱতীয় কাগজ-পত্ৰ জমা দিয়া হৈছে।

(২) Curator আৰু Guide Lacturer cum Exhibition Officer পদ সমূহ যিহেতু বিধি অনুসৰি পদোন্নতি পদ্ধতিৰে পূৰণ কৰিব লাগে সেয়েহে এই সংক্ৰান্তত বিভাগত ব্যৱস্থা চলাই থকা হৈছে। (৩) L. D. Assistant পদ পূৰণৰ বাবে যাৱতীয় পৰীক্ষা অনুষ্ঠিত কৰিবলৈ ইতিমধ্যে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পৰা অনুমোদন জনোৱা হৈছে।

(৪) Grade- IV ৰ পদসমূহ পূৰণৰ অনুমোদনৰ বাবে ইতিমধ্যে বিত্ত বিভাগলৈ বিভাগীয় নথি প্ৰেৰণ কৰা হৈছে।

এইখিনিতে অৱগত কৰো যে, যিহেতু অসম ৰাজ্যিক সংগ্ৰহালয় অসমৰ বাবে ৰহণীয়া সংস্কৃতি আৰু জাতিৰ গৌৰৱৰ সৈতে জড়িত এক অনুষ্ঠান সেয়েহে এই জীৱন্ত দলিল স্বৰূপ সংগ্ৰহালয়ত সংগৃহীত সকলোবোৰ ইতিহাস বিজড়িত আপূৰুগীয়া সম্পদসমূহ যাতে কোনো প্ৰকাৰে নষ্ট হৈ যাব নোৱাৰে তাৰ বাবে ৰাজ্যিক সংগ্ৰহালয়ত কৰ্মৰত সকলো কৰ্মচাৰীৰ লগতে চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** - ধন্যবাদ । আমি এতিয়া পৰৱৰ্তী কাৰ্য্যসুচীলৈ যাব খুজিছো। আমাৰ স্থগিত

সংকল্প প্ৰস্তাৱত আছিল, কিন্তু লোকসভা ভঙ্গ হোৱাৰ লগে লগে সেইটো automatically infructuous হৈ গ'ল বিষয়টো, সেই কাৰণে মই ভাৱো যে সদনৰ সন্মতি সাপক্ষে সেই প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰিব খুজিছো। ঠিকে আছে নে? CAB ৰ কথাটো আছিল।

এতিয়া সংকল্প প্ৰস্তাৱ তিনিটা আছিলে, ইয়াৰে **১** নং সংকল্প প্ৰস্তাৱটো আমি লব বিচাৰিছো। আমাৰ কেইবাজনো বিধায়কে বেলেগে বেলেগে বানপানী আৰু গৰাখহনীয়াৰ সম্পৰ্কত প্ৰস্তাৱটো দিছিল। এই প্ৰস্তাৱটো মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী, কমলাক্ষ দে পুৰকাস্থ, জাকিৰ হুছেইন ছিকদাৰ, হাফিজ বছিৰ আহমেদ, আমিনুল ইছলাম, বিন্দাবন গোস্বামী তেখেতসকলে দিছে। এতিয়া প্ৰথমতে মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মীয়ে কব।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নি)**ঃ মাননীয় অধ্যক্ষ মহোদয়, পবিত্ৰ বিধান সভাৰ প্ৰক্ৰিয়া আৰু নিয়মাৱলীৰ মৰ্মে private member resolution ৰ শিতানত এই প্ৰস্তাৱটো উত্থাপন কৰিবলৈ যি সুযোগ দিলে, অসমৰ বৃহত্তৰ ৰাইজৰ স্বাৰ্থ জৰিত এটা বিষয়, ইয়াত প্ৰথমতে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো।

প্ৰস্তাৱটো হ'ল - প্ৰাক্ স্বাধীনতাৰ কালৰ পৰা মহাবাহু ব্ৰহ্মপুত্ৰৰ বানে অসমত প্ৰতি বছৰে বিভিষিকাৰ সৃষ্টি কৰি আহিছে। যাৰ ফলস্বৰূপে গৰাখহনীয়াকে ধৰি মানুহৰ ঘৰ-বাৰী শস্য সম্পত্তি পহুধন আদিৰ বিস্তাৰ ক্ষতিসাধন হয়। বান আৰু গৰাখহনীয়াৰ বাবে অসমৰ অৰ্থ-সামাজিক উন্নয়নৰ বাধাৰ সৃষ্টি হৈ পৰিছে। সেই হেতুকে অসমৰ বান আৰু গৰাখহনীয়াৰ সমস্যাটো ৰাষ্ট্ৰীয় দুৰ্য্যোগ হিচাপে স্বীকৃতি প্ৰদান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনাই আজি বিধান সভাত এটা সৰ্ব্বসন্মতি প্ৰস্তাৱ গ্ৰহণ কৰে লগতে অসম বিধান সভাৰ এটা প্ৰতিনিধি দলে কেন্দ্ৰীয় চৰকাৰক সাক্ষাৎ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। মই আশা ৰাখিছো আজি যেনেকৈ আমাৰ দেশৰ বাবে গৌৰৱৰ বিষয় চন্দ্ৰযান দ্বিতীয় সফলভাৱে অৱতৰণ প্ৰস্তাৱ গ্ৰহণ কৰিলো, আমাৰ গৌৰৱ স্বৰ্ণ কণ্যা হিমা দাসৰ আমি সম্বোধন জনাই, ধন্যবাদ জনাই প্ৰস্তাৱ গ্ৰহণ কৰিলো। বানপানী অসমৰ এটা ডাঙৰ বৃহত্তৰ সমস্যা, ৰাষ্ট্ৰীয় দুৰ্য্যোগ, ৰাষ্ট্ৰীয় সমস্যা হিচাপে কেন্দ্ৰীয় চৰকাৰে লব লাগে। ইয়াকে আজি পবিত্ৰ বিধান সভাত এই প্ৰস্তাৱটো মোকে লৈ কেইবাজনো সন্মানীয় বিধায়কে ইয়াত উত্থাপন কৰিব। শাসক বিৰোধীয়ে কোনো বিষয়টো ৰাজনীতিকৰণ নকৰি অসমৰ স্বাৰ্থত আশা ৰাখিছো আপোনালোক সকলোৱে গ্ৰহণ কৰিব। মই চমুকৈ বক্তব্য ৰাখিব বিচাৰিছো, যিহেতু সন্মানীয় জ্যেষ্ঠ বিধায়ক বৃন্দাবন গোস্বামী ডাঙৰীয়াই বক্তব্য ডাঙি ধৰিব বুলি কৈছে। আমি যদি জন্মু-কাশ্মীৰৰ বানপানী দেখা পালো আৰু বহু বছৰ ধৰি জন্মু - কাশ্মীৰৰ বানপানী নাই। কেৰেলাত বহু বছৰৰ মুৰত হৈছিল আৰু এতিয়া বৰ্তমান নাই। কিন্তু অসমৰ বানপানী, অসমৰ প্ৰত্যেক লোকে হওঁক, ভাৰতৰ লোকে হওঁক বৰ্তমান কেন্দ্ৰীয় চৰকাৰখনে নিশ্চয় অৱগত যে মহাবাহু ব্ৰহ্মপুত্ৰ পৃথিৱীৰ পাচঁখন মান নদীৰ ভিতৰত অন্যতম বিভিষিকা বানৰ সৃষ্টি কৰা নদী আজিৰ তাৰিখত, গোটেই পৃথিৱী অৱগত। আমি জিলা হিচাপে চাওঁ বা মাটি কালীৰ সংখ্যা হিচাপে এই পানীয়ে কিমান ক্ষতি কৰে যে **৩৮** জিলাৰ বিহাৰৰ যি ৰাজ্য মাত্ৰ **১২** খন জিলাতে ক্ষতিগ্ৰস্থ কৰে বানে। কেতিয়াবা খুব বেছি **১৪** খন বা **১৫** খন জিলাত ক্ষতিগ্ৰস্থ কৰে। কিন্তু অসমৰ প্ৰত্যেক বছৰে **৩৩** খন জিলাৰ ভিতৰত **৩০** খন জিলাতে বানে ক্ষতি কৰি আহিছে। বিদ্যালয়, মহাবিদ্যালয়,চৰকাৰী কাৰ্য্যলয় বন্ধ হৈ পৰা আদি কৰি আমাৰ PMGYS ৰাষ্টা, পানী যোগান আচঁনি, মথাউৰি ভঙাৰ পৰা আদি কৰি আমাৰ যিমান ক্ষয় ক্ষতি হয় কাজিৰঙাৰ জীৱ-জন্তুকে লৈ ইয়াক আমি মুখেৰে বা সৰু ভাষাৰে আমি বুজাব নোৱাৰিম। আমি যদি বানপানী বা ব্ৰহ্মপুত্ৰক লৈ বিভাগসমূহ চাওঁ, কেইটা বিভাগ জড়িত হৈ আছে, দেখা পাম যে CWC, NDM,

SDRF, NDRF লগতে বিভাগ কেইটা জৰিত হৈ আছে। লগতে Assam Human Right Commission ও কেইদিন মান আগত জড়িত হৈ পৰিল। বানত যে প্ৰত্যেক বছৰে মানুহৰ মৃত্যু হৈ আছে, জীৱ - জন্তুৰ মৃত্যু হৈ আছে, কেন্দ্ৰীয় চৰকাৰে, ৰাজ্য চৰকাৰে একো কৰিব পৰা নাই। সেই কাৰণে Assam Human Right Commission ও জড়িত হৈ পৰিলে এই বানপানীৰ লগত আৰু তিনিজনীয়া কমিটি Addl. Chief Secretary ক head হিচাপে লৈ আৰু দুজনীয়া প্ৰশাসনীক বিষয়াক লৈ এখন কমিটি গঠন কৰিবলৈ ৰাজ্যচৰকাৰক নিৰ্দেশনা দিয়ে। ইয়াৰ লগতে Human Right Commission য়ে two member division bench ও বনাই দিব লগা হৈছে। Human Right Commission য়ে বানপানীৰ লগত জড়িত হ'ব নালাগিছিল কিন্তু জড়িত হৈ পৰিল। Topographical study ৰ ওপৰতো বিভিন্ন পক্ষৰ পৰা ইতিমধ্যে আৰম্ভ হৈছে। ASRO বানপানীৰ লগত জড়িত হোৱা নাছিল, কিন্তু বানপানীৰ লগত জড়িত হৈ পৰিলে। Hydrological Data আমি যেনে ধৰণে বস্তুটো পাব লাগে অন্য দেশৰ লগত যেনেদৰে china ত কিমান পানী হৈছে, কিমান হয়তো হিমালয় পৰ্ব্বতৰ পৰা অৰুনাচল হৈ ভূটান হৈ আহিব। আমি china দেশৰ লগত ভাৰত চৰকাৰৰ Hydrological Data লগত জৰিত থকা বিষয়সমূহ যেনেধৰণে পাব লাগে সময়মতে নোপোৱাৰ ফলতো বহু ক্ষতি হৈ আছে। ইয়াৰ North Eastern Application System (NEAS) নামৰ এটা নতুন সংস্থাৰ জন্ম হৈছিল। ব্ৰহ্মপুত্ৰ বোৰ্ড আছে, ইয়াৰ লগতে North East Water Resource Authority (NEWRA) আহি পৰিল। বহু সমস্যা আছে কিন্তু বানপানীৰ সমস্যাটো আমি যেনে তেনেকৈ সমধান কৰিব লাগে। প্ৰত্যেক বছৰে যিমান টকা খৰছ হয়, সাহাৰ্য্য বিতৰণ কৰাৰ ক্ষেত্ৰতে হওঁক, বা বিভিন্ন ধৰণৰ অফিচৰ কামতে হওঁক আমাৰ বহু ক্ষতি হৈছে। যদিও প্ৰাক্ স্বাধীনতাৰ পৰা এই বানপানীৰ সৃষ্টি হৈ আহিছে, প্ৰত্যেকে নিশ্চয় উপলব্ধি কৰিছে আৰু তথ্যই কৈছে যে **১৯৫০** চনৰ ভূমিকম্পৰ পিছতে বহু পাহাৰিয়া অঞ্চল যেনে ভূটান আমাৰ কাষতে লাগি থকা অৰুণাচল, নাগালেণ্ড, মেঘালয় হওঁক সেই সময়ত ভুমিস্খলন হোৱাৰ ফলত সেই নদীয়ে sediment, sand আমাৰ উপনদীসমূহে লৈ আনিছিল। আজিৰ তাৰিখলৈকে অলপ অলপকৈ আনি আনি ব্ৰহ্মপুত্ৰত বান্ধ কৰি দিলে। এতিয়া ব্ৰহ্মপুত্ৰ খনন কৰিব লাগিব তাৰ কাৰণে পূজিৰ প্ৰয়োজন লগতে উপনদীসমূহো খনন কৰাৰ বাবেও আমাৰ পূজিৰ প্ৰয়োজন। মই সামৰিব বিচাৰিছো আমাৰ এজন সন্মানীয় ব্যক্তি হিমাংশু থাক্কাৰ যি আই আই টি গ্ৰেজুৱেট আৰু তেখেত এজন water activities। তেখেত এজন coordinator of the South Asia Network on Dams River on People । তেখেতে কৈছে যে অসমৰ গৰাখহনীয়া, অসমৰ মথাউৰিসমূহ মেৰামতি কৰিবৰ কাৰণে বা বিভিন্ন ধৰণৰ কামৰ কাৰণে কমেও **১০** হাজাৰ কোটি টকাৰ ওপৰত প্ৰয়োজন হ'ব আমি প্ৰত্যেক বছৰে **২** কোটি, **৩** কোটি টকা খৰছ হোৱাতকৈ আমি একেবাৰে যদি **১০** হাজাৰ কোটি টকা পাওঁ। পোৱাৰ ফলত মথাউৰিসমূহৰ মেৰামতি কাৰ্যই হওঁক অন্যান্য যিসমূহ দিশ আছে, সেইবোৰ যদি আমি বনাই নলওঁ তেতিয়া আমাৰ হয়তো ভৱিষ্যতৰ দিনৰ কাৰণে অসমখনত অন্ধকাৰ নামি আহিব।

**(মাননীয় অধ্যক্ষৰ আসনত সভাপতি শ্ৰীদেৱানন্দ হাজৰিকা)।**

ইতিমধ্যে বহু মাটি জাহ গ'ল, লক্ষ্য লক্ষ্য মাটি, আৰু যেন লক্ষ্য লক্ষ্য মাটি জাহ নাযাওঁক ব্ৰহ্মপুত্ৰ নদীত আৰু মানুহৰ মৃত্যু নহওক, পশুধনৰ মৃত্যু নহওঁক ইয়াৰ কাৰণে আমি নিশ্চয় চিন্তা কৰিব লাগিব। এইখিনিতে মই কব বিচাৰিছো সন্মানীয় পূৰ্বৰ সচিব জলসম্পদ বিভাগৰ এ, কে, মিত্ৰই এবাৰ তেখেতে এটা প্ৰতিবেদন দাখিল কৰিছিল। তেখেতৰ প্ৰতিবেদনত কৈছিল যে আমি physi-

ographic condition of the valley আৰু geological লগতে geomorphology examination যদি আমি নকৰো, seismicity, landslide, encroachment on the riverine area সেই বিষয় সমুহলৈ আমি যদি নাচাওঁ, যদি বহুত মানুহ ব্ৰহ্মপুত্ৰৰ চাপৰিত আছে, সেই চাপৰিবোৰ আমি ভাঙিব লাগিব, পানীবোৰ ওলাই যাবৰ কাৰণে। হয়তো আমি সেই চাপৰিত থকা মানুহখিনিক নদীৰ কাষলৈ অন্য বেলেগ মাটি দিব লাগিব। অৰ্থাৎ আমাৰ টকাৰ প্ৰয়োজন আছে। সেয়ে মানুহবোৰ পুনৰ সংস্থাপিত কৰিবই লাগিব আমি নিশ্চয়। খনন কাৰ্য্য কৰিবই লাগিব। ব্ৰহ্মপুত্ৰৰ পানী ওলাই যোৱাৰ কাৰণে হয়তো কৰবাত বাধাৰ সৃষ্টি হৈ আছে। আমাৰ বহু মঠাউৰি আছে, যি মঠাউৰিৰ প্ৰায় ৪০ বছৰ ৪৫ বছৰ ৫০ বছৰ হৈ গ'ল। কিন্তু এটা মঠাউৰিৰ C.W.C, Central Water Commission কে আদি কৰি Disaster Management,তে কৈ আছে, যে এটা মঠাউৰিৰ ম্যাদ থাকে ২৫ বছৰ। এই মঠাউৰিবোৰৰ বহু মঠাউৰি বৰ্তমান চৰকাৰে কম বেছি পৰিমাণে মেৰামতি কৰিছে। বহু মঠাউৰি কিন্তু এতিয়াও মেৰামতি কৰিব পৰা নাই। চমুকৈ ক'ব গলে অসমত বান পানী এটা ৰাষ্ট্ৰীয় দুৰ্য্যোগ। আজি এই পবিত্ৰ দিনটোত সৰ্বসন্মতি ক্ৰমে এই প্ৰস্তাৱটো ৰাষ্ট্ৰীয় দুৰ্য্যোগ হিচাপে গ্ৰহণ কৰাত সকলোৱে যদি সন্মত হয় মোৰ দৃঢ় বিশ্বাস কেন্দ্ৰীয় চৰকাৰৰ পৰা আমি পুজি পাবলৈ সক্ষম হম আৰু অসমৰ বৃহত্তৰ স্বাৰ্থত আমি সকলোৱে শাসক বিৰোধীয়ে একেলগে মাত মাতিব লাগিব। আশা ৰাখিছো এই প্ৰস্তাৱটো এই পবিত্ৰ বিধান সভাত প্ৰত্যেক সন্মানীয় সদস্যই সমৰ্থন জনাব, আৰু ৰাষ্ট্ৰীয় দুৰ্য্যোগ হিচাপে বানপানীৰ এই সমস্যাটো, গড়াখহনীয়াৰ সমস্যাটো স্বীকৃতি দিব। ধন্যবাদ।

**সভাপতি** ঃ-ধন্যবাদ কুৰ্মী ডাঙৰীয়া, এতিয়া মই বৃন্দাৱন গোস্বামী ডাঙৰীয়াক ক'বলৈ অনুৰোধ জনাইছো।

**শ্ৰী বৃন্দাৱন গোস্বামী, সদস্য** ঃ- মাননীয় সভাপতি ডাঙৰীয়া, আজি এই বিষয়টো উত্থাপন কৰিবলৈ দিয়াৰ কাৰণে মই ধন্যবাদ জনাইছো। ইয়াত দুটা প্ৰস্তাৱ, আজি যিটো মোৰ প্ৰস্তাৱ সেই প্ৰস্তাৱটোত যিখিনি কথা আছে এইখিনিৰ লগত মোৰ অলপ পাৰ্থক্য আছে। কিয়নো দুয়োটা বিষয় যিহেতু একে, গতিকে মোৰ নামটো একেলগে দিয়া হৈছে। কিন্তু মই যিটো প্ৰস্তাৱ আনিছো তাৰ বেলেগ এটা অৰ্থ আছে। সেয়ে আপোনালোকৰ অনুমোদন সাপেক্ষে মই যিটো প্ৰস্তাৱ আনিছিলো, সেইখিনি পঢ়ি দিবলৈ বিছাৰিছো। অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ১১৫ নং নিয়মৰ অধীনত তলত উল্লেখ কৰা সংকল্প প্ৰস্তাৱটো উত্থাপন কৰিব বিছাৰিছো, অনুমতি প্ৰদান কৰে যেন। আন্তঃৰাষ্ট্ৰীয় আৰু আন্তঃৰাজ্যিক সীমাৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ আৰু নৈ সমুহে যুগ যুগ ধৰি বানপানী আৰু খহনীয়াৰ সমস্যাৰ সৃষ্টি কৰি অসমত বিস্তৰ ক্ষতি কৰি আহিছে। এই ব্যাপক সমস্যা অসমে অকলে সমাধান কৰিব নোৱাৰে। সেয়ে অসম বিধান সভাই অসমৰ বানপানী আৰু খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা ৰূপে লৈ কেন্দ্ৰীয় চৰকাৰক সমাধানৰ বাবে ব্যৱস্থা জনাবলৈ আহ্বান জনাই প্ৰস্তাৱ গ্ৰহণ কৰে যেন। ইয়াতে একেখিনি কথাই কোৱা আছে। কিন্তু ইয়াত কি কাৰণেনো ইয়াক ৰাষ্ট্ৰীয় সমস্যা ৰূপে ল'ব লাগে। দ্বিতীয়তে ৰাষ্ট্ৰীয় সমস্যা ৰূপে ল'বৰ হ'লে ইয়াৰ যুক্তি কি? এনেবোৰ সমস্যাৰ কাৰণে বিস্তৰ ক্ষতি হয়। সকলো ৰাজ্যতেই হৈ আছে, কিন্তু অসমৰ ব্ৰহ্মপুত্ৰৰ সমস্যাটোৰ বৈশিষ্ট্য কি যিটোৰ কাৰণে ৰাষ্ট্ৰই সমস্ত দায়িত্ব ল'ব লাগে। এইখন বিধান সভাৰ মজিয়াত আমি এই বিষয়টো কতবাৰ আলোচনা কৰো, আৰু বানপানী অহাৰ লগে লগে, চাৰিও ফালে হুলস্থুল, গৰু ম'হৰ দানাৰ পৰা আৰম্ভ কৰি চাউল দিয়াৰ পৰা আৰম্ভ কৰি এই কেইটা দিন কাগজে-পত্ৰই ও খবৰ আহে কোনে কি পালে, নে নাপালে? এতিয়া আৰু আকৌ অক্টোবৰ মাহ আহিব, পূজা আহিব।

সময়বিলাক পাৰ হৈ যাব আৰু লক্ষ্য লক্ষ্য মানুহ সৰ্বস্বান্ত হোৱা মানুহবিলাক ক'ব নোৱাৰাকে হেৰাই যাব। এইটো সদায় হৈ আহিছে এইটো সমাধান কৰিব নোৱাৰাৰ কাৰণ কি? এইটো কৰিব নোৱাৰাৰ কাৰণটো অসম চৰকাৰে এই সমস্যাটো সমাধান কৰিব পাৰিব নে নোৱাৰে? নিজৰ এক্টৰ ভিতৰত এই ক্ষমতা চৰকাৰখনৰ আছে নে নাই? আজি আমাৰ বিধান সভাত এইবিলাক বিষয় আলোচনা কৰিয়েই আছে, চৰকাৰ আহিছে, কিন্তু তেখেত সকল ইয়াত আছিল, ইফালৰখিনি তাত আছিল, অদল বদল হৈয়ে আছে। আমি আৰু অধ্যক্ষক লৈও বহুতবাৰ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত এই বিষয় বিলাক লৈ মেম'ৰেণ্ডাম দিছো। আজি নাই কৰা বুলিও নকওঁ। কাৰণ ১৯৭২ চনত ব্ৰহ্মপুত্ৰ বোৰ্ড গঠন হওঁতে যিজনে মুখ্য ভুমিকা লৈছিল, তেওঁ কে.ৰাও, চেণ্ট্ৰেল মিনিষ্টাৰ আছিল আৰু তেওঁ এজন অভিযন্ত্ৰাও আছিল। তেওঁ নিজে এই বিষয়টো অধ্যয়ণ কৰি এই সিদ্ধান্ত লৈ ব্ৰহ্মপুত্ৰ বোৰ্ডখন গঠন কৰিছিল। তাৰ দাস গুপ্তা নামৰ, কমৰাও নামৰ ভালেকেইজন বিশিষ্ট্য অভিযন্তা ইয়ালৈ আহিছিল। তেওঁলোকে প্ৰথমে জোৰ দিছিল investigation ত বিষয়টো অনুসন্ধানত। বিষয়টো যথেষ্টখিনি ভালভাৱে আগবাঢ়িছিল। আমি জনাত কেন্দ্ৰীয় মন্ত্ৰীয়ে নিজেও তদাৰক কৰিছিল। কাম ভলেখিনি আগবাঢ়িল। তাৰ পাছত আৰু আকৌ বিপৰ্যয় বিলাক আহিল।ব্ৰহ্মপুত্ৰ বোৰ্ড গতানুগতিক হৈ পৰিল। কামবিলাক সেই দৰে আগবাঢ়ি নগ'ল। ইয়াৰ পাছতো বিভিন্ন সময়ত, আমাৰ এই বিষয় বিলাকলৈ আলোচনা হৈছিল। শেহতীয়াভাৱে ১৯৯৫-২০০০ চনত প্ৰধান মন্ত্ৰী ড° মনমোহন সিঙৰ নেতৃত্বত দুৰ্য্যোগ ব্যৱস্থাপনাৰ ৰাষ্ট্ৰীয় সমিতি National Committee on Disaster Management, এই কমিটিখন বহিছিল। কিন্তু ৰাষ্ট্ৰীয় দুৰ্য্যোগ, ৰাষ্ট্ৰীয় সমস্যা, ইয়াৰ সংজ্ঞাটো কি হ'ব সেই সংজ্ঞাটো দিবলৈ তেওঁলোকো সক্ষম ন'হল। এনে বহু প্ৰক্ৰিয়া চলিল আৰু এইটো ৰাষ্ট্ৰীয় সমস্যা যে লব লাগে তাৰ কতো এটা সংজ্ঞা ঠিক কৰিব নোৱাৰিলে। বিভিন্ন সময়ত টকা পইচা দিছে। কিন্তু মূল কথা হৈছে, সভাপতি ডাঙৰীয়া আমাৰ মুল সমস্যাটোত আন্তজাৰ্তিক এটা সম্পৰ্ক আছে, এই নদীখনৰ। য'ত চম্পু নাম লৈছে, তাৰ বিভিন্ন নাম আছে, আমাৰ নমামী মহোৎসৱ পাতোটে যোৱাবাৰ এইটো বিষয় লৈ বহুত আলোচনা হৈছে। সৰ্বাধিক আলোচনা তাত হৈছিল। বহুতো লেখা-মেলাও হৈছিল আৰু সেই কাৰণে বহুতো তথ্য-পাতি আহিছিল। তাৰ ভিতৰত চাম্পু য'ত নদীখন তিব্বতত আৰম্ভ হ'ল সেই নদীখন বৈ অহা অংশটোত তিনিটা অংশ অৰুণাচলৰ পৰা যিটো নামিল, দিহিং, দিবাং আৰু চিয়াং। চিয়াং নদীৰ ৩০ শতাংশ পানী, ব্ৰহ্মপুত্ৰৰ যিখিনি পানী আহে, তাৰ ৩০ শতাংশ অকল চিয়াংয়ে লৈ আহে। এতিয়া বৰফবিলাক গলিবলৈ লৈছে। পানী আৰু বাঢ়িব, নদীৰ সোঁত বিলাক বাঢ়িব, আৰু এইদৰে চাৰিওফালে উপদ্ৰপ বাঢ়িব। গতিকে এই নদীখন বৈ গৈ ৬০০ কিঃমিঃ মেঘনা, গংগা, যমুনা লগ হৈ বঙ্গোপসাগৰত পৰিছে। নদী য'ত পৰিছেগৈ তাত যথেষ্ট বালি জমা হৈছে। তাতো সমস্যাৰ সৃষ্টি কৰিছে। ঠিক একেদৰে আমাৰ কাষৰীয়া যিবিলাক ৰাজ্য সেই ৰাজ্যৰ পৰা উত্তৰ অংশৰ যিবিলাক ৰাজ্য আছে, ইয়াৰ পৰা যিমানবোৰ নদী বৈ আহিছে, তেওঁলোকৰ Source টো খুব ওচৰত। আমাৰ গাই নদীখন বোধহয় ১২ কিঃমিঃ মান হ'ব। বৰযুণ অহাৰ লগে লগে বিশাল যিটো পানীৰ স্ৰোতাধাৰ আহে, আহি ব্ৰহ্মপুত্ৰত পৰে। এফালৰ পৰা ভাঙি-চিঙি আহে। ঠিক তেনেকৈ দক্ষিণ বাহিনীৰ যিবিলাক বা উত্তৰ বাহিনীৰ যিবিলাক এই নদীবিলাকৰ লগত আমাৰ কাষৰীয়া ৰাজ্যবোৰ জড়িত হৈ আছে। গতিকে প্ৰত্যেকখন ৰাজ্যত আমি যদি চাওঁ, ১৮৯৮ চনত যিটো বৰভুঁইকপ হ'ল সেই বৰভূঁইকপ হোৱাৰ পাছতে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ ভৌগলিক অৱস্থিতিৰ পৰিবৰ্তন হ'ল ইয়াৰ পাছত পৰ্য্যায় ক্ৰমে ১৯৫০ চনত যিটো বৰভূঁইকপ হ'ল, ইয়াৰ পাছত নদীৰ গভীৰতা নোহোৱা হৈ গ'ল। প্ৰত্যেকখন নদী-উপনদীৰ যিমান ব্ৰহ্মপুত্ৰৰ কাষৰীয়া সকলোৰে বুকুবিলাক ওপৰলৈ উঠি

আহিল। প্ৰত্যেকবিলাক নদীৰে বেলেগ বেলেগ চৰিত্ৰ আছে। ইয়াৰ বাবে আমাৰ ব্ৰহ্মপুত্ৰ বোৰ্ডে যি River Research Centre কৰিলে, তাৰ জৰিয়তে প্ৰত্যেকখন নদীৰ ওপৰতে গৱেষণা কৰাৰ দৰকাৰ। গৱেষণা কৰিলেহে সমস্যাবোৰৰ মীমাংসা হ'ব। অসম চৰকাৰে যদি অকল জলসম্পদ বিভাগকে দায়িত্ব দিয়ে, তেন্তে হয়তো সমস্যাবোৰৰ মীমাংসা কৰিব নোৱাৰিব। অসম চৰকাৰে অকলশৰে গৰা-খহনীয়াৰ সমস্যাটো মীমাংসা কৰিব নোৱাৰে। ইয়াৰ বাবে ওচৰ-চুবুৰীয়া ৰাজ্য বোৰৰ লগত সম্পৰ্ক কৰিবই লাগিব। ঠিক তেনেদৰে, আন্তৰ্জাতিক পৰ্যায়ত বাংলাদেশ, ভূটান আৰু চীনৰ লগত ৰাজ্য চৰকাৰৰ কৰ্তৃত্ব বৰ কম। সেয়েহে, এই সমস্যাটো সমাধানৰ উপায় উলিয়াবৰ বাবে ইয়াক ৰাষ্ট্ৰই গ্ৰহণ কৰিব লাগিব। কয়লা, পেট্ৰ'ল আদি ৰাষ্ট্ৰীয় সম্পদ আৰু ইয়াৰ সমস্যাবোৰ যদি ৰাষ্ট্ৰীয় সমস্যা হয়, তেন্তে কেতবোৰ বিশেষ ৰাজ্যৰ বিশেষ সমস্যাবোৰক কিয় ৰাষ্ট্ৰীয় সমস্যা হিচাপে পৰিগণিত কৰিব নোৱাৰিব? আমাৰ যি সমস্যা এইটো সমাধানৰ বাবে আন্তঃৰাজ্যিক সহযোগ নহ'লে বৰ্তমান আমাৰ যি বিস্তৰ ক্ষতি হৈ আছে তাৰ সমাধান নহ'ব। ম্যানমাৰত থকা ইৰাৱতী নদীখন নিয়ন্ত্ৰণ কৰাৰ ফলত ই এতিয়া কোনো ধৰণৰ অসুবিধাৰ সৃষ্টি কৰা নাই আৰু ই এতিয়া ৰাইজৰ বাবে আশীৰ্বাদ স্বৰূপ। আমাৰ কৃষি মন্ত্ৰী যেতিয়া ভিয়েটনামলৈ গৈছিল তেতিয়া মই তেখেতক সুধিছিলো যে তাত এনে ধৰণৰ সমস্যা আছে নেকি? তেতিয়া তেওঁ কৈছিল যে তাৰ মথাউৰি বোৰেই চাবলগীয়া। কিন্তু, ভিয়েটনামত যি ধৰণেৰে সমস্যাবোৰৰ মীমাংসা কৰিছে, সেইটো আমাৰ লগত নিমিলে। সভাপতি মহোদয়, শ্ৰী দুলাল গোস্বামী এগৰাকী বিশিষ্ট নদী বিশেষজ্ঞ, তেওঁ পৃথিৱীৰ অতি ভয়ংকৰ আৰু খৰস্ৰোতা চাৰিখন নদীৰ ভিতৰত ব্ৰহ্মপুত্ৰ নদীও অন্যতম বুলি লিখিছে। তেখেতে আকৌ লিখিছে যে ব্ৰহ্মপুত্ৰ দলঙৰ পৰা ডিগবৈলৈ যদি এখন এখন ট্ৰাক থৈ দিয়া যায় আৰু ব্ৰহ্মপুত্ৰত যিমানবোৰ জাবৰ-জোঁথৰ আছে সকলোখিলি যদি বোৱাই দিয়া হয় তেন্তে সেই জাবৰেৰে প্ৰত্যেকখন ট্ৰাকেই ভৰ্তি হৈ যাব। গতিকে এই নদীখন কিমান ভয়ংকৰ আৰু কিমান জাবৰ-জোঁথৰ ই বোৱাই লৈ গৈছে, যাৰ ফলত নদীৰ গেদবোৰ ওপৰলৈ আহিছে। গতিকে গৰাখহনীয়া সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হয় নে নহয়, ইয়াক মীমাংসা কৰাৰ বাবে আজি সদনত বিতৰ্কৰ সৃষ্টি হৈছে। কিন্তু, এই সমস্যাটো আমি গভীৰ ভাৱে অধ্যয়ন কৰি ৰাষ্ট্ৰক পতিয়ন নিয়াব লাগিব আৰু সমস্যাটো যিহেতু আমাৰ সমস্যা গতিকে আমিও যুক্তিৰে প্ৰতিপন্ন কৰিব লাগিব যে এই সমস্যাটোক ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দিব লাগে।

আনহাতে, মোৰ সমষ্টিৰ দিপতা নদীখন কিয় ইমান বেকাঁ আৰু কিয় ইমান siltation হৈছে, তাৰ ওপৰত মুকুল মহন্ত ডাঙৰীয়াই এটা অধ্যয়ন কৰিছিল। গহপুৰৰ ছত্ৰং নদী, বিহপুৰিয়াৰ গোলপাং নদী, জীয়া-ভৰালী, গাই নদীৰো ঠিক একেই অৱস্থা। নদীখন কোনফালেৰে কেনেকৈ বৈছে তাৰ কোনো সঠিক গতি নাই। গতিকে এই গোটেইবোৰ বিষয়ৰ লগত ওচৰ-চুবুৰীয়া ৰাজ্যবোৰো জড়িত। সেয়েহে, অসমৰ গৰাখহনীয়া সমস্যাটোক ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দিবই লাগিব আৰু ভাৰত চৰকাৰে এই কথাত পতিয়ন যাবই লাগিব। অসম চৰকাৰৰ যি পুঁজি, সেই পুঁজিৰে আমি ডাঙৰ কাম একো কৰিব নোৱাৰো। সেয়েহে, আজিৰ দিনটোত আপোনাৰ যোগেৰে মই চৰকাৰক অনুৰোধ জনাইছো যাতে এই সমস্যাটোক ৰাষ্ট্ৰীয় সমস্যা হিচাপে তাৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰে। আজি গংগা নদীৰ ক্ষেত্ৰত এনে অসুবিধাৰ সৃষ্টি হোৱা নাই। কাৰণ এই নদীখন দীঘল নদী। গতিকে অন্য নদীৰ লগত ব্ৰহ্মপুত্ৰক ৰিজালে নহ'ব।

প্ৰয়াত বিধায়ক দিলীপ শইকীয়া সোণোৱাল ডাঙৰীয়াই বান-খহনীয়া সন্দৰ্ভত এবাৰ সদনত উত্থাপন কৰিছিল যে সাগৰৰ খহনীয়াৰ বাবে চৰকাৰে যদি সকলো সাহাৰ্য দিব পাৰে তেন্তে নদী

খহনীয়াৰ বাবে কিয় দিব নোৱাৰে? আইনত নদী খহনীয়াৰ বাবে আৰ্থিক সাহাৰ্য দিয়াৰ কোনো ব্যৱস্থা নাই। তেওঁ এই কথাবোৰ অকল ইয়াতে উত্থাপন কৰাই নহয়, ভাৰত চৰকাৰক বহুতো তথ্যৰে যুক্তি দি চিঠিও প্ৰেৰণ কৰিছিল। ২০০৭ চনত ২,২৮,০০০ হেক্টৰ মাটি গৰাখহনীয়াৰ ফলত নদীত জাহ গৈছিল। প্ৰতি বছৰে কমেও ৮ হাজাৰ হেক্টৰ মাটি নদীত জাহ গৈ আছে। কিন্তু এই সমস্যাটো আমাৰ বাজেটৰ এইখিনি পুঁজিৰে সমাধান কৰাটো সম্ভৱ হ'বনে? গতিকে মই এই প্ৰস্তাৱটোৰ লগত মোৰ প্ৰস্তাৱটো টানি অনাৰ কাৰণটো হৈছে, এই কেওটা দিন আলোচনা হৈছে যে অসমৰ ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ সমস্যা কিয় ৰাষ্ট্ৰীয় সমস্যা হ'ব নোৱাৰে? মনমোহন সিং ডাঙৰীয়া National Disaster Management Committee ৰ সভাপতি আছিল যদিও তেখেতে ইয়াৰ সংজ্ঞাটো ঠিক কৰিব নোৱাৰিলে। আজি কোনো বিধায়ক বিৰোধীত আছে, কোনোবা চৰকাৰ পক্ষত আছে, কিন্তু সকলো বিধায়কেই এই সমস্যাৰ সন্মুখীন হৈছে। বানপীড়িত অঞ্চলত বানাক্ৰান্তক চাউল-দাইল বিলাব লগীয়া হৈছে, প্ৰত্যেকেই Health Camp পাতি check-up কৰিব লগীয়া হৈছে। গতিকে এই সমস্যাক কোনো দল বা চৰকাৰৰ সমস্যা বুলি নধৰি অসমৰ জাতীয় জীৱনৰ প্ৰতি অহা এটা প্ৰত্যাহ্বানৰ মূল সমস্যা হিচাপে লৈ সকলোৰে একেলগে গোট খাই চৰকাৰকো সহযোগ কৰি এই বিষয়টোক এটা ৰাষ্ট্ৰীয় সমস্যা হিচাপে গণ্য কৰাৰ কাৰণে চেষ্টা চলোৱা উচিত। মই ভাৱো, চৰকাৰে এই প্ৰস্তাৱটো অনাৰ উদ্দেশ্য কাৰোবাক সমালোচনা কৰিবৰ কাৰণে নহয়। সমগ্ৰ জাতিটোৱে সন্মুখীন হোৱা এই সমস্যাটোৰ ক্ষেত্ৰত ৰাষ্ট্ৰই যাতে দায়িত্ব লয়। কাৰণ দিল্লীত যি সকল আছে তেখেতসকলে এই কথাখিনি জানিবৰ কাৰণে, তেওঁলোকক পতিয়ন নিয়াবৰ কাৰণে এই কথাবোৰ তাত যুক্তিৰে প্ৰতিপন্ন কৰিব লাগিব। মই ভাৱো এই প্ৰস্তাৱটো আজিৰ বিধান সভাৰ আটাইতকৈ প্ৰয়োজনীয় বিষয়। কাৰণ ইয়াৰ পৰা উভতি গ'লে সভাপতি ডাঙৰীয়া, আপুনিও লক্ষ্য কৰিব যে এই খহনীয়াৰ ফলত ঘৰ-বাৰী সকলো উটি গৈছে, মানুহ ভাহি গৈছে, সকলো সৰ্বহাৰা হৈছে। এই সমস্যাটো আমি বাৰে বাৰে সন্মুখীন হ'ম যদিহে এই ক্ষেত্ৰত পদক্ষেপ লোৱা নহয়।

এইখিনিতে মই এটা দুৰ্ভগীয়া ঘটনা উল্লেখ কৰিব বিচাৰিছো। এঠাইত মই আমাৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত নিৰ্বাচনৰ কামত ব্যস্ত থাকোতে সেইদিনা ৰাতিৰ ভিতৰতে ঘূৰি আহিছিলো আৰু আহোতে ডিক্ৰাং নদী পালো। সেই নদীত এখন ভুৰত সাতটা মান শিশুৰ মৃতদেহ উটি অহা দেখা পালো। মই সেই ফটো আজিও সযতনে ৰাখিছো। কিন্তু, তেওঁলোকক সমাধিস্থ কৰিবলৈ অকণো মাটি নাই । পানীত উটি ভাহি অহা সেই শিশুকেইটাক একেলগে বান্ধি এখন ভুৰত উটাই দিয়া হৈছে। এনে মৰ্মান্তিক বেদনাদায়ক ঘটনা পৃথিৱীৰ ক'ৰবাত আছেনে? মই বিৰোধী বা চৰকাৰী পক্ষৰ কথা কোৱা নাই। টেমচ্ নদীৰ যদি এক আশীৰ্বাদ কৰি তুলিব পাৰি, তেনেহ'লে ব্ৰহ্মপুত্ৰক কিয় নোৱাৰি। ইয়াৰ কাৰণে আমাৰ আৰু দৃঢ় দৃষ্টি লাগিব। এই ক্ষেত্ৰত ভাৰত চৰকাৰে কিবা মন্তব্য দিব পাৰে মই নাজানো। মই আজি প্ৰথম প্ৰস্তাৱটোৰ সমৰ্থন কৰি কৈ আছো। কিন্তু মোৰ প্ৰস্তাৱটো অলপ সুকীয়াকৈ এই কাৰণেই দিব বিচাৰিছো। কেন্দ্ৰীয় চৰকাৰে ইয়াৰ দায়িত্ব ল'ব লাগিব। কাৰণ অসম চৰকাৰে কেৱল ৩৪ শতাংশ নিজে উপাৰ্জন কৰে আৰু বাকীখিনিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰে। সেয়েহে এনেকুৱা এখন ৰাজ্যই এনেকুৱা এটা ভয়ঙ্কৰ পৰিস্থিতি মোকাবিলা অকলে ক ৰিব নোৱাৰে। গতিকে অসমৰ এই সমস্যাটো এটা ৰাষ্ট্ৰীয় সমস্যা আৰু ৰাষ্ট্ৰই ইয়াৰ মীমাংসা কৰিবলৈ আগবঢ়ি আহক। মই বাতৰি কাকতত দেখি ভাল পাইছো যে প্ৰায় এশ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰ খনন কাৰ্য্যটো পৰ্য্যবেক্ষণ কৰিবৰ বাবে। গতিকে আমি ভাৰত চৰকাৰক আহ্বান জনাইছো এই বানপানীৰ সমস্যাটো পৰ্য্যবেক্ষণ কৰিবৰ কাৰণে। এই অঞ্চলৰ যি ভয়ঙ্কৰ দিন

আহিছে, আমি কেতিয়াবা ক'ব নোৱাৰাকৈ এই সমাজখন নোহোৱা হৈ পৰিব। কোন ক'লৈ যাব কোনেও গমেই নাপাব। আজিৰ মূল বিষয়টো হৈছে এই বানপানীৰ সমস্যাটো অসম চৰকাৰে অকলে মোকাবিলা কৰিব নোৱাৰে। সেইকাৰণে ৰাষ্ট্ৰৰ সহযোগ লাগিব। ৰাষ্ট্ৰীয় সমস্যাটোৰ বাবে সংজ্ঞাৰ অভাৱ নাই। যিহেতু ৰাষ্ট্ৰীয় সমস্যাৰ সংজ্ঞা আমি দিব পৰা নাই । সেই সংজ্ঞাটো অতি স্পষ্ট। আন্তঃৰ্জাতিক সীমাৰে বৈ অহা নদীখনৰ বাবে আন্তঃৰ্জাতিক সহযোগ লাগিব। আন্তঃৰাজ্যিক নদীসমূহৰ লগত জড়িত হৈ থকা কুৰুচি নদীখনৰ পানী এৰি দিছে যাৰ বাবে বৰ্তমান নলবাৰী,বঙ্গাইগাওঁ আদি ঠাই সমূহৰ ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। ওৰাং নদীয়েও আপোনাৰ সমষ্টিত ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। এই পৰিস্থিতি মীমাংসা কৰাৰ একমাত্ৰ উপায় হৈছে ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিব লাগে। ৰাষ্ট্ৰীয় সমস্যাৰ ব্ৰহ্মপুত্ৰক লোৱাৰ অৰ্থ এইটো নহয় যে কেৱল মহানদী সমূহক ল'ব লাগিব। ইয়াৰ অৰ্থ এইটো নহয় যে কেৰেলাক ল'ব লাগিব। তাৰ অৰ্থ এইটো নহয় যে ভাৰতৰ প্ৰত্যেক ৰাজ্যই দাবী কৰিব। যিটোৰ আশংকা ভাৰত চৰকাৰে কৰিছে। গতিকে আমি এইটো পতিয়ন নিয়াব লাগিব যে এনেকুৱা এটা ভয়ংকৰ অৱস্থাত গোটেই উত্তৰ-পূৰ্বাঞ্চল নিশ্চিহ্ন হ'ব ওলাইছে। গতিকে এইখন ঠাইত নতুন দিনৰ সভ্যতা সহজে গঢ় লৈ উঠিব। ধ্বংসৰ পৰিৱৰ্তে ই এক নতুন ৰূপ ল'ব। যিদৰে ইৰাৱতীয়ে আজি এটা নতুন ৰূপ দিছে ঠিক একেদৰে পৃথিৱীৰ বহুতো নদ-নদীয়ে কৈল্যাণকামী অনুষ্ঠান আৰু শক্তি হিচাপে গঢ় লৈ উঠিছে। গতিকে আপোনাৰ যোগেদি মই অসম চৰকাৰ আৰু বিভিন্ন সংগঠন আগবাঢ়ি আহিবলৈ অনুৰোধ জনাইছো আৰু এই প্ৰস্তাৱটোৰ জৰিয়তে আমি এটা মতামত লওঁ যাতে এই সমস্যাটো কেৱল অসম চৰকাৰে সমাধান কৰিব নোৱাৰে। ৰাষ্ট্ৰই ইয়াৰ সমাধান কৰিব লাগিব। ৰাষ্ট্ৰই ইয়াৰ দায়িত্ব লবৰ বাবে ৰাষ্ট্ৰীয় সমস্যাৰ বেলেগ সংজ্ঞা নাই। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াই ক'ব।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি সংকল্প প্ৰস্তাৱৰ যোগেদি এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন হৈছে আৰু এই সংকল্প প্ৰস্তাৱটো আজি আলোচনা কৰিব দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। অসমৰ যিটো বান আৰু গৰাখহনীয়া সমস্যা আছে, সেইটো নতুন সমস্যা নহয় আৰু এই সমস্যাটোৰ বাবে প্ৰত্যেক বছৰে আমি মানসিকভাৱে প্ৰস্তুত হৈ থাকো যে বানপানী হ'ব। কেতিয়াবা হয়তো জুন-জুলাই বা কেতিয়াবা জুলাই, আগষ্ট, চেপ্তেম্বৰ মাহত হয়। কেতিয়াবা হয়তো বানপানী দুই এখন জিলাত হয় আৰু কেতিয়াবা সমগ্ৰ অসমতে হয়। এনেকুৱা বানপানীত কেনেকুৱা অৱস্থা হয়, আমি সকলোৰে জানো। ভুক্তভোগীৰ ওচৰলৈ আমি জনপ্ৰতিনিধিসকল যাব লাগে। এই সদনলৈ অহাৰ আগতে নাওঁ লৈ মই মোৰ সমষ্টিৰ বিভিন্ন অঞ্চললৈ গৈছিলো আৰু তাত গৈ দেখা পাইছিলো যে এসপ্তাহ মানলৈকে বহুত মানুহ এতিয়ালৈকে ঘৰৰ চালত বা চাং পাতি বা কলৰ ভোৰত থাকিব লগা হৈছে। য'ত এসপ্তাহলৈকে তেওঁলোকৰ ভাত বা খাদ্য সামগ্ৰী বনোৱাৰ কোনো সম্ভাৱনাই নাই। এইখিনি হ'ল মানুহৰ খোৱা-বোৱাৰ সমস্যা। তাৰ লগতে মানুহ শোৱা, সম্পত্তি ৰক্ষণা-বেক্ষণ আদিৰ বিভিন্ন সমস্যাৰ সৃষ্টি হয়। কিন্তু বানপানী যেতিয়া কমি যায় তাৰ পিছতো দেখা যায় যে বিভিন্ন ধৰণৰ মহামাৰী, পশুধনৰ বিভিন্ন বেমাৰ আদিয়ে সেই অঞ্চল সমূহত দেখা দিয়ে। তাৰ ফলত বহু লোক আৰু পশুধনৰ মৃত্যু হয়। পানী শুকুৱাৰ পিছত তাৰ টিউবেলৰ পানী খাই মানুহৰ গ্ৰহণী আদিৰ দৰে ৰোগ হয়। এই সমস্যাসমূহ বিভিন্ন দিনলৈ থাকি যায়। ইয়াতকৈ ডাঙৰ সমস্যাটো হৈছে, বানপানীৰ ফলত কৃষিৰ ক্ষয়-ক্ষতি হয়। অসমত ৭০ শতাংশই কৃষিজীৱি লোক। তেওঁলোকৰ খেতি-পথাৰ বিধ্বস্ত হয়, আৰু যিসকল মৎস্য পালন কৰে তেওঁলোকৰ

সকলো মাছ ফিচাৰীৰ পৰা ওলাই যায়। লক্ষ্য লক্ষ্য টকাৰ মাছ তেওঁলোকৰ ফিচাৰীৰ পৰা ওলাই যায়। এই এক বছৰৰ ক্ষতি তেওঁলোকে দুই-তিনি বছৰতো মেকাপ কৰিব নোৱাৰে। SDRF ৰ Norms তেওঁলোকক যিটো ক্ষতি পূৰণ দিয়া হয়, সেই নিয়ম মতে কাৰোবাৰ যদি পকাঘৰ ভাঙি পৰে ৯৫ হাজাৰ টকা, কেঁচা ঘৰৰ ১৯ হাজাৰ টকা আৰু কাৰোবাৰ যদি ঘৰ হাউলি পৰে তেওঁলোকক ১৮ শ টকা কৈ প্ৰদান কৰা হয়। কিন্তু বহু সময়ত তেওঁলোকে এই টকাসমূহ নাপায়। গাওঁবুঢ়া , মণ্ডলে গৈ লিষ্টসমূহ বনায়। কিন্তু এই পইচাসমূহ কোনে পাই কোনেও গম নাপায়। মুঠতে বানপানীত ক্ষতি সাধন হোৱা লোক সমূহৰ সকলো ফালৰ পৰাই বিপৰ্য্যয়ৰ সন্মুখীন হয়, শাৰিৰীক, মানসিক আদি সকলো ক্ষতি হয় আৰু ক্ষতি পূৰণো নাপায়। তাৰ লগত যিটো গৰাখহনীয়া সমস্যা কঢ়িয়াই আনে সেইটো অতি ভয়ংকৰ সমস্যা। গৰাখহনীয়া সমস্যাই মানুহ এজনক সম্পূৰ্ণৰূপে ভিক্ষাৰীলৈ পৰিৱৰ্ত্তন কৰে। আমি এনেকুৱা বহুলোক দেখা পাইছো যিসকলৰ দুশ-তিনিশ বিঘা মাটি আছিল। যিসকলৰ বছৰত কেইবা হাজাৰ মোন ধান বছৰত উৎপন্ন কৰিছিল। সেই লোকসকলৰ আজি এক কঠা অথবা এক লেচা মাটি নাই।তেওঁলোকৰ আজি ঘৰৰ ভেটি নোহোৱা হৈ পৰে। তেওঁলোকে ডিমাপুৰ আদি বহিঃৰাজ্যত গৈ কাম কৰিবলগীয়া হয়। এই কথাটোৱে এটা আইন-শৃঙ্খলা পৰিস্থিতিৰ সৃষ্টি কৰে। এনেকুৱা মানুহবোৰৰ যেতিয়া ঘৰ-বাৰী, খেতি-বাতিৰ সকলো মাটি যেতিয়া নদীৰ বুকুত বিলীন হৈ যায় এই মানুহসকল গৈ মথাউৰি নাইবা চৰকাৰী পৰিত্যক্ত মাটিত বহে। পিছদিনাই বাতৰি কাকতত মুখ্য বাতৰি হিচাপে আহে যে ইয়াত সন্দেহ জনক লোক আহি ৰাতিৰ ভিতৰতে গাওঁ গঢ়ি তুলিছে। তাৰ পিছত তেওঁলোকক উচ্ছেদ কৰিবলৈ বিভিন্ন লোক ওলাই আহে। এনে পৰিস্থিতি মানুহখিনি সৰ্বস্বান্ত হয় আৰু ক'তো গৈ আশ্ৰয়ও নাপায়। আমি বুজি নাপাও যে বানপানীৰ সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিবলৈ অসুবিধাটো ক'ত?

অধ্যক্ষ মহোদয়, এই কথাটো এতিয়া অসমত সৰ্বত্ৰ প্ৰচাৰিত হৈছে যে অসমৰ সম্পদৰাজী যদি ৰাষ্ট্ৰীয় সম্পদ হ'ব পাৰে তেনেহলে অসমৰ ইমান ডাঙৰ জটিল সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে কিয় গ্ৰহণ কৰিব নোৱাৰে? এইটো কেনেকুৱা কথা? এইটো মই কোনো ৰাজনৈতিক দল বা বৰ্তমান চৰকাৰ বুলি কোৱা নাই, পূৰ্বৰ চৰকাৰৰ দিনতো আমি বাবে-বাৰে কৈ আহিছিলো আৰু বৰ্তমান চৰকাৰকো কৈছো যে অসমক কিয় মাহী আইৰ দৃষ্টিৰে চোৱা হয়? অসমক কোনো এখন চৰকাৰেই ভাল চকুৰে নাচায়। অসমত যিবিলাক সমস্যা আছে এই সমূহ সমাধান কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰ আগ্ৰহী নহয়। এইটো আমি সকলো অসমবাসীয়ে আক্ষেপ কৰো। এই কথাটো আমি বিভিন্ন সংবাদ মাধ্যমতো প্ৰকাশ কৰা দেখা পাওঁ। গতিকে মই ক'ব বিচাৰিছো যে আমাৰ অসমৰ যিটো বান আৰু গৰাখহনীয়া সমস্যা আছে তাৰ বাবে প্ৰতি বছৰে শতাধিক লোকৰ অপমৃত্যু ঘটে, হাজাৰ হাজাৰ পশুধনৰ মৃত্যু ঘটে, লাখ-লাখ কোটি টকাৰ সম্পত্তি নষ্ট হয়, লাখ-লাখ হেক্টৰ মাটি নদীৰ বুকুত বিলীন হৈ গ'ল, লাখ-লাখ কৃষি সম্পদ বিনষ্ট হয়।

আমাৰ ৰাজ্যৰ ৰাজহৰ যোগেদি কেতিয়াও এই সমস্যাটো সমাধান কৰাটো সম্ভৱ নহয়। আমাৰ সমগ্ৰ ৰাজ্যবাসী এটা আশাত বন্দী যে যিদিনা কেন্দ্ৰীয় চৰকাৰে অসমৰ এই সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিব তেতিয়াহে কেন্দ্ৰীয় চৰকাৰৰ পৰা পৰ্য্যাপ্ত পুঁজি অসমে লাভ কৰিব। ডিব্ৰুগড়ৰ পৰা ধুবুৰী লৈকে ব্ৰহ্মপুত্ৰৰ যি গৰাখহনীয়া, তাৰ permanent protection ৰ কাৰণে কানাডাৰ যি Border pitching ৰ দৰে technology technology আছে বা ব্ৰহ্মপুত্ৰৰ বুকু খনন কৰাই হওঁক বা Border pitching কৰি ব্ৰহ্মপুত্ৰৰ দুয়োপাৰ সংকোচিত কৰি দুয়োপাৰে যদি siltation হোৱাৰ কাৰণে সুবিধা কৰি দিয়া হয় বা net carpeting কৰা

হয়, যিটো technology য়েই লোৱা যাওঁক, ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া ৰোধ কৰিবলৈ লক্ষাধিক কোটি টকাৰ প্ৰয়োজন হ'ব। তাৰ লগে-লগে বানপানী ৰোধৰ কাৰণে মথাউৰিবিলাক আধুনিকীকৰণ কৰাৰ প্ৰয়োজন আছে। যিবিলাক মথাউৰিৰ validity পাৰ হৈ গ'ল, সেইবিলাক পুনৰ নিৰ্মাণ কৰিব লাগে। আমি দেখিছো যে বহুত মথাউৰিৰ validity পাৰ হৈ যোৱাৰ পিছতো সেইবিলাক নতুনকৈ নিৰ্মাণ কৰা হোৱা নাই। গতিকে বান আৰু গৰাখহনীয়া সমস্যা প্ৰতিৰোধ কৰিবলৈ যি technology use নকৰো তাৰ বাবে লক্ষাধিক কোটি টকাৰ প্ৰয়োজন আছে। তাৰবাবে আমাৰ একমাত্ৰ বিকল্পটো হ'ল যে বান আৰু গৰাখহনীয়া সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিব লাগে আৰু কেন্দ্ৰীয় চৰকাৰে এইটো দায়িত্ব মূৰ পাতি লৈ পৰ্য্যাপ্ত পুঁজি অসমক যোগান ধৰিব লাগে।

কেন্দ্ৰীয় চৰকাৰে DPR বনাই নতুন technology যদি ব্যৱহাৰ কৰে তেতিয়া সেই সমস্যাটো সমাধান হ'ব। এইবাৰ যেতিয়া লোকসভা চলি আছিল, তাত এই প্ৰসঙ্গটো উল্লেখ হৈছিলে। তেতিয়া কেন্দ্ৰীয় জলসম্পদ মন্ত্ৰী গৰাকীয়ে ঘোষণা কৰিলে যে অসমৰ বান আৰু গৰাখহনীয়াৰ সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা নহয়। বাতৰি কাকতত যেতিয়া আমি এই খবৰটো পাইছিলো তেতিয়া আমি খুব দুখ পাইছিলো। গুজৰাটত বানপানী হলে দুদিনৰ ভিতৰতে ৫০০ কোটি টকা লৈ প্ৰধানমন্ত্ৰী ডাঙৰীয়া তাত উপস্থিত হয়। কেৰেলাত বানপানী হ'লে সমগ্ৰ ভাৰত জপিয়াই পৰে কিন্তু অসমৰ বান আৰু গৰাখহনীয়াৰ সমস্যাটো গুজৰাট আৰু কেৰেলাতকৈ কোনোগুনেই কম নহয়। অসমক কেন্দ্ৰীয় চৰকাৰেতো উপেক্ষা কৰেই আনকি ভাৰতৰ যিবিলাক স্বেচ্ছাসেৱী সংগঠণ বা celebrity আছে বা পুঁজিপতি আছে তেওঁলোকেও অন্য ৰাজ্যত বান সমস্যা হ'লে যেনেদৰে সাহাৰ্য্যৰ হাত আগবঢ়ায়, অসমৰ ক্ষেত্ৰত যেন তেওঁলোকৰ কোনেও কৰ্ণপাত নকৰে। ইয়াকে লৈ সদায় আমাৰ আক্ষেপ থাকে।

যোৱা চৰকাৰৰ দিনতো অসম বিধান সভাত আমি এটা সৰ্বসন্মত প্ৰস্তাৱ গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰলৈ পঠাইছিলো এই সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ কাৰণে। কিন্তু তেতিয়াও মনমোহন সিং চৰকাৰে এইটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা নকৰিলে। আজি বিৰোধী দল আৰু শাসক দলে আমাৰ এই প্ৰস্তাৱটো withdraw কৰাৰ কাৰণে অনুৰোধ নকৰি আমি সকলো দলে ঐক্যমতেৰে অসম বিধান সভাত সৰ্বসন্মত প্ৰস্তাৱ এটা পাৰিত কৰি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব লাগে। যদিও কেন্দ্ৰীয় চৰকাৰে Parliament ত এইটো অস্বীকাৰ কৰিছিল কিন্তু মোৰ বিশ্বাস যদি আমি অসম বিধান সভাই সৰ্বসন্মত প্ৰস্তাৱ এটা পাৰিত কৰো আৰু আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ এই প্ৰস্তাৱটো বিবেচনাৰ কাৰণে প্ৰেৰণ কৰো, হয়তো তেওঁলোকে এইটো পুনৰ বিবেচনা কৰিব। গতিকে আমাৰ চৰকাৰলৈ মই এইটো এটা অনুৰোধ জনাইছো।

ইয়াৰ লগে-লগে আমি এটা কথা ভাৱো যে এই প্ৰস্তাৱটোৰ লগত ৰাজ্য চৰকাৰে এইবাৰ বানপানীত হোৱা কিছুমান মৰ্মান্তিক দৃশ্য বা ক্ষয়-ক্ষতিৰ পৰিমাণ exact figure সহ আমি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব লাগে। তেতিয়া মই ভাৱো নিশ্চয় তেওঁলোকে এইটো বিবেচনা কৰিব। যদি বিবেচনা নকৰে নিশ্চয় কেন্দ্ৰীয় চৰকাৰ তাৰ বাবে জবাবদিহী হ'ব। তেতিয়া হয়তো ৰাষ্ট্ৰীয় channel সমূহতো এইটো প্ৰকাশ পাব যে অসমৰ সম্পদসমূহ ৰাষ্ট্ৰীয় সম্পদ হিচাপে ঘোষণা কৰিব পাৰে কিন্তু অসমৰ সমস্যাটো ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিব নোৱাৰে। এইটো অন্যায়। অসমবাসীৰ প্ৰতি এইটো injustice. গতিকে আমি ভাৱো যে এই প্ৰস্তাৱটো পাৰিত কৰাৰ লগে-লগে এই অন্যায়ৰো প্ৰতিবাদ কৰা হ'ব। আমাৰ জণপ্ৰতিনিধি

সকলক ৰাইজে যি আস্থাৰে নিৰ্বাচিত কৰি বিধান সভালৈ পঠাইছে আমি ভাৱো আমাৰ জনসাধাৰণৰ যিটো প্ৰাপ্য সেইটো সাব্যস্ত কৰাৰ কাৰণে আমি প্ৰত্যেকেই এই প্ৰস্তাৱটো সৰ্বসন্মতভাৱে পাৰিত কৰি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিলে অন্তত জনসাধাৰণে ভাৱিব যে আমাৰ জনপ্ৰতিনিধি সকলে বিধানসভাত এটা ভাল কাম কৰিছে। মই ভাৱো নিশ্চয় জলসম্পদ মন্ত্ৰী মহোদয়ে মোৰ কথাত বেয়া নাপায়। কাৰণ জলসম্পদ মন্ত্ৰী ডাঙৰীয়াক যিটো পুঁজি দিয়ে বাজেটৰ পৰা তেখেতে নিজেও কয় যে আমাৰ এই সমস্যা সমূহ সমাধানৰ কাৰণে তেখেতে যিমান ফাণ্ড বিচাৰে তাৰ ১০ শতাংশও হয়তো নাপায়। মই জানো যে আমাৰ জলসম্পদ মন্ত্ৰী মহোদয়ৰ নিজৰ সমষ্টি বৰঘুলি চাইডত তেখেত নিজে জলসম্পদ বিভাগৰ মন্ত্ৰী হৈ থকাৰ স্বতেও এতিয়াওঁ তীব্ৰ গড়াখহনীয়া হৈ আছে আৰু এইকেইদিনত কেইবাশ পৰিয়াল গৃহহীন, ভেটিহীন হৈছে। হয়তো আৰু কিছুদিন পিছত নংতুলি সুৰংগৰ ওচৰলৈকে গড়াখহনীয়া হ'ব। এইফালে নগাওঁ, মৰিগাওঁ, ধুবুৰী, গোৱালপাৰা ইত্যাদিত যিমান গড়াখহনীয়া হৈছে, সেইবিলাকৰ কথা ক'বলৈ নাযাওঁ। মই কথাটো এইকাৰণেই উল্লেখ কৰিছো যে, জলসম্পদ মন্ত্ৰী মহোদয়ৰ হাতত যদি পৰ্য্যাপ্ত পুঁজি থাকিলে হেঁতেন নিশ্চয় তেখেতে নিজৰ সমষ্টি বৰঘুলি এৰিয়াত নিজে এটা প্ৰজেক্ট বা স্কীম দি পেলাই নিজৰ সমষ্টিটো ৰক্ষা কৰিলে হেঁতেন। অৰ্থাৎ ৰাজ্য চৰকাৰৰ হাতত পৰ্য্যাপ্ত পুঁজি নাই। গতিকে ইয়াৰ একমাত্ৰ বিকল্প হৈছে যে আমি কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰিব লাগিব যাতে আমাৰ অসমৰ এই সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাবে ঘোষণা কৰে। কেন্দ্ৰত যি ধৰণৰ চৰকাৰেই নাথাকক কিয় অসমক সদায় মাহী আইৰ দৃষ্টিৰে চায়। গতিকে এইবাৰ বিধান সভাৰ পৰা আমি এনেকুৱা ধৰণৰ এটা ৰিজ'লিশ্যন পাচ কৰি পঠিয়াইছো আৰু আশা কৰিছো যাতে এইবাৰ মাহী আইৰ দৃষ্টিৰে নাচায় আৰু যাতে অসম বাসীৰ দুখ-দুৰ্দশা সহৃদয়তাৰে বিবেচনা কৰে আৰু যদি with figures and photographs যদি আমি ভালদৰে উপস্থাপন কৰো আমাৰ এটা বিশ্বাস কেন্দ্ৰীয় চৰকাৰে হয়তো আমাৰ এই প্ৰস্তাৱটো গ্ৰহণ কৰিব আৰু যদি এবাৰ ৰাষ্ট্ৰীয় সমস্যা বুলি ঘোষণা কৰিব পৰা যায় তেনেহ'লে হয়তো অনাগত দিনত আমি যিটো পুঁজি পাম সেইটোৰে আমাৰ বান আৰু গড়াখহনীয়া ৰ এটা স্থায়ী সমাধান কৰিব পাৰিম আৰু ব্ৰহ্মপুত্ৰ নদী যিটো অসমৰ গৌৰৱ, জীৱনৰেখা, সভ্যতা সংস্কৃতিৰ এক প্ৰতীক ই যাতে অসম বাসীৰ কাৰণে অভিশাপ নহৈ আৰ্শীবাদ স্বৰূপ হয়। National Green Tribunal মতে যোৱা বছৰ ডিচেম্বৰলৈকে অসমত ২৬ খন নদী poluted আছিলে আৰু আজি পাঁচ মাহত poluted ৰ সংখ্যা হৈ গ'ল ৪৪ খন। এই গড়াখহনীয়াৰ ফলত পাঁচ মাহতেই ১৮ খন নদী poluted হৈছে যিটো অসমৰ কাৰণে এটা ভয়ানক ইঙ্গিত। National Green Tribunal য়ে বাৰে বাৰে State Government ক letter দি আছে কিন্তু এইটো মেকআপ কৰিব পৰা নাই। ইয়াৰ বিকল্প বুলি মই ভাৱো যে যদি কেন্দ্ৰীয় চৰকাৰে অসমৰ বান গড়াখহনীয়াৰ সমস্যা ৰাষ্ট্ৰীয় সমস্যা বুলি গ্ৰহম নকৰে আমাৰ অসম চৰকাৰে কেতিয়াও ইয়াৰ মোকাবিলা কৰিব নোৱাৰিম। গতিকে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে অসম চৰকাৰ বিশেষকৈ জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ক মই পুনৰ বাৰ অনুৰোধ কৰিছো যাতে তেখেতে চৰকাৰক আমাৰ এই resolution টো গ্ৰহণ কৰিবলৈ অনুৰোধ জনায় আৰু যাতে তেখেতে নেতৃত্ব গ্ৰহণ কৰে আৰু অসমৰ এই দীৰ্ঘকালীন সমস্যা সমাধানৰ যাতে এটা বাট ওলায় সেইটো আশা ৰাখি পুনৰ বাৰ আপোনাক ধন্যবাদ জনাই মই মোৰ বক্তব্যৰ সামৰনি মাৰিছো। জয় আই অসম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী মৃণাল শইকীয়া ।

**শ্ৰী মৃণাল শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বানপানী সমস্যাৰ বিষয়ে ক'বলৈ গৈ

প্ৰথমতে মই অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো যে এইবাৰ বানপানী মই নিজে প্ৰত্যক্ষ কৰিছো যে পৰ্য্যাপ্ত পৰিমাণৰ বান সাহাৰ্য্য দিয়া হৈছে। আগতে বানপানী হ'লে ৰাস্তাই ঘাটে যিমান আন্দোলন দেখিবলৈ পোৱা যায়, মানুহৰ ক্ষোভ দেখা যায় সেইটো কিন্তু এইবাৰ প্ৰায় নাবুলিলিবই পাৰি। কাৰণ এইবাৰ ৰিলিফ distribution ত বহুতো সাৱধানতা অৱলম্বন কৰা হৈছে আৰু পৰ্য্যাপ্ত পৰিমাণে ৰিলিফ পাইছে। আগতে এনেকুৱা আছিল যে কোনোবা ৰিলিফ কেম্পত থাকিলেহে ৰিলিফ পায়। কিন্তু এতিয়া ৰিলিফ পইণ্ট বনাই দিছে যে সেই পইণ্টত ৰিলিফ যায়। গাওঁৰ মানুহ যিবিলাকে ৰিলিফ কেম্পলৈ আহিব নোখোজে বানপানীত তেওঁলোকেও ৰিলিফ পাবলৈ সক্ষম হৈছে। মোৰ এইবিলাক স্বাক্ষুস অভিজ্ঞতা। কিয়নো বানপানীৰ কেইদিন মই অহৰহ আছো। এইবাৰ আৰু এটা দৃষ্টিনন্দন দৃশ্য দেখিবলৈ পোৱা গৈছে। আগতে দেখা গৈছিল যে বানপানী আহিলে হেলিকপ্তাৰ, উৰাজাহাজ লৈ আগৰ মুখ্যমন্ত্ৰী সকলে বান অঞ্চল পৰিদৰ্শন কৰে। দেখিলে এনেকুৱা লাগে যেন তেওঁলোকে সমস্যাটো পৰিদৰ্শন কৰা নাই তেওঁলোকে আচলতে এই বানপানী সমস্যাটো উপভোগ হে কৰিছে। কাৰণ তলত বানপানী হ'লেও ওপৰৰ পৰা দেখিবলৈ খুব সুন্দৰ হয়। চাৰিওফালে পানী মাজে মাজে গছ ওলাই থাকে, সাগৰ সদৃশ দৃশ্য হয়। এইবাৰ দেখিবলৈ পোৱা গ'ল যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে পানীত খোজ কাঢ়ি বানপীড়িতৰ খবৰ লৈছে। তাৰকাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ এই মহানুভৱতাক মই কৃতজ্ঞতা জনাইছো আৰু ধন্যবাদ জনাইছো। আমি কেৱল এইবাৰ বানপানীৰ সময়ত কিছুমান ঢাক-ঢোল বজাই আমি সমস্যাটোৰ পৰা ফালৰি কাটিব খোজা নাই। যি যি অঞ্চলত বানপানী শেষ হৈছে মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু মাননীয় স্বাস্থ্যমন্ত্ৰী মহোদয়ৰ পৰা নিৰ্দ্দেশনা গৈছে যে প্ৰত্যেক স্থানতে য'ত য'ত বানপানী হৈছে তাত মেডিকেল কেম্প পাতিব লাগে। সেইটো এটা এইবাৰ নিৰ্দ্দেশনীয় কাম হৈছে আৰু মোৰ সমষ্টিত ইতিমধ্যে মেডিকেল কেম্প আৰম্ভ হৈছে। বানপানীত মিডিয়া পাৰশ্যন যায়, বিভিন্ন দল সংগঠন আহে, ব্যক্তি বিশেষ আহে সকলোৱে খবৰ লয়। বান শেষ হয় কিন্তু মানুহখিনিৰ খবৰ কোনেও নাৰাখে। এইবাৰ সেইটো ৰাখি থকা হৈছে আৰু মাননীয় মুখ্যমন্ত্ৰীয়ে এইটোও নিৰ্দ্দেশ দিছে যে যিবিলাক বানপীড়িত অঞ্চল য'ত কঠীয়া বিলাক মাৰি পেলালে, যাৰ অভাৱত কৃষকে খেতি কৰিব নোৱাৰিব তাত খেতি কৰিব পৰাকৈ কঠীয়া প্ৰদান কৰিবলৈ নিৰ্দ্দেশ দিছে। আমাৰ বানপানীৰ কথা আহিলে কাজিৰঙাৰ কথাটো আমাৰ নেশ্যনেল টি ভি টো দেখিবলৈ পোৱা যায় যে বানপানীত যিবিলাক বন্য জন্তু আছে তেওঁলোকৰ নাটনি কাননি অৱস্থা হয়। কিন্তু এইবাৰ মই সদনত জনাবলৈ পাই সুখী হৈছো যে আমাৰ চৰকাৰৰ দিনত আমাৰ মাননীয় শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম বন মন্ত্ৰী হৈ থাকোতে যি ৩৩ টা হাই লেণ্ড বনালে সেই হাই লেণ্ড সমূহত এইবাৰ শ শ জীৱ জন্তুৱে আশ্ৰয় লৈ আছে। মই নিজে ফৰেষ্টৰ অফিচিয়েলচ্ৰ লগত বহিছো আৰু ড্ৰোণৰ সহায়ত ওপৰৰ পৰা দেখিছো যে বহুতো গঁড়, হৰিণা,ম'হ একেলগে তাত আশ্ৰয় লৈ আছে। সেইকাৰণে মই চৰকাৰক ধন্যবাদ দিছো যে এই ৩৩ টা হাইলেণ্ড বনাই কাজিৰঙাৰ পশুকুলক বহু সকাহ দিলে আৰু যোৱাবাৰৰ দৰে এইবাৰ ও যি ৰিলিফ বিলোৱা হৈছে সেইয়া অকল মানুহৰ মাজতে নহয় আমি জন্তুকো খাদ্য যোগান ধৰিছো। কাজিৰঙাৰ হাইলেণ্ডত আমি মুখ্যমন্ত্ৰীৰ নিৰ্দ্দেশনাত জীৱ-জন্তুক খাদ্য যোগান ধৰিছো। এইটো কিন্তু ভাৰতৰ কতো হৈছে বুলি মই শুনা নাই যিটো নেশ্যনেল পেপাৰত ক'ভাৰেজ হৈছে। আগতে আমি নেশ্যনেল পেপাৰত গঁড় হত্যাৰ বাতৰিহে পঢ়িবলৈ পাইছিলো। এতিয়া পজিটিভ নিউজ বিলাক পাবলৈ আৰম্ভ কৰিছো যে অসম চৰকাৰে কাজিৰঙাৰ হাইলেণ্ডত বন্যপ্ৰাণীক খাদ্য যোগান ধৰিছে। গতিকে এইখন চৰকাৰত তাতকৈ আৰু কি নিদৰ্শন থাকিব পাৰে। বানপানী হ'লে সততে এটা ডিমাণ্ড দেখিবলৈ পোৱা যায় যে বানপানীক

ৰাষ্ট্ৰীয় সমস্যা হিচাবে ঘোষণা কৰিব লাগে। মোৰ মনত এটা কনফিউজন আহে যে যিসকলে খুব চিঞৰি থাকে, talk show বিলাকতো দেখো, বিৰোধীকো দেখো যে ৰাষ্ট্ৰীয় সমস্যা লৈ চিঞৰি থকা। তেওঁলোকে আচলতে নামাকৰণটো বিচাৰে নে বানপানীৰ স্থায়ী সমাধানটো বিচাৰে। মই জনাই থব বিচাৰো যে যিহেতু অসম ভাৰতৰে এখন অংগৰাজ্য গতিকে ইয়াত প্ৰতিটো সমস্যাই ৰাষ্ট্ৰীয় সমস্যা। আজি আন্দোলনৰ নামত নেশ্যনেল হাইৱে ব্লক কৰি থয়, এইটো ও এটা ৰাষ্ট্ৰীয় সমস্যা। আজি অজন্তা বাইদেউৱে কৈছে যে ইঞ্জিনিয়াৰিং কলেজখন যেতিয়া উদ্বোধন কৰিবলৈ গৈছিলো তেতিয়া ৰাস্তাত প্ৰতিবাদকাৰীয়ে বাধা দি আছিলে। অসমত এনেকুৱা যে ভাল কাম এটা কৰিবলৈ গ'লেও প্ৰতিবাদকাৰীয়ে বাধা দিয়ে। এইবিলাকো ৰাষ্ট্ৰীয় সমস্যা। কেন্দ্ৰই ৰাষ্ট্ৰীয় সমস্যা বুলি ঘোষণা কৰিলেই বৰষুণ তথা বানপানী নহ'ব নেকি? আজি ৰাষ্ট্ৰীয় সমস্যা বুলি যে কেন্দ্ৰই আন্তৰিকতাৰে জ্ঞান কৰে তাৰ প্ৰমাণ হ'ল যে ১০০ কোটি টকাত কেৱল এই সমস্যাটো কেনেদৰে সমাধান কৰিব পৰা যাব তাৰ ষ্টাডীৰ কাৰণে কেন্দ্ৰই দিছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সদনত সময় ৫ বাজিছে। গতিকে তেখেতৰ ভাষণ শেষ হোৱালৈকে সময়তো বঢ়াই ল'ব লাগিব।তাৰ পিছত adjourn কৰিম। আপুনি ভাষণটো শেষ কৰক।

**শ্ৰী মৃণাল শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত কথাটো কব খুজিছো সেই কাৰণে মোৰ, যি সকলে ৰাষ্ট্ৰীয় সমস্যা দাবী কৰে মই তেওঁলোকৰ আন্তৰিকতাত কিন্তু সন্দেহ প্ৰকাশ কৰো কাৰণ এটা নামাকৰণে কেতিয়াও সমস্যা সমধান কৰিব নোৱাৰে। এই বানপানী এটা প্ৰধান সমস্যা বুলি ভাৱো মই আমাৰ মাননীয় সদস্য বৃন্দাবন গোস্বামী চাৰে কৈছে যে মথাউৰীও এটা সমস্যা হ'ব পাৰে। আগতে মথাউৰী বিলাক কেনেকুৱা ধৰণে বনাইছিল মানে placement ৰ কথা কৈছো, তেওঁলোকে যি স্থানত মথাউৰী নিৰ্মাণ কৰিলে মই কেতিয়াবা বানপানী হোৱা অঞ্চলত যাওঁতে ধাৰণা হয় যে এই মথাউৰী বিলাকৰ কাৰণেই বানপানী বেছি হৈছে নেকি। এটা মথাউৰীত থিয় হৈ থাকিলে দেখা পাওঁ যে এটা চাইডে সম্পূৰ্ণ হাটী ডুব যোৱা পানী আৰু এটা ফালে সম্পূৰ্ণ শুকান। মাননীয় সদস্য বৃন্দাবন গোস্বামী মহোদয়ে কোৱাৰ দৰে ময়ো কেতিয়াবা অনুভৱ কৰো যে গোটেই যদি মথাউৰীবিলাক উঠাই দিয়া হয়, নাইকীয়া কৰা হয় তেতিয়া বানপানী আহিব সকলোৰে অলপ অলপ অসুবিধা পাব আৰু সোনকালে শুকাই যাব। মথাউৰী থকাৰ কাৰণে এনেকুৱা এটা অৱস্থাৰ সৃষ্টি হৈছে এচামে বানপানীত কক্‌বকাই থাকিব লাগে আনফালে মানুহে সেই সমস্যাৰ পৰা আতৰত থাকিব পাৰে। সেই কাৰণে বানপানীৰ মথাউৰীৰ placement, ক'ত মথাউৰী বিলাক আছে তাৰো এটা Study অতি প্ৰয়োজনীয় যে কোনোবা মথাউৰীৰ কাৰণে আচলতে সমস্যাহে সৃষ্টি হৈছে নেকি? আৰু মথাউৰী যিখিনি আছে মই জনাত তাৰ মেৰামতিৰ কাৰণে, হাইৱে বা যিকোনো ৰাষ্টা মেৰামতিৰ কাৰণে যেনেকৈ ফাণ্ড আহে তেনেকুৱাকৈ নিশ্চয় মথাউৰী মেৰামতিৰ কাৰণেও নিশ্চয় পুঁজি আহে। কিন্তু সেই পুঁজি ভালকৈ ব্যৱহাৰ হৈছে নে নাই সেইটোত মোৰ সন্দেহ আছে। মোৰ ঠাইত বহুত মথাউৰী দেখিছো কিন্তু কেতিয়াও তাত কোনো মানুহে কেতিয়াও কাম কৰি থকা দেখা নাই। কিন্তু তাত নিশ্চয় পুঁজি আহিছে আৰু সেই পুঁজি নিশ্চয় কোনোবাই আত্মসাৎ কৰিছে। গতিকে মই এই ক্ষেত্ৰত আমাৰ বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক এটা strict action লোৱাৰ লগতে যাতে তাত এটা কাঢ়া নজৰ ৰাখে যাৰ ফলত কোনো পুঁজি যাতে, যিবোৰ পুঁজি মথাউৰী মেৰামতিৰ কাৰণে আহিছে সেইখিনি ভালভাৱে যাতে ব্যৱহাৰ হয়। ইয়াৰ উপৰিও আমাৰ খহনীয়াৰ সমস্যাটো আছেয়ে, মই ভাৱো যে খহনীয়াৰ সমস্যাটো বানপানীতকৈ কোনো ধৰণে কম সমস্যা নহয়। বানপানী হওঁক বা খহনীয়াই হওঁক এইবোৰ একো একোটা ৰাষ্ট্ৰীয় দুৰ্যোগ। মই বানপানীতকৈ খহনীয়া সমস্যাটো

বেছি ডাঙৰ সমস্যা বুলিহে ভাৰো। কাৰণ নদী এখনক এফালৰ ভেতিবলৈ গ'লে আনফালে খহনীয়াৰ সৃষ্টি হয়। কাৰণ আমি প্ৰকৃতিক কেতিয়াও বাধা দিব নোৱাৰো। সেই কাৰণে দেখা যায় যে যদি আমি এফালে খহনীয়া প্ৰতিৰোধৰ কাৰণে বান্ধ নিৰ্মাণ কৰিছো তেতিয়া অন্যফালে নদীয়ে খহাই দিছে। আৰু এটা মই সমস্যা দেখা পাইছোযে যিয়ে এইবিলাক কাম কৰে মথাউৰী মেৰামতী বা জলসম্পদৰ কাম বিলাক, এই কাম বিলাকত কেতিয়াবা দেখা যায় যে এই এটা কামকে কেতিয়াবা ৫ জন ঠিকাদাৰে কৰে। এটা মথাউৰী নিৰ্মাণ বা মেৰামতিৰ বাবে ৫ জন ঠিকাদাৰক কাম দিছে। আমাৰ আজি এই সদনৰ ওপৰৰ ছাত খন সুন্দৰ হৈ আছে, কিন্তু যদি এই কামটো ৩ জন ঠিকাদাৰক দিয়ে তেতিয়াহলে ইয়াৰ কামৰ মান নিশ্চয় নিম্ন হ'ব। এটা কথা আছে যে কেইবাজনো ৰান্ধনী হলে খাদ্য বেয়া হয়। গতিকে এই কামটোৰ ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক ব্যক্তিগত ভাৱেও কৈছো যে কিয় এনেকুৱা কাম কৰা হৈ আছে? কোনোবা এটা মথাউৰী নিৰ্মাণ বা মেৰামতি কৰা হয় সেই সমস্যাটোৰ পৰা পৰিত্ৰাণ পাবলৈ, কোনো ঠিকাদাৰক কাম দিবলৈ নহয়, সমস্য সমধান হ'বলৈহে পুঁজিটো আহিছে। কিন্তু আমি দেখা পাওঁ যে যেন ঠিকাদাৰক জিয়াই ৰাখিবলৈহে টকাখিনি আহিছে। গতিকে এই আশোৰাহ বোৰ চাব লাগে আৰু এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ দিছো কাৰণ বানপানী সমস্যা স্থায়ী সমধানৰ বাবে আজিলৈকে কোনো চৰকাৰে এই সমস্যাটোৰ অধ্যয়নৰ বাবে এশ কোটি টকা দিয়া নাছিল কি ধৰণে এই সমস্যাটোৰ সমধান কৰিব পাৰি। ইয়াৰ উপৰি এইবাৰ ২৫১ কোটি টকা দিছে। তেতিয়াহলে কি কাৰণে আমি চিঞৰী থাকিব লাগে যে বানপানী সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা, ৰাষ্ট্ৰীয় সমস্যা । গতিকে সেই কথাটো মই বুজি পোৱা নাই যে ৰাষ্ট্ৰীয় সমস্যা বুলি কলে যেন এই সমস্যাটো সমধান হ'ব। এইখিনিয়ে মোৰ কবলগীয়া আছিল আৰু এইখিনি কব দিয়াৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** আমাৰ নাম আছিল চাৰ আমিও কব বিচাৰিছিলো চাৰ। কিন্তু মানে মাননীয় অধ্যক্ষ মহোদয় এনেকুৱা লাগিছে যে আমাৰ লগত discrimination হৈছে।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই, discrimination হোৱা নাই। সকলো দলকে দিয়া হৈ ছে অহাবাৰ অৰ্থাৎ মঙ্গলবাৰে আপুনি প্ৰথম কব। মই এতিয়া সদনৰ শেষ কাৰ্য্যসূচীলৈ যাবলৈ ওলাইছো অৰ্থাৎ মৃত্যু প্ৰসংগলৈ যাব ওলাইছো আৰু এইটো এতিয়া মই পাঠ কৰিম।

**মৃত্যু প্ৰসঙ্গ**

চতুৰ্দশ অসম বিধান সভাৰ অষ্টম অধিৰেশন সমাপ্তিৰ পৰা আজি ২৬-০৭-২০১৯ তাৰিখে নৱম তথা গ্ৰীষ্মকালীন অধিৰেশন অনুষ্ঠিত হোৱালৈকে এই কালছোৱাৰ ভিতৰত ৰাজ্য তথা দেশৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙনি আগবঢ়োৱা ভালেকেইগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোক প্ৰাপ্তি ঘটে। অতি দুখ আৰু ব্যথিত হৃদয়ৰে আজি অসম বিধান সভাৰ পবিত্ৰ মজিয়াত এই বৰেণ্য ব্যক্তি সকলৰ বিয়োগত শোক প্ৰকাশ কৰিবলৈ লোৱা হৈছে।

ভাৰতবৰ্ষৰ অখণ্ডতা আৰু সাৰ্বভৌমত্ব ৰক্ষাৰ হকে প্ৰাণ আহুতি দিয়া ভাৰতীয়া সেনা বাহিনীকে ধৰি কেন্দ্ৰীয় সংৰক্ষিত বাহিনী তথা অন্যান্য সুৰক্ষা বাহিনীৰ শ্বহীদ জোৱান অসম সন্তান মনেশ্বৰ বসুমতাৰী, বিশ্বজিৎ চোহান, বিপুল বৰা, কালিনাথ শৰ্মা, নিৰজ চেত্ৰী, নিৰোদ শৰ্মা, সুনিল কলিতালৈ সদনে গভিৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি আহত সকলৰ আশো আৰোগ্য কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ গভিৰ সমবেদনা জ্ঞাপন কৰিলো। লগে শ্বহীদ জোৱান সকলৰ প্ৰতি উপযোক্ত সন্মান প্ৰদান কৰাৰ লগতে শ্বহীদ পৰিয়াললৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ২০ লাখ টকাৰ আৰ্থিক সাহৰ্য্য প্ৰদান কৰা হৈছে।

**১) শ্বেখ চান্দ মহম্মদ**

অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ, বিশিষ্ট আইনজ্ঞ, শিক্ষাবিধ তথা বিশিষ্ট সমাজকৰ্মী শ্বেখ চান্দ মহম্মদ ডাঙৰীয়াই ১৯৭৮ চনত জনতা পাৰ্টী ঐক্য মঞ্চৰ পৰা বৰক্ষেত্ৰী বিধান সভা সমষ্টিৰ প্ৰথম জন বিধায়ক হিচাপে অসম বিধান স ভালৈ নিৰ্বাচিত হৈ দক্ষতাৰে সেৱা আগবঢ়োৱাৰ লগতে তেখেতে ১৯৭৮ চনৰ ৩০ মাৰ্চৰ পৰা ১৯৭৯ চনৰ ৬ নবেম্বৰলৈকে প্ৰথমে অসম বিধান সভাৰ উপাধ্যক্ষ আৰু ১৯৭৯ চনৰ ৭ নবেম্বৰৰ পৰা ১৯৮৬ চনৰ ৭ জানুৱাৰীলৈ অসম বিধান সভাৰ সন্মানীয় অধ্যক্ষৰ আসন অলাংকৃত কৰিছিল।

**২) ইন্দ্ৰেশ্বৰ খাউণ্ড**

প্ৰাক্তন মন্ত্ৰী তথা জেষ্ঠ ৰাজনৈতিক নেতা ইন্দ্ৰেশ্বৰ খাউণ্ড ডাঙৰীয়াই ক্ৰমে ১৯৫২, ১৯৫৭, ১৯৭২ চনত অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল। তদুপৰি ১৯৫৭ চনত ৰাজ্য চৰকাৰৰ মন্ত্ৰী সভাত উপমন্ত্ৰী আৰু ১৯৭২ চনত পৰিবহন আৰু গড়কাপ্তানী বিধানৰ কেবিনেট মন্ত্ৰী হিচা পে দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰিছিল।

**৩) চৰণ নাৰ্জাৰী**

প্ৰাক্তন সাংসদ, প্ৰাক্তন বিধায়ক, বৰ্ষীয়ান ৰাজনীতিক, সাহিত্যিক তথা পি টি টি এৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক চৰণ নাৰ্জাৰী ডাঙৰীয়াই ১৯৭২ চনত কোকৰাঝাৰ পশ্চিম বিধান সভা সমষ্টিৰ পৰা আৰু ১৯৮৫ চনত কোকৰাঝাৰ পূব বিধান সভা সমষ্টিৰ পৰা দুবাৰকৈ অসম বিধান সভালৈ নিৰ্বাচিত হৈ ৰাজ্যলৈ নিষ্ঠা আৰু ঐকান্তিকতাৰে সেৱা আগবঢ়াইছিল। তদুপৰি তেখেতে ১৯৭৭ চনত ষষ্ঠ লোকসভাত কোকৰাঝাৰ লোকসভা সমষ্টিৰ পৰা লোকসভালৈ নিৰ্বাচিত হৈ দেশ তথা ৰাজ্য খনলৈ দক্ষতাৰে সেৱাৰ বৰঙণি আগবঢ়াই থৈ গৈছে।

**৪) প্ৰণীতা তালুকদাৰ**

প্ৰাক্তন বিধায়িকা তথা বিশিষ্ট সমাজ কৰ্মী প্ৰণীতা তালুকদাৰ ডাঙৰীয়ানীয়ে ১৯৬৭ আৰু ১৯৭২ চনত দুবাৰ সৰভোগ বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ বিধায়িকা হিচাপে নিৰ্বাচিত হৈ ৰাজ্যলৈ নিষ্ঠা আৰু ঐকান্তিকতাৰে সেৱাৰ বৰঙণি আগবঢ়াইছিল।

**৫) খগেন গগৈ**

প্ৰবীন ৰাজনীতিক, প্ৰাক্তন বিধায়ক তথা বিশিষ্ট সমাজকৰ্মী খগেন গগৈ ডাঙৰীয়াই ১৯৭২ চনত মাহমৰা বিধান সভা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈ এগৰাকী বিধায়কৰূপে ৰাজ্যলৈ দক্ষতাৰে সেৱা ৰ বৰঙনী আগবঢ়াই থৈ গৈছে।

**৬) দ্ৰুপদ বৰগোহাঁই**

প্ৰাক্তন সাংসদ, প্ৰাক্তন বিধায়ক তথা প্ৰবীণ ৰাজনীতিজ্ঞ দ্ৰুপদ বৰগোহাঁই ডাঙৰীয়াই ১৯৯৮ চনত ৰাজ্য সভালৈ মনোনীত হৈ দেশলৈ নিষ্ঠাৰে সেৱা আগবঢ়াৰ উপৰিও ২০০৬ চনত নাজিৰা বিধান সভা সমষ্টিৰ পৰা চি পি আই দলৰ প্ৰাৰ্থী ৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈ দক্ষতাৰে সেৱাৰ বৰঙণি আগবঢ়াইছিল।

**৭) মণি কুমাৰ চুব্বা**

প্ৰাক্তন সাংসদ, প্ৰাক্তন বিধায়ক, মণি কুমাৰ চুব্বা ডাঙৰীয়াই ১৯৯১ আৰু ১৯৯৬ চনত নাওবৈচা বিধান সভা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হোৱাৰ উপৰিও তেজপুৰ লোকসভা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে দ্বাদশ, ত্ৰয়োদশ আৰু চতুৰ্দশ লোকসভালৈ নিৰ্বাচিত হৈ ৰাজ্যলৈ সেৱা আগবঢ়াইছিল।

**(৮) কিৰণ কুমাৰ গগৈ**- প্ৰাক্তন বিধায়ক তথা নিষ্ঠাবান সমাজকৰ্মী কিৰম কুমাৰ গগৈ ডাঙৰীয়াই ১৯৮৫ চনত মৰাণ বিধান সভা সমষ্টিৰ পৰা অসম গণ পৰিষদ দলৰ প্ৰাৰ্থী ৰূপে অসম বিধান সভালৈ বিধায়ক নিৰ্বাচিত হৈ ৰাইজৰ হিতৰ অৰ্থে সেৱাৰ বৰঙণি আগবঢ়াইছিল।

**(৯) মোহন দাস** - প্ৰাক্তন বিধায়ক, ক্ৰীড়া সংগঠক তথা নিষ্ঠাবান সমাজকৰ্মী মোহন দাস ডাঙৰীয়াই ১৯৯৬ চনত পাটাছাৰকুছি বিধান সভা সমষ্টিৰ পৰা অসম গণ পৰিষদ দলৰ প্ৰাৰ্থী ৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈ ৰাইজৰ আৰ্থ সামাজিক উত্তৰণৰ দিশত সক্ৰিয় ভাবে ভূমিকা গ্ৰহণ কৰি উল্লেখনীয় সেৱাৰ বৰঙণি আগবঢ়াই থৈ গৈছে। তদুপৰি তেখেতে সুদক্ষ ক্ৰীড়াবিদ আৰু ক্ৰীড়া সংগঠক হিচাপেও ৰাজ্য খনৰ ক্ৰীড়া ক্ষেত্ৰ খনতো বিশেষ অৰিহনা আগবঢ়াইছিল ।

**(১০) জয়নাল আবেদিন** - প্ৰাক্তন বিধায়ক তথা জেষ্ঠ অধিবক্তা জয়নাল আবেদিন ডাঙৰীয়াই ১৯৮৩ চনত গৌৰীপুৰ বিধান সভা সমষ্টিৰত পাৰ কংগ্ৰেছ দলৰ প্ৰাথৰ্তীৰূপে অসম বিধান সভালৈ নিৰ্বাচিত হৈ দক্ষতাৰে সেৱাৰ বৰঙনি আগবঢ়াই থৈ গৈছে ।

**(১১) শীলা দীক্ষিত** - দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, বৰ্ষীয়মান ৰাজনীতিবিদ তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী শীলা দীক্ষিত ডাঙৰীয়ানীয়ে ১৯৯৮ চনৰ পৰা ২০১৩ চনলৈ দিল্লীৰ মুখ্যমন্ত্ৰীৰূপে কাৰ্য্যনিৰ্বাহ কৰি তিনিবাৰকৈ দিল্লীৰ মুখ্যমন্ত্ৰীৰ আসন অলংকৃত কৰিছিল । ইয়াৰ পূৰ্বে তেখেত ১৯৮৪ চনত উত্তৰ প্ৰদেশৰ কোনৌ লোকসভা সমষ্টিৰ পৰা লোকসভালৈ নিৰ্বাচিত হৈ ১৯৮৪ চনৰ পাৰ ১৯৮৯ চনলৈ সংসদীয় পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল । তদুপৰি তেখেতে ২০১৪ চনৰ কেৰেলাৰ ৰাজ্যপাল হিচাপেও দ্বায়িত্ব বহন কৰিছিল ।

**(১২) মনোহৰ পাৰিকৰ** - দেশৰ প্ৰাক্তন প্ৰতিৰক্ষা মন্ত্ৰী তথা গোৱাৰ মুখ্যমন্ত্ৰী মনোহৰ পাৰিকৰ ডাঙৰীয়াই ১৯৯৪ চনত প্ৰথম বাৰৰ বাবে গোৱাৰ বিধান সভালৈ নিৰ্বাচিত হৈ পৰৱৰ্তী সময়ত ১৯৯৯ চনত বিৰোধী দলৰ নেতা হিচাপে সেৱা আগবঢ়োৱাৰ লগতে ২০০০ চনৰ পৰা ২০০৫ চনলৈ আৰু ২০১২ চনৰ পৰা ২০১৪ চনলৈ আৰু ২০১৭ চনৰ পাৰ মৃত্যু পৰ্য্যন্ত গোৱাৰ মুখ্যমন্ত্ৰীৰূপে কাৰ্য্য নিৰ্বাহ কৰিছিল । তদুপৰি তেখেতে ২০১৪ চনত ৰাজ্যসভালৈ সাংসদ হিচাৰে নিৰ্বাচিত হৈ ২০১৬-১৭ চনত দেশৰ প্ৰতিৰক্ষা মন্ত্ৰী হিচাপেও দক্ষতাৰে সেৱা আগবঢ়াইছিল ।

**(১৩) দখম ডেকা** - বিশিষ্ট মুক্তিযোদ্ধা দখম ডেকা ডাঙৰীয়াই ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰীয় ভাবে জড়িত হৈ দেশ মাতৃলৈ উল্লেখনীয় সেৱা বৰঙণি আগবঢ়াই থৈ গৈছিল । তদুপৰি তেখেতে জীৱ ন কালত বিভিন্ন সামাজিক অনুস্থান প্ৰতিষ্ঠানৰ লগত জড়িত থাকি নিষ্ঠা আৰু ঐকান্তিকতাৰে সেৱা আগবঢ়াইছিল ।

**(১৪) যোগেশ্বৰ গোস্বামী** - বিশিষ্ট মুক্তিযোদ্ধা, সমাজকৰ্মী ও সত্ৰাধিকাৰ যোগেশ্বৰ গোস্বামী ডাঙৰীয়াই দেশৰ স্বাধীনতা আন্দোলনত সক্ৰীয়তাৰে যোগদান কৰি দেশ মাতৃলৈ বিশেষ সেৱাৰ বৰঙণি আগবঢ়াই থৈ গৈছে। তেখেতে আধ্যাত্মিক, সামাজিক দিশ ৰ উপৰিও অসম মহা সভাকে ধৰি বিভিন্ন সামাজিক অনুস্থান প্ৰতিষ্ঠানৰ লগত জড়িত থাকি নিষ্ঠাৰে সেৱাৰ বৰঙণি আগবঢ়াইছিল।

**(১৫) পোৱাল বৰুৱা** - বিশিষ্ট মুক্তিযোদ্ধা ও সাহিত্যিক পোৱাল বৰুৱা ডাঙৰীয়াই ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰীয়তাৰে যোগদান কৰি দেশ মাতৃলৈ সেৱা আগবঢ়োৰ লগতে এগৰাকী সাংবাদিক আৰু সাহিত্যিক হিচাপে অসমীয়া সাহিত্যৰ ভড়াল চহকী কৰি থৈ গৈছে।

**(১৬) ভূষণ চেতীয়া** - বিশিষ্ট মুক্তিযোদ্ধা ও নিষ্ঠাবান সমাজকৰ্মী ভূষণ চেতিয়া ডাঙৰীয়াই ভাৰতৰ স্বাধীনতা আন্দোলনত আগবঢ়োৱা বিশেষ সেৱাৰ বাবে চৰকাৰৰ পৰা মুক্তিযোদ্ধা পেঞ্চনৰে সন্মানিত হৈছে । চেতিয়া ডাঙৰীয়াই চৰাইদেউ জিলাৰ উত্তৰ মাহমৰা গাওঁ পঞ্চায়তৰ সভাপতি আৰু আঞ্চলিক পঞ্চায়তৰ সদস্য হিচাপেও কাৰ্য্যনিৰ্বাহ কৰিছিল ।

**(১৭) কমলালয়া বৰুৱা** - বিশিষ্ঠা মুক্তিযোদ্ধা বিশিষ্ঠা সমাজকৰ্মী কমলালয়া বৰুৱা ডাঙৰীয়ানীয়ে দেশৰ স্বাধীনতা আন্দোলনত এগৰাকী মহিলা সেননী ৰূপে উল্লেখনীয় সেৱা আগবঢ়াই থৈ গৈছে । তদুপৰি জীৱন কালত এগৰাকী দক্ষ শিক্ষয়ত্ৰী ৰূপে সমাজলৈ সেৱা আগবঢ়োৱাৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত সক্ৰীয়তাৰে জড়িত থাকি নিষ্ঠাৰে সেৱাৰ বৰঙনি আগবঢ়াইছিল।

**(১৮) গিৰীশ কাৰ্ণাড** - প্ৰখ্যাত নাট্যকাৰ, পৰিচালক তথা অভিনেতা গিৰীশ কাৰ্ণাড ডাঙৰীয়াই ভাৰতীয় সাংস্কৃত জগতত বহুমুখী প্ৰতিভাৰে অনবদ্য অবদান আগবঢ়াই থৈ গৈছে। তেখেতৰ কৰ্মৰাজীৰ বাবে সংগীত নাটক অকাডেমী বঁটাকে ধৰি পদ্মশ্ৰী, পদ্মভূষণ সন্মানেৰে সন্মানিত হোৰৰ লগতে ভাৰতীয় সাহিত্যিক জগতৰ সৰ্বোচ্চ সন্মান জ্ঞানপীঠ বঁটাৰে বিভূষিত হৈছিল ।

**(১৯) বেণু মিশ্ৰ** - প্ৰতিথযশা চিত্ৰশিল্পী বেণু মিশ্ৰ ডাঙৰীয়াই চিত্ৰ কলাৰ নান্দনিক উপস্থাপনেৰে সকলোৰে অন্তৰ জয় কৰিবলৈ সক্ষম হৈছিল । তেখেতে ৰাজ্যৰ নৱপ্ৰজন্মৰ মাজত শিল্পকলাৰ প্ৰসাৰৰ লক্ষ্যৰে গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ প্ৰতিষ্ঠা কৰি অনুষ্ঠানটোৰ গুৰুদ্বায়িত্ব বহন কৰি শিল্পকলাক আগুৱাই নিয়া কামত নিজকে আত্ম নিয়োগ কৰিছিল । ২০০৬ চনত মিশ্ৰ ডাঙৰীয়াই তেখেতৰ শিল্প কলা কৰ্মৰ স্বীকৃতি হিচাপে ৰাজ্য চৰকাৰৰ দ্বাৰা কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা বঁটাৰে বিভূষিত হৈছিল।

**(২০) পূৰৱী বৰমুদৈ** - যশস্বী সাহিত্যিক ও উপন্যাসিক পূৰৱী বৰমুদৈ ডাঙৰীয়ানীয়ে গল্প, উপন্যাস, সাহিত্য সমালোচনাৰ জৰিয়তে অসমীয়া সাহিত্য জগতক সমৃদ্ধ কৰি থৈ গৈছে। তেখেতে শান্তনুকুলনন্দন উপন্যাসৰ বাবে সাহিত্য অকাডেমী বঁটাৰে বিভূষিত হৈছিল ।

**(২১) হৰেশ্বৰ হাজৰিকা** - ডাঙৰীয়াক ভাৰতৰ দ্বিতীয় শ্ৰেষ্ঠ খেতিয়ক হিচাপে ১৯৬৮ চনত তদানীন্তন ৰাষ্ট্ৰপতি জাকিৰ হুছেইন ডাঙৰীয়াই কৃষি পণ্ডিত উপাধিৰে বিভূষিত কৰিছিল । তেখেতে কৃষক সকলক খেতিৰ কৌশল শিকাই ৰাষ্টীয় বঁটা লাভ কৰিবলৈ সক্ষম হোৱাৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোত ভাবে জড়িত আছিল ।

**(২২) কমল চন্দ্ৰ গোস্বামী** - বিশিষ্ট শিক্ষাবিদ, সত্ৰীয়া সংস্কৃতিৰ পণ্ডিত তথা লেখক কমল চন্দ্ৰ গোস্বামী ডাঙৰীয়াই এগৰাকী শিক্ষাবিদৰূপে একান্ত নিষ্ঠা আৰু একাগ্ৰতাৰে ৰাজ্য খনৰ বিদ্যায়তনিক

দিশৰ উত্তৰণৰ ক্ষেত্ৰত উল্লেখনীয় অৰদান আগবঢ়াই থৈ গৈছে । তেখেতে অসমৰ প্ৰসিদ্ধ আদি এলেঙী সত্ৰৰ সত্ৰাধিকাৰ হিচাপে জনসাধাৰণৰ মাজত আধ্যাত্মিক চেতনাবোধ জাগ্ৰত কৰাৰ দিশটো বলিষ্ঠ ভূমিকা পালন কৰিছিল ।

**(২৩) ৰতেনেশ্বৰ দত্ত** - বিশিষ্ট শিক্ষাবিদ তথা সমাজকৰ্মী ৰতনেশ্বৰ দত্ত ডাঙৰীয়াই ১৯৪৯ চনত ঢেকিয়াল হাইস্কুলত সহ শিক্ষকৰূপে কৰ্মজীৱনৰ পাতনি মেলি সুদীৰ্ঘ কাল উক্ত বিদ্যালয়ত সেৱা আগবঢ়াই ১৯৮৬ চনত অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহন কৰে । তেখেতে ছাত্ৰ-ছাত্ৰীৰ বিদ্যায়তনিক দিশটো উত্তোৰণৰ ক্ষেত্ৰত অঞ্চলটোৰ উল্লেখনীয় অৰদান আগবঢ়াইছিল ।

**(২৪) গোলাপ ওজা**- প্ৰখ্যাত ঢোলবাদ্য শিল্পী গোলাপ ওঝা ডাঙৰীয়াই ওৰেটো ঢোলবাদ্যহ লগত জড়িত থাকি অসমীয়া সংস্কৃতিৰ উত্তৰণৰ ক্ষেত্ৰত অনবদ্য অৰদান আগবঢ়াই থৈ গৈছে। তেখেতে সাংস্কৃতিক মঞ্চ অসম ৰ তৰফৰ পৰা বৰহমথুৰি শিল্পী বঁটা ৰে সন্মানিত হেৱাৰ উপৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বহু বঁটা ও সন্মানেনে বিভূষিত হৈছিল।

**(২৫) স্বৰ্ণলতা দাস** - যশস্বী বৰগীত শিল্পী, শিক্ষাবিদ তথা সমাজকৰ্মী স্বৰ্ণলতা দাস ডাঙৰীয়ানী দাস ডাঙৰীয়ানী বৰগীতৰ এগৰাকী প্ৰসিদ্ধ শিল্পী আছিল। দাস ডাঙৰীয়ানীয়ে ৰাজ্য খনৰ কলা সংস্কৃতিৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অনবদ্য অবদানৰ বাবে সাহিত্য সভাকে ধৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ বঁটা ও সন্মানেৰে বিভূষিত হৈছিল ।

**(২৬) মৌলানা শ্বেইখ তৈবুৰ ৰহমান বৰভূএঞা** - বিশিষ্ঠ ইছলামিক পণ্ডিত ও শিক্ষাবিদ মৌলানা শ্বেইখ তৈবুৰ ৰহমান বৰভূএঞা ডাঙৰীয়াই উত্তৰ পূৰ ভাৰত তথা ৰাজ্য খনৰ সমাজ জীৱনলৈ গুৰুত্বপূৰ্ণ অৰিহণান আগবঢ়াই থৈ গৈছে। তেখেত অসমীয়াৰ উপৰি ইংৰাজী, হিন্দী, বাংলা, উৰ্দু আৰু আৰবী ভাষাৰ এগৰাকী মহান পণ্ডিত আছিল আৰু অসাধাৰণ পাণ্ডিত্যৰ বাবে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰতো তেখেতে বিশেষ সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল ।

**(২৭) কিৰণ শৰ্মা** - বিশিষ্ট সাংস্কৃত পণ্ডিত তথা বিশিষ্ট শিক্ষাবিদ কিৰণ শৰ্মা ডাঙৰীয়াই ৰাজ্য খনৰ সাহিত্যিক আৰু বিদ্যায়তনিক দিশত উল্লেখনীয় অৰদান আগবঢ়াই থৈ গৈছে । তদুপৰি তেখেতে অসম বেদ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ আৰু বি বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ হিচাপে দক্ষতাৰে সেৱা আগবঢ়াইছিল ।

**(২৮) পুৰন্দৰ গগৈ** - বিশিষ্ট শিক্ষাবিদ, গৱেষক. লেখক তথা শিৱসাগৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক পুৰন্দৰ গগৈ ডাঙৰীয়াই ঐতিহ্যমণ্ডিত শিৱসাগৰ মহাবিদ্যালয়ত ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে সেৱা আগবঢ়োৱাৰ লগতে ৰাজনীতি বিজ্ঞান বিভাগৰ সতাধিক কিতাপ লিখি ৰাজ্যখনৰ স্নাতক আৰু স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষাৰ ক্ষেত্ৰত গুৰুত্বপুৰ্ণ অৰিহনা যোগাই থৈ গৈছে ।

**(২৯) ৰামদাস বড়ো** - বড়ো সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি তথা বিশিষ্ঠ সাহিত্যিক ৰাম

দাস বড়ো ডাঙৰীয়াই বড়ো সাহিত্য সভাৰ উপ-সভাপতি হিচাপে কাৰ্য্য নিৰ্বাহ কৰাৰ লগতে বড়ো আৰু অসমীয়া ভাষাৰ সাহিত্যলৈ বিশেষ অবদান আগবঢ়াই থৈ গৈছে । তেখেতৰ উল্লেখনীয় কৰ্মৰাজীৰ বাবে অসম চৰকাৰে তেখেতক সাহিত্যিক পেঞ্চনেৰেও সন্মানিত কৰিছিল ।

**(৩০) ভৱপ্ৰসাদ বৰা** - বিশিষ্ট শিক্ষাবিদ তথা নিষ্ঠাবান সমাজকৰ্মী ভবপ্ৰসাদ বৰা ডাঙৰীয়াই অসম গণ পৰিষদ দলৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্য্যনিৰ্বাহক সদস্য হিচাপে কাৰ্য্য নিৰ্বাহ কৰাৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত সক্ৰীয় ভাবে জড়িত থাকি নিষ্ঠাৰে সেৱাৰ বৰঙণি আগবঢ়াইছিল।

**(৩১) প্ৰফুল্ল ৰাজগুৰু** - বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক, সাংবাদিক তথা নিৰ্বন্ধকাৰ প্ৰফুল্ল ৰাজগুৰু ডাঙৰীয়াই শিক্ষকতাৰে কৰ্মজীৱনৰ পাতনি মেলি পৰবৰ্তী সময়ত যোৰহাট দেবী চৰণ বৰুৱা ছাত্ৰী মহাবিদ্যালয়ত ইংৰাজী বিভাগৰ অধ্যাপক হিচাপে সেৱা আগবঢ়াই ১৯৯৭ অৱসৰ গ্ৰহন কৰে । তেখেতে দৈনিক জনমভূমি কাকতত সম্পাদনা উপদেষ্টা হিচাপে সেৱা আগবঢ়োৱাৰ উপৰি আমাৰ অসম কাকতত যোৰহাট কাৰ্য্যালয়ৰ আভাষিক সম্পাদক হিচাপেও কাৰ্য্য নিৰ্বাহ কৰিছিল ।

**(৩২) জ্ঞানদা বৰা** - প্ৰবীন অভিনেতা, নাট পৰিচালক তথা বিশিষ্ঠ সমাজকৰ্মী জ্ঞানদা বৰা ডাঙৰীয়াই ছাত্ৰ অৱস্থাৰ পৰাই অভিনয় জগতত প্ৰৱেশ কৰি পিছলৈ আৱধনা থিয়েটাৰৰ অভিনেতা হিচাপে ভ্ৰাম্যমান নাট্য জগত তো নগা কোৰৰকে ধৰি বহু সংখ্যক নাটকত মন পৰশা অভিনয়ৰে দৰ্শকৰ মনত সাজ বহুৱাবলৈ সক্ষম হোৱাৰ লগতে এগৰাকী নাট পৰিচালক হিচাপেও খ্যাতি অৰ্জন কৰিছিল ।

**(৩৩) জি এল আগৰৱালা** - অসমৰ প্ৰকাশন জগতৰ অন্যতম পুৰোধা ব্যক্তি জি এল পাব্লিকেশনৰ স্বত্তাধিকাৰী তথা বিশিষ্ঠ সমাজ সেৱক ঘিচালাল আগৰৱালা ডাঙৰীয়াই সমাজ সেৱাৰ অন্যতম মঞ্চ জি এল পি ছ'চিয়েল চাৰ্কুলাৰৰ অধ্যক্ষ হিচাপে কাৰ্য্য নিৰ্বাহ কৰাৰ উপৰিও হিন্দী দৈনিক কাকত পূৰ্বাঞ্চল প্ৰহৰীৰ সম্পাদক আৰু ইংৰাজী দৈনিক মেঘালয় গাৰ্ডিয়ান কাকতৰ মুখ্য সম্পাদকৰ দ্বায়িত্ব পালন কৰিছিল । তদুপৰি আগৰৱালা ডাঙৰীয়াই আমাৰ অসম কাকতৰো প্ৰাক্তন পৰিচালন সম্পাদক আছিল ।

**(৩৪) মুকুন্দ শৰ্মা** - বিশিষ্ঠ শিক্ষাবিদ, সাহিত্যিক ও নাট্যকাৰ মুকুন্দ শৰ্মা ডাঙৰীয়াই বিভিন্ন কাকত আলোচনী, স্মৃতিগ্ৰন্থ আদিত কবিতা, গল্প তত্বগধুৰ প্ৰবন্ধ লিখাৰ লগতে কেইবাখনো উল্লেখযোগ্য গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভৰাল চহকী কৰি থৈ গৈছে। তদুপৰি শৰ্মা ডাঙৰীয়াই অৰুনোদয় নাট্য দল গঠন কৰি ৰাজ্য খনৰ সাংস্কৃতিক দিশৰ উত্তৰণ, প্ৰচাৰ ও প্ৰসাৰৰ ক্ষেত্ৰত যথেষ্ট অৰিহনা আগবঢ়াইছে ।

**(৩৫) বীণাপানী বৰকটকী** - বিশিষ্ট সাহিত্যিক বীণাপানী বৰকটকী ডাঙৰীয়ানীয়ে গল্প, কবিতা উপন্যাস, প্ৰবন্ধ আদিৰে অসমীয়া সাহিত্যৰ ভৰাল চহকী কৰি থৈ গৈছে । তদুপৰি বৰকটকী ডাঙৰীয়ানীয়ে বিভিন্ন বাতৰি কাকত ও আলোচনীত বহু তত্ব গধুৰ লিখনিৰে সমৃদ্ধ কৰাৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগতো সক্ৰীয়তাৰে জৰিত থাকি নিষ্ঠা আৰু ঐকান্তিকতাৰে সেৱা আগবঢ়াইছিল।

**মাননীয় অধ্যক্ষ ঃ** মহিলা পৰিষদৰ ৰাজ্যিক উপ সভাপতি উপাসনা গগৈ ডাঙৰীয়ানীৰ বিভিন্ন বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগতে ৰাজ্যখনৰ সমাজ জীৱনলৈ নিষ্ঠা আৰু ঐকান্তিৰে সেৱা আগবঢ়াইছিল। দীপালী ৰাজখোৱা , অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ প্ৰাক্তন সম্পাদিকা বিশিষ্ট অভিনেত্ৰী তেখেত এগৰাকী বিশিষ্ট দক্ষ সমাজকৰ্মী ৰূপে নিজকে নিয়োজিত কৰাৰ লগতে এগৰাকী খেলুৱৈ আৰু সমাজ কৰ্মী, সাংস্কৃতিক কৰ্মীৰূপে ও ৰাজ্যখনৰ ক্ৰীড়া আৰু সাংস্কৃতিক ক্ষেত্ৰখনত উল্লেখনীয় অবদান আগবঢ়াই থৈ গৈছে। পৰাগ শৰ্মা - বিশিষ্ট অভিনেতা পৰাগ শৰ্মা ডাঙৰীয়া ছাত্ৰ অৱস্থাৰ পৰা অভিনয় জগতৰ লগত জড়িত হোৱাৰ লগতে ঢোল বাদন, নৃত্য, নাটক পৰিচালনাৰে অসমীয়া সংস্কৃতিৰ ভৰাল চহী কৰাৰ ক্ষেত্ৰত যথেষ্ট অবদান আগবঢ়াইছিল । তেখেতে ভাগ্যদেবী থিয়েটাৰৰ যোগেদি ভ্ৰাম্যমান থিয়েটাৰ যোগেদি প্ৰৱেশ কৰি আবাহন, ৰাজশ্ৰী , ৰাজতিলক , কহিনুৰ আদি থিয়েটাৰত বহু জনপ্ৰিয় চৰিত্ৰত বলিষ্ঠ আৰু হৃদয় স্পৰ্শী অভিনয় কৰি দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। বিপুল বশিষ্ট গোস্বামী - বিশিষ্ট চিত্ৰ নাট্যকাৰ, অভিনেতা তথা পৰিচালক লখেতে লগতে কাহিনীকাৰ তথা চিত্ৰ নাট্যকাৰ হিচাপে কেইবাখনো ছবি- ধাৰাবাহিক- ভিচিডি ৰ চিত্ৰ নাট্য ৰচনা কৰি একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনত অনবদ্য আবদান আগবঢ়াই থৈ গৈছে। ভবেন হাজৰিকা- বিশিষ্ট ভাস্কৰ্য্য শিল্পী ৰাষ্ট্ৰীয় পৰ্য্যয়ত সমাদাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। তদুপৰি অসমত হৈ থকা প্ৰলয়ংকৰী বানপানীত অকালতে প্ৰান হেৰুৱা ব্যাক্তিসকলৰ প্ৰতিও সদনে গবীৰ শ্ৰুদ্ধাঞ্জলী জ্ঞাপন কৰে আৰু শোক সন্তপ্ত পৰিয়াললৈ গবীৰ সমবেদনা জ্ঞাপন কৰে। উল্লেখ্য বৰন্যে ব্যাক্তিসকল, দেশৰ শ্বহীদসকল, সম্প্ৰতি বানপানীত অকালতে মৃত্যুবৰন কৰা লোকসকলৰ বিয়োগত দেশ তথা ৰাজ্যখনৰ জাতীয় জীৱনৰ অপুৰনীয় ক্ষতি হৈছে। এতিয়া এই ব্যাক্তিসকলৰ আত্মাৰ সদ্গতি আৰু চিৰ শান্তি কামনা কৰি ১ মিনিট সময় থিয় হৈমৌনতা অৱলম্বন কৰিবলৈ অনুৰোধ জনালো।

( প্ৰাক্তন বিধায়ক এচ কে দত্ত আৰু শিক্ষাবিদ তথা সমাজসেবী ৰবীন্দ্ৰ ৰায়, নাম দুটা বাদ পৰি যোৱাত মৃত্যু প্ৰসঙ্গত উল্লেখ কৰাৰ বাবে অধ্যক্ষ মহোদয়ে নামদুটা দিয়াৰ বাবে অনুৰোধ কৰে। লগতে আজি কাৰগিল বিজয় দিবসৰ স্মৃতিত শ্বহীদ হোৱা অমৰ জোৱানসকল সদনত স্মৰন কৰা হয়।)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সদন অহাকালি ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।

**আজি সদনৰ দিনটোৰ কাৰ্য্যক্ৰমণিকা ৫.২৫ বজাত অন্ত হয়।**